# মঙ্গলদৈ মহাবিদ্যালয় আলোচনী



সম্পাদক

শিৱপ্ৰসাদ বৰুৱা

# মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

## অসমীয়া বিভাগ

ওঁ অসতো মা সদ্‌গময়
তমসো মা জ্যোতির্গময়,
মৃত্যোৰ্মা অমৃতং গময় ॥
ওঁ শান্তি ওঁ শান্তি ওঁ শান্তিঃ

ইংৰাজী ১৯৮৫-৮৬ চন

॥ মঙ্গলদৈ মহাবিদ্যালয় সংগীত ॥

মহাজীৱনৰ / মহাসাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ / ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি ॥ ১ ॥
অজ্ঞানতাৰ / তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ / শিখাৰে বিলালা
সুধা সঞ্জীৱনী ।
বিকশিত আজি / শত শত দল
তোমাৰ চৰণ চুমি ॥ ২ ॥
বিয়পি পৰিছে / চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ
শত প্ৰদীপৰ / জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান ॥
তোমাৰ আভাত / হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ॥ ৩ ॥

—প্ৰভাত চৌধুৰী

- মতিৰাম মেধি এম-এ, এম, ফিল
ভাৰপ্ৰাপ্ত অধ্যাপক

— শিৱ প্ৰসাদ বৰুৱা
সম্পাদক

## সম্পাদনা সমিতি ঃ—

অধ্যক্ষ ডঃ পূর্ণ চন্দ্র বৰা ( সভাপতি )

অধ্যাপক শ্ৰীজামালুদ্দিন আহমেদ ( উপ-সভাপতি )

অধ্যাপক শ্ৰীমতিৰাম মেধি ( তত্বাৱধায়ক )

শ্ৰীশিৱপ্ৰসাদ বৰুৱা ( সম্পাদক )

**সদস্য ৱৃন্দ ঃ—**

শ্ৰীশৎৰাম ডেকা

শ্ৰীবলীন গোস্বামী

শ্ৰীবজলুল হক

শ্ৰীশৰৎ হাজৰিকা

শ্ৰীধীৰজা বৰা


শ্ৰীনিৰ্মালী ডেকা

মঃ মিনুৱাৰা বেগম

মঃ হাফিজৰ ৰহমান

চুলতানা চালেহা বেগম

# শ্বহীদ বেদী



'লুইতৰ আকাশত তৰাৰ তৰাৱলী
পাৰত দীপাৱলী তেজেৰে মোৰ
আই নাকান্দিবি
থাপনাত তেজেৰে বন্তি দিলেহি
সন্তানে তোৰ ।"

—জ্যোতিপ্ৰসাদ আগৰৱালা ।

# অশ্ৰু অঞ্জলী



অলকা ডেকা



দিপালী দেৱী

আমাৰ মহাবিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী অলকা ডেকা আৰু একাদশ শ্ৰেণীৰ ছাত্ৰী দিপালী দেৱীয়ে আমাক কন্দুৱাই অকালতে ইহ সংসাৰৰ পৰা মেলানি মাগে। তেওঁলোকৰ আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ আৰু অশ্ৰুঅঞ্জলী যাচিছোঁ।

সম্পাদক।

কৃতজ্ঞতা স্বীকাৰ ঃ—

মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী আৰু কৰ্মী বৃন্দলৈ প্ৰথমে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ সকলো কামতে সহায়-সহযোগ আগবঢ়োৱা বাবে বন্ধুবৰ—হৰেণ, বাতুল, উদয়, অজয়, চালেহউদ্দিন, অঞ্জন, মদন, ডিম্বেশ্বৰ, হৰকান্ত, মুক্তা আৰু হৰেশ্বৰ চমুৱা দা।

বান্ধৱী অনুপমা, মেৰিণা, আইনেচা, মিতালী, মেঘালী, নিৰ্মলা, দিপালী বাইদেউ আৰু আন বহুতো বান্ধৱীলৈও মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

বেটুপাত আৰু অলংকৰণ

—তপনকুমাৰ বৰুৱা

# সূচীপত্ৰ

*সম্পাদকীয় চিন্তা :*


ছাত্ৰ মোৰ প্ৰাণ / শ্ৰীবিমলা প্ৰসাদ শৰ্ম্মা ভট্টাচাৰ্য্য ১


**: প্ৰবন্ধ :**


অসমীয়া কবিতাত জাতীয় চেতনা / কুমাৰী ননীমনি মজুমদাৰ ৩

অসমৰ ভাষা সাহিত্য জগতলৈ বেজবৰুৱাৰ দান / শ্ৰীত্ৰিবেণী শৰ্ম্মা ভাগৱতী ১৩

সমন্বয়ৰ মহাতীৰ্থ মঙ্গলদৈ / শ্ৰীকনক চহৰীয়া ২১

নাৰীৰ প্ৰতীক মীৰা বেনৰ চমু জীৱনী / শ্ৰীনিৰ্ম্মালী ডেকা ২৪

তেজস্ক্ৰিয়তা আৰু মানৱ দেহত ইয়াৰ প্ৰতিক্ৰিয়া / এম্. চালেহউদ্দিন আহমেদ ২৯


**: কবিতা :**


মই জ্যোতি প্ৰসাদে কৈছো / শ্ৰীহৰেন্দ্ৰ কেওঁট ৩২

দুটি প্ৰেমৰ কবিতা / শ্ৰীধৰ্ম্ম কান্ত বৰুৱা ৩৩

অপেক্ষা / শ্ৰীঅবি নাৰায়ণ শৰ্ম্মা ৩৪

ৰোমন্থন দুখৰ দিনৰ / মঃ বজলুল হক ৩৫

বিষ্ণুৰাভা / শ্ৰীহৰেন্দ্ৰ ৰাজবংশী ৩৬

প্ৰেৰণা / মিচ্ মিণুৱাৰা বেগম ৩৯

হে নতুন / শ্ৰীজীবেন্দ্ৰ মোহন দেৱ শৰ্ম্মা ৪০

দুটি কবিতা / শ্ৰীসৎৰাম ডেকা ৪১

মুক্তি সমাগত / শ্ৰীমুকুল বৰুৱা ৪২

কক্ষচ্যুত নক্ষত্ৰ / ডঃ মহেন্দ্ৰ প্ৰসাদ বৰুৱা, অধ্যাপক ৪৩

ব্ৰহ্মপুত্ৰ / জামালুদ্দিন আহমেদ, আৰবী বিভাগৰ প্ৰবক্তা ৪৪

আই কিয় কৰিছা ক্ৰন্দন / জিতেন হাজৰিকা ৪৫


**: গল্প :**


স্মৃতিৰ সঁফুৰা / শ্ৰীগীতালী ডেকা ৪৭

অনুতপ্ত / শ্ৰীৰমেশ চন্দ্ৰ শৰ্ম্মা ৫০

উদ্‌ঘাটন / শ্ৰীপৰমানন্দ ৰাজবংশী ৫৬

আৰোহণ / শ্ৰীগজেন্দ্ৰমোহন দেৱ শৰ্ম্মা ৬০

সক ভাইটিৰ জোতা / শ্ৰীজয় শৰ্ম্মা, এম এচ্ চি, বি-টি ৬৬

আশিষ / শ্ৰীমতিৰাম মেধি, প্ৰবক্তা, ভূগোল বিভাগ ৭২

মায়া মৃগৰ সন্ধানত / শ্ৰীশৰৎ কুমাৰ হাজৰীকা ৭৬

॥ বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন ॥ ৭৯

# সম্পাদকীয়



লয়যুক্ত ভাষাই সাহিত্য । কোনো এক সাহিত্য সেই জাতিৰ দাপোন স্বৰূপ । অসমীয়া সাহিত্য অসমীয়া জাতিৰ প্ৰতিবিম্ব । অসমীয়া সাহিত্যই যুগে যুগে অসমীয়া জাতিটোক বিশ্বৰ দৰবাৰত পৰিচয় দি আহিছে ।

খ্ৰীষ্টিয় দশম শতিকাতেই অসমীয়া সাহিত্যৰ আৰম্ভণী হয় আৰু শুভাৰম্ভণীৰ পৰাই ই বিজয় যাত্ৰা আৰম্ভ কৰে । যি সময়ত ভাৰতৰ আন কোনো প্ৰান্তীয় ভাষাই ৰামায়ণৰ দৰে সুবৃহৎ কাব্য এখনিৰ পদ ৰচনা কৰিবলৈ সাহস কৰা নাছিল, তেনে এক সু-প্ৰাচীন কালতেই অসমীয়া কবি মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনাৰ কাম শেষ কৰিলে । "হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ" বুলি পৰৱৰ্ত্তী শঙ্কৰদেৱে সাহিত্য কাননত প্ৰবেশ কৰি "হস্তী" সদৃশ মাধৱ কন্দলিকো চেৰ পেলাই অসমীয়া সাহিত্যত একচ্ছত্ৰী সম্ৰাট হয়গৈ । আকৌ অসমীয়া ভাষাতেই প্ৰথমে বুৰঞ্জী সাহিত্য ৰচনা কৰা হয় । 'যি মৰে, যাক পাও, বাটত যি কথা কয়, পণ্ডিতে লিখি থব ।" ৰজা চুকাফাই অসম প্ৰদেশত সোমাওতেই পণ্ডিত সকলক এই আদেশ দিছিল। ভাৰতৰ অন্য বহুতো প্ৰান্তীয় ভাষাই গদ্যৰ ৰূপ দেখিবলৈ নৌ-পাওঁতেই অসমীয়া গদ্য সাহিত্যই পুৰঠ অৱস্থা পাইগৈ । এইদৰে অসমীয়া ভাষা সাহিত্য আগবাঢ়ি আহে । এই ভাষা সাহিত্যক আলম লৈয়ে গঢ়ি উঠে বৃহৎ অসমীয়া জাতি ।

কিৰাত কছাৰী খাসি গাৰো মিৰি
যৱন কঙ্ক গোৱাল
অসম মুলুক বজক তুৰুক
কুবাচ ম্লেছ চণ্ডাল । ( শঙ্কৰদেৱ )

বিভিন্ন জাতি উপজাতিৰ ৰসবাস এই অসম দেশ ।

"পুৰণি গৌৰৱেৰে গৰ্ব্বিত অসম দেশৰ আজি উন্নতি লেশমানো নাই ।" এই অসমত আজি দিল্লীৰ দৰবাৰৰ শোষণ চলিছে । ইংৰাজ গুচি গ'ল সচা, কিন্তু শোষণকাৰী শাসক দল থাকিয়েই গ'ল । অসমত যিকোনো নাৰ্য্য প্ৰাপ্তিৰ বাবেই আন্দোলন কৰিব লাগে । দিব লাগে শ্বহীদৰ কেচা তেজ । তাৰ পিছত হয়তো পাব এটা পুতলা ।

নিজৰ মাতষাৰিৰ বাবেইনো অসমে কিমান জীয়াতু ভুগিলে । সেই হেন উন্নত

ভাষা এটাই নিজৰ ঠাইতে পালে কতনা লাঞ্ছনা, '৬০ আৰু '৭২ ত। '৮৬ৰ মাধ্যমিক শিক্ষা পৰিষদৰ ভাষা সম্পৰ্কীয় চাকুলাৰখন প্ৰচাৰ কৰাৰ লগে লগেও সেই একে নাটকৰে পুণৰাবৃত্তি। যিখন ঠায়ে আপোন বুকুত আশ্ৰয় দিছে, যাৰ অন্নেৰে লালিত পালিত হৈছে, যাৰ বায়ু পানী সেৱন কৰি জীয়াই আছে, সেইখন ঠাইৰ বিৰোধীতা কৰা, সেই সকলক কও "অসমত থাকি অসমীয়া হবলৈ চেষ্টা কৰা নহলে এই ঠাই পৰিত্যাগ কৰা ."

গত ছবছৰীয়া আন্দোলনটোৰ কথা কোনো এজন অসমীয়াই পাহৰিব পৰা নাই। শ্বহীদৰ কেচা তেজৰ গোন্ধেই হয়তো মৰা নাই। '৮৩ৰ নিৰ্ব্বাচনীৰ চিতাগ্নি আজিও কাৰো চকুৰ আগৰ পৰা আঁতৰিব পৰা নাই। ১৯৮?চনৰ ১৪আগষ্টৰ ঐতিহাসিক অসম চুক্তিয়ে সেই বিদেশী বহিষ্কৰণৰ আন্দোলনটোৰ অৱসান ঘটায়। চুক্তিৰ পিচে পিচে অসমীয়াই পাইছো এখন নিজৰ চৰকাৰ অসম গণ পৰিষদ চৰকাৰ। এই চৰকাৰেও কি কৰিছে তাৰ গম-গতি লোৱাটো আমাৰ নিতান্তই প্ৰয়োজন।

গণতন্ত্ৰত বিশ্বাসী অসমীয়া ৰাইজ। পিছে বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশ ভাৰত বৰ্ষত 'গণতন্ত্ৰ' কিমানখিনি বৰ্ত্তি আছে? পুৱতি নিশাৰ ঐতিহাসিক অসম চুক্তি কাৰ্য্যকৰী কৰাৰ প্ৰচেষ্টাইবা কৰিছে কিমান! বিশ্বৰ ইতিহাসত এনে কোনো নজিৰ নাই, য'ত নাৰ্য্য দাবীৰ পৰাজয় ঘটিছে। কিন্তু আজি অসমীয়াৰ মনত সন্দেহে বাহ লৈছে। মাজ নিশা পোৱা স্বাধীনতা আৰু মাজ নিশা পোৱা চুক্তিৰ মাজত পাৰ্থক্য কিমান?—?


শিক্ষা-দীক্ষা আদি সকলো ক্ষেত্ৰতে পিছপৰা এই অসম ৰাজ্য। সেয়ে অসমীয়া ছাত্ৰ-ছাত্ৰী সকলৰ আজি সময় আহি পৰিছে—পৰিবেশৰ লগত নিজকে খাপ খুৱাই লোৱাটো। 'পঢ়ে, পঢ়ুৱাই, ৰোৱে পান এই তিনিয়ে নিচিন্তে আন।" পিছে অসমীয়া ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰত এই সাধু বচন ফাকি নখটা হৈ পৰিছে। টেলিভিচন, কম্পিউটাৰ আদিৰ জৰিয়তে শিক্ষা দিয়াৰ যুগতো অসমৰ ছাত্ৰ-ছাত্ৰীয়েও ব্লেকবোৰ্ডৰ অভাৱ বোধ কৰাটো দুখঃজনক। তথাপি কিছু সুবিধা পালে অসমীয়া ছাত্ৰ-ছাত্ৰীয়েও সকলো ক্ষেত্ৰতে বিশেষ পাৰদৰ্শিতা দেখুৱাব পাৰিব। সৌ তাহানিয়েই জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে কৈ গৈছে—"অসমীয়া ডেকাৰ মেধা মনীষা, প্ৰতিভা নোহোৱা নহয়। কেৱল সাধনা আৰু তপস্যাৰ বিমুখতাৰ বাবেই আমি তাক ফুলাই তুলিব পৰা নাই।" আজি অসমীয়াই উগ্ৰ সাধনা আৰু কঠোৰ তপস্যাত নিমগ্ন হৈ পঢ়া মেজখনৰ পৰা আৰম্ভ কৰি দিচপুৰ, দিল্লী আৰু বিশ্বৰ দৰবাৰলৈ হাত মেলি দিব লগীয়াত পৰিছে। সমন্বয়ৰ প্ৰতীক শঙ্কৰ মাধৱৰ মহান আদৰ্শ শিৰোগত কৰি সকলো অসমীয়াই কৰ্ম্ম ক্ষেত্ৰত অগ্ৰসৰ হলে বেলিমাৰৰ অসম আকাশত অচিৰেই প্ৰভাতী সূৰুযে দেখা দিব।

"বাজক দবা বাজক শঙ্খ বাজক মৃদঙ্গ খোল।
অসম আকৌ উন্নতিৰ পথত জয় আই অসম
বোল।"

নমস্কাৰন্তে।

**শ্ৰীশিৱপ্ৰসাদ বৰুৱা,**
সম্পাদক,
মঙ্গলদৈ মহাবিদ্যালয় আলোচনী।

## আলোচনী সম্পাদনা সমিতি ঃ— ১৯৮৫/৮৬



প্ৰথম শাৰী ঃ— ( বহি বাওঁফালৰ পৰা ক্ৰমে ) মিচ্ নিৰ্মালী ডেকা, মিচ্ মিনুৱাৰা বেগম ( সদস্যা ), শ্ৰীশিৱ প্ৰসাদ বৰুৱা ( সম্পাদক- আলোচনী ), অধ্যক্ষ ডঃ পূৰ্ণ চন্দ্ৰ বৰা ( সভাপতি ), অধ্যাপক শ্ৰীমতিৰাম মেধি ( তত্বাৱধায়ক ), মিচ্ ধীৰজা বৰা, চুলতানা চালেহা বেগম ( সদস্যা ) ।

দ্বিতীয় শাৰী ঃ— ( থিয় হৈ ক্ৰমে ) সৰ্বশ্ৰী বলীন গোস্বামী, শৰৎ কুমাৰ হাজৰিকা, সংৰাম ডেকা, খনীন্দ্ৰ ডেকা, মঃ বজলুল হক, মঃ হাফিজুৰ ৰহমান ( সদস্য বৃন্দ ) ।

কবিতা

# ছাত্ৰ মোৰ প্ৰাণ

অজ্ঞান আন্ধাৰ কৰিব অসাৰ
চলিছে অপাৰ কুমাৰী কুমাৰ
জ্ঞান ৰত্ন ধন অমূল্য ৰতন
কৰিব ভূষণ জীৱন শোভন
ফুৰি বনে বনে যেন অলিগনে
মধুকণ আনে অতীব যতনে
তাকে আনি নবে দেৱ পূজা কৰে
অৱনত শিৰে মঙ্গল মন্ত্ৰৰে
সেই অনুসাৰে একান্ত অন্তৰে
বিদ্যা চৰ্চ্চা কৰে জ্ঞানাৰ্থী ছাত্ৰৰে
ৰাজ হংস গতি শাৰি পাতি পাতি
ৰাখিছে সম্প্ৰীতি সবাৰো সংহতি
শুদ্ধ আলাপণ মধুৰ বচন
দেবাঙ্গ ভূষণ শৰীৰ বৰণ
মোহন মুকুতি শৰীৰৰ কান্তি
অপূৰ্ব্ব বিভূতি ছাত্ৰৰ জেউতি
পঙ্কজ বদন সুন্দৰ দশন
নিৰ্ম্মল চৰণ বিশাল লোচন
মহা তপোধন জ্ঞানৰ কাৰণ
জীৱনৰ পণ কৰ্ত্তব্য সাধন

যেন দিবাকৰে জগৎ-জ্যোতি কৰে
পুলক অন্তৰে কৰ্ত্তব্য সামৰে
কেতেকী তগৰ ফুল্ল মনোহৰ
ছাত্ৰৰো সুন্দৰ সুন্দৰ অন্তৰ
অজ্ঞান বিনাশি উঠিব বিকাশি
দুখ দৈন্য নাশি ছাত্ৰ ৰাশি ৰাশি
জ্ঞান ৰত্ন মণি সমুদ্ৰ ভৰণী
দুখ উৰ্মি জিনি ৰক্ষা কৰে প্ৰাণী
নাশিব অন্যায় প্ৰকাশিব ন্যায়
জ্ঞান শঙ্খ বাই শানি গান গাই
এই ধৰাতল কৰিব শীতল
সুখৰ কমল ফুটিব সকল।
ঘৰে ঘৰে শান্তি হব প্ৰেম-প্ৰীতি
সকলোৰে নীতি আদৰ্শৰ ভেটি
দেশৰ মঙ্গল সকলো কুশল
উন্নতি সবল ছাত্ৰ প্ৰাণ বল।
স্বদেশ গঢ়োতা কল্যাণ কৰোতা
উন্নতি সাধোতা ছাত্ৰ শ্ৰেষ্ঠ হোতা
প্ৰকৃত সেৱক ভবিষ্যৎ নায়ক
দেশ সঞ্চালক শকতি কাৰক।

দেশৰ কাৰণে ধনে জনে প্ৰাণে
মৰিবও জানে করুণ মৰণে
এনেহেন ধন বিশ্ব ছাত্ৰ গণ
কামনাৰ ধন দুৰ্লভ ৰতন
সুন্দৰ শীতল ই মরুৰ জল
ছাত্ৰৰ সৰল বচন বিমল
পাঠ উপাচাৰ পূজাৰ সম্ভাৰ
যত বিদ্যাগাৰ যজ্ঞ ভূমি তাৰ

শিক্ষক পূজাৰী অজ্ঞান সংহৰি
জ্ঞান সাত সৰি আনে পূজা কৰি
সাধক ছাত্ৰবে মহা ভক্তি ভৰে
মস্তক মন্দিৰে আনি মালা কৰে
পৰম পবিত্ৰ ছাত্ৰৰ চৰিত্ৰ
নয়ণৰ চিত্ৰ অতীব বিচিত্ৰ
সৰ্ব্ব শক্তিমান দেশৰ কল্যান
ছাত্ৰ মোৰ প্ৰাণ জীৱন সমান।

শ্ৰীবিমলা প্ৰসাদ শৰ্ম্মা ভট্টাচাৰ্য্য
প্ৰাক্তন ছাত্ৰ

প্ৰকাশিত পুথি :— ১। মোৰ আই অসম
প্ৰকাশ নবেম্বৰ / ১৯৮০
২। প্ৰকৃতি মানস কন্যা
প্ৰকাশ এপ্ৰিল / ১৯৮২

টংলা, পাথৰিঘাট, কোকৰাঝাৰ আদি ঠাইত সাহিত্য সভাৰ সৌজন্যত কবিতা পাঠ কৰা হয়।

বিঃ দ্ৰঃ— প্ৰকৃতি মানস কন্যাত "আদৰণি" পৰ্ব্বত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মাননীয় শ্ৰীযুক্ত অতুল চন্দ্ৰ বৰুৱা দেৱে চমু পৰিচয় দিছে। প্ৰয়োজন বোধে দ্ৰষ্টব্য।

প্ৰবন্ধ

# অসমীয়া কবিতাত জাতীয় চেতনা

কুমাৰী ননীমনি মজুমদাৰ

পৃথিবীৰ সকলোবোৰ সাহিত্যই আন আন সাহিত্যৰ দ্বাৰা প্ৰভাৱান্বিত আৰু সঞ্জীৱিত। ঠিক তেনেদৰে অসমীয়া সাহিত্যত আন আন সাহিত্যৰ প্ৰভাৱেৰে সমুজ্জ্বল; সেইটো সচাঁ কথা। অৱশ্যে পুৰণি অসমীয়া সাহিত্য অৰ্থাৎ লৌকিক গীত-পদ সমূহ আৰু শংকৰী বা উত্তৰ শংকৰ যুগৰ অসমীয়া সাহিত্যৰ বিষয় বস্তু কবি সাহিত্যিকৰ নিজা সৃষ্টি। গতিকে অসমীয়া সাহিত্যত প্ৰাচ্য আৰু পাশ্চাত্যৰ প্ৰভাৱ এই সম্বন্ধে জানিবলৈ হলে আমি বিচাৰ কৰি চাব লাগিব, অসমীয়া সাহিত্যৰ আধুনিক যুগটোক। প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাৱ-ধাৰাৰে সমৃদ্ধ অসমীয়া সাহিত্যৰ এই আধুনিক যুগটোৰ কাব্য সাহিত্যৰ পৰা বৰ্তমানৰ অসমীয়া কাব্য সাহিত্যৰ ওপৰত আলোকপাত কৰিলেই আমাৰ আলোচ্য বিষয়-বস্তু "অসমীয়া কবিতাত জাতীয় চেতনা" এই সম্পৰ্কে সম্যক আলোচনা কৰা হব।

অসমীয়া সাহিত্যত আধুনিক যুগৰ আগমন হয় জোনাকীৰ জৰিয়তে। জোনাকীয়ে প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাৱধাৰাৰ মাজত সংযোগ সেতু স্থাপন কৰি জন্ম দিছিল অসমীয়া সাহিত্যত এটি নতুন যুগৰ। পাশ্চাত্যৰ প্ৰভাৱে অসমীয়া কাব্য সাহিত্যৰ ভাৱ, দৃষ্টি-ভঙ্গী, আদৰ্শ, ৰচনা-ৰীতিৰ কৌশল আদিৰ পৰিবৰ্ত্তন ঘটাই পৰিস্ফুৰণ কৰিছিল অসমীয়া সাহিত্য জগতত ৰোমাণ্টিচিজিম বা নৱন্যাসযুগৰ। নৱ-জাগৰণৰ কবিতাত মৌলিক গভীৰ ভাৱ, আশাবাদ, প্ৰাণছন্দ, জাতীয় চৈতন্যৰে সঞ্জিৱীত ললিত লয়যুক্ত মনোহৰ বৰ্ণনা জাতীয় দৃষ্টি-ভঙ্গীৰে

অন্তৰভেদী পৰ্যবেক্ষন, দেশাত্মবোধ আৰু সাম্য মৈত্ৰী স্বাধীনতাৰ সুৰৰ ঝঙ্কাৰ প্ৰতিফলিত হৈছিল। ইয়াৰ মূলতে আছিল প্ৰাচীন গৌৰৱ-মণ্ডিত আত্ম-সচেতন নব-জাগ্ৰত সংগ্ৰাম ধৰ্মী আৰু মানৱতাবাদী ঐহিক আবেগৰ মুক্তিকামী অসম তথা ভাৰতবাসীৰ জাতীয় চেতনা।

প্ৰাক স্বাধীনোত্তৰ যুগত, দেশত সামাজিক আৰু ৰাজনৈতিক নানা সংঘাট উদ্ভৱ হৈছিল। সেইয়া আছিল মধ্য যুগীয় সামাজিক কু-সংস্কাৰ আৰু বিদেশী শাসকৰ শোষণ আৰু প্ৰভুত্ব। ইংৰাজ শাসনৰ ফলত, পাশ্চাত্য সভ্যতা আৰু শক্তিয়ে জাতীয় চেতনাক স্তম্ভিত আৰু আত্ম বিস্মৃত কৰি তোলাৰ লগতে এটি নীচাত্মিকা মনোভাৱ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। কিন্তু অসমীয়াৰ সুযোগ্য সন্তান লক্ষীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য আদিয়ে দেশাত্মকবোধক, জাতীয় চৈতন্যমূলক লিখনীৰে কবিতা তথা সাহিত্যৰ জৰিয়তে অসমীয়া জাতিক উদ্বুদ্ধ কৰিলে অসমীয়া কাব্য সাহিত্যত আমি দুই ধৰণৰ জাতীয় চেতনা দেখিবলৈ পাওঁ। সেয়া হ'ল—পাশ্চাত্য সংস্কৃতিৰ বিৰোধী সংস্কৃতি আৰু শাসনৰ ঘোৰ বিৰোধী ৰাজনৈতিক সচেতনতা।

জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ কবি সাহিত্যিক লক্ষীনাথ বেজবৰুৱা দেৱে তেওঁৰ আশাবাদী অন্তৰেৰে অসমীয়াৰ প্ৰাণ সংস্কাৰ কৰিছিল সংস্কৃতিৰ ধাৰাত। সামাজিক মুক্তি প্ৰেৰণাত জন্মা জাতীয়তাবাদ আৰু অসমীয়াৰ মানৱতাবাদ বিশ্বজনীন কৰি তুলিছিল বেজবৰুৱা দেৱ, চন্দ্ৰকুমাৰ আগৰৱালা, হেম চন্দ্ৰ গোস্বামী, দুৰ্গেশ্বৰ শৰ্ম্মা, হিতেশ্বৰ বৰ বৰুৱা, ডিম্বেশ্বৰ নেওঁগ, শৈলধৰ ৰাজখোৱা, গনেশ চন্দ্ৰ গগৈ আদি জোনাকী যুগৰ মৌলিক কবি সকলে।

ৰাষ্ট্ৰীয় মুক্তি চেতনা, মুক্তি সংগ্ৰামৰ ঐক্য আৰু আৰ্য্য সভ্যতাৰ ক্ষমতাৰ ভেটিত অসমীয়া জাতীয়তাবাদ হৈ পৰিছিল সৰ্বভাৰতীয়। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চুক্তিত অসমে পৰাধীনতাৰ শিকলিহে পিন্ধিব লগীয়া হৈছিল। অসমীয়াৰ দাসত্ব বন্ধনে যুগ যুগ ধৰি সন্তানৰ কলিজা কপোঁৱা কণ্ঠস্বৰ হৰণ কৰিলে। চিৰ চেনেহী ভাষা জননীৰ শুৱলা মাতষাৰিৰ ঠাই ললে সাত সাগৰ তেৰ নদী সিপাৰৰ বগা চাহাব বিলাকৰ গাত ভেজা দি অহা বঙ্গৰ বঙালী ভাষাই। কিন্তু স্বাধীনমনা অসমীয়া জাতিয়ে আত্মগ্লানিৰ দংশনত ক্ষত বিক্ষত হৈ মৰণৰ বিভীষিকাক তুচ্ছ কৰি দুৰ্ব্বাৰ সাহসেৰে আগবাঢ়িছিল ভাষা জননীৰ পূজা কৰিবলৈ। এইখিনিতে অসমীয়া জাতিলৈ সৌভাগ্য কঢ়িয়াই আনিছিল অন্য এক উদাৰ পন্থী জাতিৰ কিছু সংখ্যক ধৰ্মাৱলম্বী লোক বেপ্টিচ মিচেনাৰী সকলে। মিচেনাৰী সকলৰ সহানুভূতিত

অসমীয়া ভাষা সাহিত্যৰ পূজাৰী সকলে অসমীয়া ভাষা সাহিত্যৰ মন্দিৰত নুমাও নুমাও শলিতা ডালত তেল দিবলৈ সক্ষম হৈছিল। অসমীয়া ভাষা সাহিত্যক পুনৰোজ্জীৱিত কৰাৰ দায়িত্ব ললে অৰুণোদয়ে। অৱশ্যে অৰুণোদয়ে অসমীয়াৰ প্ৰাণত জাতীয়তাবাদ, দেশাত্মবোধৰ তীব্ৰৰূপ দিছিল এনে নহয়। তথাপি অৰুণোদয় অসমীয়া ভাষা সাহিত্যৰ হেৰাই যোৱা সম্পদ উদ্ধাৰৰ প্ৰথম পথ প্ৰদৰ্শক হৈ থাকিব। অৰুণোদয়ত আমি অসমীয়াৰ জাতীয় চৈতন্য আৰু দেশাত্মবোধৰ আভাস পাওঁ বৰফুকনৰ গীত, মনিৰাম দেৱানৰ জাতীয় প্ৰেমৰ গীতত।

ভাৰতৰ ঐতিহ্য আৰু গুণ-গৰিমা বিশ্বৰ ইতিহাসে ঢুকি পোৱাৰ আগৰে পৰা ভাৰতৰ বুকুত জ্বলি আছিল সোণৰ কলচী সদৃশ অক্ষয় কিৰিটি। কলা কৃষ্টি সভ্যতাত ভাৰত বৰ্ষৰ ৰাজদণ্ড অদ্বিতীয়। এই ৰাজদণ্ড মোগল বিলাকে কাঢ়ি ললেও সি সিহঁতৰ হাতত বেছি দিন নাথাকিল। পাশ্চাত্যৰ গোলামী আৰু একচ্ছত্ৰী শাসনৰ বিৰোধীতা জাতীয় চেতনাৰে অনুপ্ৰাণিত হোৱা দেশৰ জন-সচেতন কবি সাহিত্যিকৰ কবিতাও সাম্য-মৈত্ৰী আৰু জাতীয়তাবাদৰ নৱ-চেতনা মুখৰিত হৈ উঠিছিল—

"জন্মিব সিদিনা শত মেটছিনি তুচ্ছ পৰি থকা শিলৰ পৰা
শত গেৰিবল্ডি জনম লভিব, কৰিব পোহৰ ভাৰতধাৰা।"

(কমলাকান্ত ভট্টাচাৰ্য্য)

অসম তথা ভাৰতবাসীয়ে দেশৰ অস্তিত্ব আৰু পৰ-পদানত হোৱা মনুষ্যত্বৰ অৱনতিৰ অৱসান ঘটাই দেশ মাতৃকাৰ লাঞ্চিতা হৃদয়ৰ বেদনা দেখি অসমীয়া কবিৰ প্ৰাণত দুৰ্জয় জোৱাৰ উঠিছিল জাতীয় চেতনাৰ, দেশপ্ৰেমৰ। জাতীয় চেতনাৰে অনুপ্ৰাণিত হোৱা কবি সাহিত্যিক কমলাকান্ত ভট্টাচাৰ্য্য, অম্বিকাগিৰি ৰায়চৌধুৰী, বিনয় চন্দ্ৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, প্ৰসন্নলাল চৌধুৰী, দেৱকান্ত বৰুৱা, অমূল্য বৰুৱা, আদিয়ে অসমীয়া কাব্য সাহিত্যৰ সাধনাৰে দেশাত্মবোধৰ জাগৰণ আনি অসমীয়াৰ প্ৰাণত গণতান্ত্ৰিক ঐক্যৰ আৰু জাতীয় চৈতন্যৰ ভাৱ জগাই তুলিছিল। আকৌ এই সকল কবিৰ লগতে খোজ মিলাই দেশপ্ৰেমৰ নিদৰ্শন দেখুৱাইছিল আনন্দ চন্দ্ৰ আগৰৱালা, নবীন চন্দ্ৰ বৰদলৈ, নলিনীবালা দেৱী, পদ্মধৰ চলিহা আদি কবি সাহিত্যিক সকলে।

অসমীয়া জাতিৰ অতীত গৌৰৱৰ সোঁৱৰণি আনি অসমীয়া প্ৰাণত জাতীয় চেতনাৰ, দেশাত্মবোধৰ পুনৰজাগৰণ আনিবলৈ বেজবৰুৱা দেৱে সেয়েহে গাইছিল স্বদেশ প্ৰীতিৰ গান—

"আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হম?
সকলো আছিল, সকলো আছে, নুগুনো নলওঁ গম।"

কবিয়ে আকৌ, অসমীয়াৰ বুকুত হেৰোৱা গৌৰৱৰ ঐতিহ্য পুনৰ জিলিকি উঠাৰ সম্ভেদ দেখি অসমীয়াক অনুপ্ৰাণিত কৰিছে এইদৰে ·

"বাজক ডবা বাজক শঙ্খ, বাজক মৃদঙ্গ খোল
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।"

বিশ্বৰ ইতিহাসত অসম ইয়াৰ যশ ৰাশিবে গৌৰৱান্বিত। মাতৃ-পূজাৰী বেজবৰুৱা দেৱৰ মন আছিল নৱ-আলোকেৰে পুৰণিক আতৰাই অসমীৰ চোতালত বহি পৃথিবীৰ বুকুত নৱ-প্ৰভাতৰ জয়গান শুনাব -

"নতুন প্ৰাণৰ নচকু যুৰি
দীপিতি ঢালি দে তাত
পুৰণি পৃথিবী নকৈ চাই লওঁ
হে বীন এবাৰি মাত।"

বেজবৰুৱাৰ প্ৰৱসুৱা জীৱনটোত সুজলা-সুফলা, চিৰ-চেনেহী ভাষা জননী অসমীৰ সুৱদী-সুৰীয়া মাতষাৰি আমি শুনিবলৈ পাওঁ অসমৰ জাতীয় সংগীতত অ' মোৰ আপোনাৰ দেশত। বেজবৰুৱাৰ স্বদেশ-প্ৰীতিৰ ই উজ্জ্বল প্ৰতীক।

প্ৰাক জোনাকী যুগৰ পৰা কমলাকান্ত ভট্টাচাৰ্য্য দেৱৰ লিখনীত জাতীয় চেতনা আৰু দেশাত্মবোধৰ ধাৰা প্ৰবাহিত হয়। "জাতীয় গৌৰৱ" আৰু "পাহৰণি" কবিতাত পাহৰণি ৰাক্ষসীণীয়ে গ্ৰাস কৰি পেলোৱা অতীত অসমৰ গৌৰৱ উদ্ধাৰৰ প্ৰেৰণাকে লিপিবদ্ধ কৰিছে। অসমীয়া জাতি ঠেক মনোবৃত্তি আৰু উদাৰতাৰ অভাৱ কবিজনাই ৰাকৈয়ে অনুভৱ কৰিছিল। সেয়েহে তেওঁৰ মনৰ ক্ষোভ ব্যক্ত কৰিছিল এনেদৰে —

"শংকৰ দেৱৰ দেখো জীৱনৰ
চৰিত কেৱল ভকতত সীমা
চৈতন্য জীৱন জগত ঘোষণ
শ্মশানতে লয় শংকৰ মহিমা।"

আকৌ অসমীয়া মানুহক কবিয়ে গালি পৰাৰ চলেৰে কৈছে —

"ই অসভ্য দেশ মনুষ্যত্ব লেশ
নাই একেবাৰে ভাৰত মাজে
উলঙ্গ দেশৰ কাম কি ধোবাৰ
নোশোভে লোকক কাপোৰ সাজে।"

ধিক্ অসমীয়া মানুহ নহয়
অসম শ্মশান নহয় কোনে কয়?

ৰাজনৈতিক চেতনাই অন্তৰত তীব্ৰ জাতীয় চেতনা জগাই তোলা আন এজন কবি হ'ল অম্বিকাগিৰি ৰায়চৌধুৰী। তেখেতৰ অগ্নিবৰ্ষা ভাষাৰ কবিতা আৰু গীত সমূহে অসমীয়াৰ প্ৰাণত চিৰদিন দেশাত্মবোধৰ সুৰৰ ঝঙ্কাৰ তুলি থাকিব। ভাৰতীয় আদৰ্শৰদ্বাৰা প্ৰভাৱান্বিত এইজনা কবি সাহিত্যিক বিপ্লৱী আছিল।

"ই যে মহামানৱতা মুৰ্চ্ছিত হোৱা অতি
ঘোৰ অপমান
ই যে উৎপীৰণৰ ঘৃণিত গৰ্ব গুৰি কৰা
অভিমান।"

জাতীয় চৈতন্যই উদ্বাউল কৰা কবিয়ে মুক্তি সংগ্ৰামক অগুৱান কৰিবলৈ আকৌ গাইছিল—

"আজি বন্দোকি ছন্দেৰে সমাগত বিৰাট
নৰ নাৰায়ন ৰূপ,
পঙ্কিল পৰাধীন, কুঞ্চিত চিত্ত মন
নাই ফুল চন্দন ধূপ।"

কবি ৰায় চৌধুৰীৰ গভীৰ প্ৰেৰণা সৰ্ব্ব-ভাৰতীয় হোৱাৰ মূলতে হ'ল দেশৰ হকে মানৱ মুক্তিৰ হকে প্ৰাণ বলি দিয়াৰ ব্যাকুলতাই কবিক এক বিপ্লৱী গতিদান কৰিছিল। দেশৰ বাবে সকলোখিনি ত্যাগ কৰাৰ যি মানসিকতাই কবিক আকুল কৰিছিল তাৰেই নিদৰ্শন হ'ল -

"ই যে জীৱনৰ হকে মৰিবৰ হেতু প্ৰাণভৰা
অভিলাস
ই যে সুপ্ত জীৱন চকোৰা জগোৱা গুৰু
গম্ভীৰ তান
ই যে শত আঘাতৰ ৰক্ত ধুওঁৱা শ্ৰাৱনৰ
মহাবাণ;
ই যে মাতৃ আদেশ, সন্তান প্ৰাণ দিৱলৈকে
বলিদান।"

সুন্দৰ ভবিষ্যতৰ ছবি কল্পনা কৰা অতি চিন্তা-কৰ্ষক আৰু ভাৱৰ তৃপ্তিদায়ক কবিৰ বাস্তৱ অভিমানৰ সংকল্প বাণী কবি ৰায় চৌধুৰীদেৱে এইদৰে ঘোষণা কৰিছিল—

"গোটেই তৃপ্তি মুগ্ধ কৰিছে সৌ যে ধুনীয়া দেশ
প্ৰীতি প্ৰেমালোকে ধৌত ধৱল উজ্জ্বল অণিমেষ
বিহীন হীনতা — নীচতা ভীৰুতা, বিহীন
হিংসা দ্বেষ
সেয়েহে আমাৰ মহাসাধনাৰ মহা অভিযানৰ
শেষ।"

আকৌ চৌধুৰীদেৱৰ "ধৰ ঝাৰু ধৰ ভাই" শীৰ্ষক কবিতাতো একে সুৰ ধ্বনিত হৈছে। তলৰ কবিতাংশৰ সুৰ একেই —

"ক্ষত বিক্ষত অংগ আৱৰি
মুখেদি ৰক্ত পৰিব বাগৰি
তোৰ কলিজা কণিত পৰিব ভাগৰি
তেহে ফুলি যাব মিল
তই ভাঙিব লাগিব শিল।"

অহিংসা মন্ত্ৰেৰে দীক্ষিত অতিন্দ্ৰীয়বাদী কবি নলিনীবালা দেৱীয়ে তেওঁৰ কবিতাত মুক্তি যুজৰ অসমীয়া তথা ভাৰতীয় যুজাৰু বিলাকক বিদ্ৰোহী জাতীয়তাবাদী বিপ্লৱীৰ বেশেৰে সজাই নুতুলি মহাত্মাৰ ত্যাগৰ মন্ত্ৰেৰে মহীয়ান কবি জাতীয় প্ৰেমৰ প্ৰেৰণা দিছে এইদৰে—

"সৰ্ব জাতি সৰ্ব ধৰ্ম মহামিলনৰ
মন্দিৰ স্থাপিত হব
ভাৰতৰ নৱ তীৰ্থ দ্বাপৰৰ যমুনা তীৰত
জ্বলিব তোমাৰ জ্যোতি শিখা ভাৰতৰ প্ৰাণ
মন্দিৰত।

ভাৰতীয় সংস্কৃতি আৰু দেশাত্মবোধৰ প্ৰেৰণাৰে উদ্বুদ্ধ কৰিয়ে জীৱনৰ ত্যাগ, আত্ম-নিগ্ৰহ, জাতীয় আদৰ্শক মহত্ত্ববোধৰ প্ৰেৰণাৰে দেশৰ তৰুণ চামক আশ্বাস দিছিল—

॥ ভাৰতবাসীয়ে বিচাৰিছে
শতাব্দীৰ সঞ্চিত পাপৰ
গ্লানিময় দাসত্বৰ পাপৰ মুকুতি।
... ... ...
বিচাৰিছে তৰুণৰ
জীৱনৰ শ্ৰেষ্ঠ অৱদান।

বৰ্ণ বিভেদ, ধৰ্ম্ম বিভেদৰ প্ৰাচীৰ ভঙা মহান মানৱতাবোধত মুক্ত আৰু নিৰ্ভীক বলিষ্ঠ মনৰ কণ্ঠস্বৰ শুনিবলৈ পোৱা যায়। কবি সাহিত্যিক "বুৰঞ্জী লেখক" "কবিতাৰ লিখক" ডিম্বেশ্বৰ নেওগদেৱৰ লিখনিত। দেশাত্মবোধৰ অন্তৰালত বুদ্ধিমত্তাৰ পৰিচয় দিয়াত প্ৰতি শিৰে শিৰে স্বদেশ প্ৰীতিৰ ভাৱ জাগৰিত কৰি আশাৰ সুৰেৰে প্ৰবোধ দিব পাৰিছিল নেওগদেৱে—

"এক শতাব্দীৰ এলাহৰ পৰা
উঠিছে অসম; দাঙিছে মূৰ,
বিশ্বৰ বীণাত শুনা কি বাজিছে
নৱ-জীৱনৰ নবীন সুৰ।
দাসত্বৰ মলিন নাছিল অসম
আজিও নহয় দাসত্ব অন্ধ,
লুইতৰ দৰে স্বাধীনতা সোঁত
বয় শিৰে শিৰে অপ্ৰতিবন্ধ।"

উমেশচন্দ্ৰ চৌধুৰীৰ কবিতাত নিৰস্ত্ৰ পদানত ভয় বিহবল জাতিৰ বাবে, মুক্তি সংগ্ৰামৰ আহ্বান আছে। জাতীয় চৈতন্য জগাই তুলি, স্বাধীনতা সংগ্ৰামৰ অগ্ৰগতিত প্ৰচেষ্টা চলোৱা কবিৰ কণ্ঠস্বৰ সজীৱ আৰু সতেজ। তাৰেই পৰিচয় হ'ল

"আজিও তোৰ বীণাৰ ধ্বনিত দিগ-দিগন্ত উল্লাসিত
তীৰ্থ আই মোৰ ধিয়ান আই মোৰ
স্বপ্ন আই মোৰ উদ্ভাসিত।"

ভাৰতীয় সমাজ জীৱনত নানা কুসংস্কাৰ আৰু সঙ্কীৰ্ণতাৰ স্পষ্ট চৰি দেখি পৌৰাণিক কুৰুক্ষেত্ৰ যুদ্ধৰ অৰ্জ্জুনক অংকন কৰিব বিচাৰিছে কবি বিনন্দ চন্দ্ৰ বৰুৱাই তেখেতৰ কবিতাত—

"উত্তিষ্ঠিত জাগ্ৰত প্ৰাপ্য বৰযান্নিবোধত
সন্মুখত কুৰুক্ষেত্ৰই কৰিছে গৰ্জন.
উঠা, প্ৰাৰ্থ উঠা কৰা শক্তি সঞ্চাৰ
কৰ্মময় জগতত কদ্ৰ ৰূপ ধৰি
সত্য ৰূপে অসত্যক কৰা ছাৰখাৰ॥"

স্বাধীন অসমৰ গৌৰৱৰাজি মাৰ যোৱাৰ গভীৰ বেদনাত সৈনিকৰ আক্ষেপেৰে প্ৰকাশ কৰিছে·

"কোন নৰকত হেৰ পছি বদন!
চাহিচোন অসমৰ কি হ'ল বিলাই
অন্ত তোৰ নৰকৰ শাস্তি কেতিয়াও
নহয় নহয় হেৰ জন্ম জন্মান্তৰে॥"

চিৰ বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰী দেৱে তেখেতৰ বিদ্ৰোহ ভাবাপন্ন কবিতাত বিদ্ৰোহৰ অন্তৰালত স্বদেশ প্ৰীতিৰ কথাকে প্ৰকাশ কৰিছে। তেখেতৰ ভাষা তীব্ৰ আৰু শক্তিশালী। দেশ আৰু সমাজৰ বৈষম্যই উদ্বাউল কৰা, গভীৰ উপলব্ধি আৰু অনুভূতিৰ সাক্ষৰে চৌধুৰীৰ চকুত জ্বলি উঠা বিদ্ৰোহৰ বহ্নি প্ৰজ্বলিত অগ্নিস্ফুলিংগৰ দৰে সংস্কাৰকামী অন্তৰেৰে নিৰ্য্যাতিতৰ বুকুৰ ৰক্ত লোহিতৰ নিচানেৰে মানৱৰ জয়গান গোৱাৰ প্ৰবল অভি-মান চলোৱা কবিৰ কাপে আমাক দিছে—

"সিন্ধুৰ দৰে গভীৰ হৈ সূৰ্য্যৰ দৰে জ্বলি
ব্ৰজৰ দৰে দুৰ্বাৰ হৈ উঠা আজি মহাবলী
মহাজীৱনৰ লক্ষ্য আমাৰ বিশ্বভুৱন মাজে
গৰ্জতি আজি গৰ্জি হিয়াত দুৰ্জয় বীৰতেজে।"

অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিক মহীয়ান কবি জাতীয় ঐক্য বজাই ৰাখি অসমীয়া ৰাইজক দেশাত্মবোধেৰে অনুপ্ৰাণিত কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালায়। সাংস্কৃতিক অনুভূতি আৰু জাতীয় চেতনা মূলতঃ একে কথা। সেয়েহে আগৰৱালাদেৱৰ গীতত গীত আৰু কবিতা সমূহত একে ধৰণৰ জাতীয় চেতনামূলক আৰু দেশাত্মবোধৰ সুৰ বাজি উঠা দেখা যায়। পৰাধীনতাৰ কলুষ-কালিমা আত্ম-গ্লানিয়ে, যন্ত্ৰযুগৰ যান্ত্ৰিক সভ্যতাৰ নিস্পেষণে কবিৰ মন কৰি তুলিছিল বিপ্লৱী। আৰু সেয়েহে জাতি-ধৰ্ম পাহৰি একতাৰ মন্ত্ৰেৰে দীক্ষিত হৈ দেশ মাতৃকাৰ অৱনত শিৰ উচ্চ কৰি তুলিবলৈ দেশৰ সন্তান সকলক আহ্বান কৰিছিল—

"জাগা শক্তিহীন জাগা মাতৃপ্ৰাণ
জননীৰ সন্তান।"

"চিৰ বিদ্ৰোহী" কবিতাত কবিয়ে বিদ্ৰোহী চিন্তাধাৰৰ প্ৰকাশ ঘটোৱাৰ লগতে ঘোষণা কৰিছে তেখেতৰ অমোঘ মন্ত্ৰ—

ৰূপান্তৰেহে মাথোঁ।
জগত ধুনীয়া কৰে
এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।"

আকৌ বিপ্লৱী কবিয়ে গাইছে—

"বিশ্ব বিজয় নৱজোৱান
শক্তিশালী ভাৰতৰ
সন্তান তুমি বিপ্লৱৰ।"

শক্তিশালী গীতেৰে অসম তথা ভাৰতৰ বিপ্লৱী সন্তানক সমুখ সমৰত যুজি দেশৰ স্বাধীনতাৰ দুৱাৰ মুকলি কৰিবলৈ আহ্বান কৰিছে। কিন্তু মৃত্যুক আকোৱালী লবলৈ প্ৰেৰণা দিয়া নাই। সেয়েহে কবিয়ে কৈছে

"লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই।"

এই মন্ত্ৰপূত বাণীয়ে বৰ্ত্তমান যুৱ জাগৰণক বিবাট নেতৃত্ব দিবলৈ সক্ষম হৈছে।

সুন্দৰৰ একনিষ্ঠ পূজাৰী হোৱা বাবেই জ্যোতিপ্ৰসাদ আগৰৱালা ৰাজনৈতিক বিপ্লৱী নেতা আৰু একনিষ্ঠ কৰ্মী। সেয়েহে মুক্তিৰ বাবে শিল্পীৰ অগ্নিবীণাত বিপ্লৱী সুৰ বাজে। কবি কণ্ঠত মুক্তি মন্ত্ৰ ধ্বনিত হয়। কবিৰ লিখনিত মুক্তি সংগ্ৰামৰ কাৰণে দেশৰ যুৱকৰ প্ৰতি উদাত্ত আহ্বানৰ বাণী অগ্নি অক্ষৰেৰে আত্ম প্ৰকাশ বুলি সমালোচক ভবানন্দ দেৱে মত পোষণ কৰিছে—

"বিদ্ৰোহী ব্যক্তি দগ্ধ হৃদয়ৰ মহা অগ্নিবীণ
হেৰা বন্ধু বিপ্লৱী প্ৰবীন।

.... .... .... ....

চূৰ্ণ কৰি কৰা থান বান
গোৱা বন্ধু প্ৰলয়ৰ গান।"

অগ্নিগানৰ ভূইত ফিৰিঙতি সিচা এইজনা অসমীয়া সংস্কৃতিৰ পূজাৰী আছিল এজন দক্ষ মুক্তি সৈনিকো দুস্কৃতিৰ বিৰুদ্ধে সংগ্ৰামশীল বিপ্লৱী শিল্পী আনহাতে প্ৰাণ কপোৱা হিয়া জগোৱা সুকুমৰ স্বতন্ত্ৰ পূজাৰী আছিল জনতাৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা।

"আজি জনতাৰ দুৱাৰে দুৱাৰে নতুন মন্ত্ৰ মাতি
ফুৰে চিৰ সুন্দৰ
সেয়েহে জনতা জাগি আলোক মুখী হৈ
গায় গান মহাজীৱনৰ।"

গভীৰ মানৱ প্ৰেমেৰে আপ্লুত কবি ৰূপৰ পূজাৰী; সৌন্দৰ্য্যৰ উপাসক গনেশ গগৈৰ কবিতাতো কবিয়ে অতীত তেজৰ ধমনীৰে জাগি উঠিবলৈ ডেকা দলক আহ্বান কৰিছে মহামন্ত্ৰেৰে—

"ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি ত্যাজি মান অভিমান
প্ৰেম ক্ষমা আগ কৰো প্ৰাপ্য বিচাৰত
জাতিত মানুহ আমি নহও অধীন কাৰো
দাস বুলি ভাবা নাই মানৱ ভাষাত।"

ৰাজনৈতিক সচেতনতা আৰু সংগ্ৰামশীল মনোভাব পৰিস্ফুট হৈছিল দেশাত্মবোধৰ অন্তৰালত ৰাজদণ্ডৰ বিৰুদ্ধে ৰণংদেহী মনোভাৱ। এয়েই আছিল জনগনৰ শিল্পী কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ দেৱৰ আত্ম কথা। অসম তথা ভাৰত বৰ্ষৰ দাসত্ব গুচাই স্বাধীনতাৰ বিজয় তিলক পিন্ধোৱাৰ প্ৰবল হুতাহৰ প্ৰকাশ ভংগী—

"আমাৰ বিষম পণ
পূৰ্ণ স্বাধীনতা লভিম লভিম
আগত লৈ মৰণ।"

এই মন্ত্ৰপূত বাণীৰে অসমৰ বীৰ বীৰঙ্গনা, ডেকা গাভৰুক কবিজনাই আহ্বান জনাইছিল। ৰাজনৈতিক সচেতনাতাৰ অভাৱৰ বিপৰীতে জাতীয় ভাৱেৰে দেশ উদ্ধাৰৰ মহান বাণী নৱচেতনাৰে সঞ্চাৰিবলৈ গৈ অসমীয়া সাহিত্যৰ অন্য এক বাৰ্ত্তাবাহক পদ্মনাথ গোহাঞি বৰুৱাই লিখিছে—

"চেতনা উদিছে চোৱা বল বুদ্ধি, সাহলোৱা
দেখা দুৰ্গতি
আজি সমস্যাৰ দিনে দূৰ কৰা প্ৰতিক্ষণে
স্থিৰ কৰা মতি।"

অসমীয়া সাহিত্যৰ কবিতাকাননত বিস্ময়ৰ সৃষ্টি কাৰী অন্য এক জনমানসৰ কবি দেৱকান্ত বৰুৱাদেৱে মাটিৰ বুকুত জোনাকৰ জেউতিৰে যৌৱনৰ আগমনি, অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশৰ ব্যতিক্ৰমে লাচিতৰ বীৰত্বত অভিভূত হৈ আদৰ্শবীৰৰ প্ৰাণ উতলাব পাৰিছে ৰণভেৰী আহ্বানেৰে—

"দেশৰ কাৰণে আজিও বিনায় হেজাৰ ডেকাৰ
হিয়া
দেশৰ সেনানী ! আকৌ মাথো এবাৰ
হুকুম দিয়া
আকৌ এবাৰ শুনোৱা তোমাৰ ৰণ হুংকাৰ
বাণী
আকৌ এবাৰ বঙা কৰি মৰোঁ লুইতৰ
বগা পানী ।"

অসমীয়া সাহিত্যত নতুন কাব্য আন্দোলন গঢ়ি উঠিছিল এটি দুটি তৰঙ্গ ৰূপলৈ । প্ৰখৰ সমাজ চেতনা আৰু তীক্ষ্ণ সমালোচনা জয়ন্তীযুগৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য । প্ৰতিবাদৰ কণ্ঠস্বৰত বলিষ্ঠ হোৱাৰ মূলতেই জয়ন্তীযুগৰ কাব্যক বিপ্লৱী কাব্য বোলা হয় । সেই সময়ৰ মানবীয় মূল্যবোধৰ বৈপ্লৱিক পৰিবৰ্ত্তন ঘটিছিল আৰু মহামানৱৰ বাণীত ধ্বনিত হৈছিল মুক্তিৰ নতুন শুভ বাৰ্ত্তা । মুক্তিবাণী ধ্বনিত হোৱা অসমীয়া কাব্য বুৰঞ্জীত উল্লেখ কৰিব লাগিব প্ৰগতিবাদী কবি অমূল্য বৰুৱা দেৱক । অসমীয়া কবিতাত নব্য মানবতাবাদৰ জোৱাৰ আনে তেখেতৰ কবিতাই পোন প্ৰথমে ।

কুৰি শতিকাৰ চতুৰ্থ দশকৰ আগছোৱা কালত অমূল্য বৰুৱাৰ কবিতাত জাতীয় চৈতন্যৰ অন্তৰালত ফুটি উঠিছিল প্ৰচলিত সমাজব্যৱস্থাৰ বিপৰীতে সংগ্ৰামশীল মনোভাৱ । শোষণ, নিষ্পেষণ, নৈতিকতাৰ অৱনতিৰ বিপক্ষে তীব্ৰ আক্ষেপ প্ৰকাশ পাইছে কবিৰ বেশ্যা, বিপ্লৱী, কুকুৰ আদি কবিতাত । তৰুণ কবিৰ কবিতাত চেতনা আৰু প্ৰতিভাৰ নিৰ্জন স্বাক্ষৰৰ জীয়া ৰূপনি এটি নিহিত হৈ আছিল । জাতীয় আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হোৱা কবিৰ অন্তৰত শ্ৰেণী সংগ্ৰাম চলি থাকিলে কেৱল বিপ্লৱেহে সমাজৰ গাঁঠনি নতুন কৰি জীয়া মানুহৰ বাবে সচা পৃথিবী এখন গঢ় দিব পাৰিব : এয়া আছিল কবিৰ মৌলিক চিন্তা । তাৰেই মুক্ত প্ৰকাশ ঘটিছে কবিৰ "বিপ্লৱী" কবিতাৰ মাজেৰে –

"আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস :
আমাৰ আছে ভবিষ্যতৰ সুস্থ বঙা সূৰ্য্যৰ
পিনে চকু ।"

ভাৰতীয় মুক্তি স্বপ্ন দেখা কবিয়ে মুক্তিৰ স্বপ্ন বাস্তৱত ৰূপায়িত হোৱা নেদেখিলে । মাথো ভবিষ্যতৰ সুস্থ বঙা সূৰ্য্যহে দেখা পালে ।

আধুনিক অসমীয়া কবিতাত সাম্প্ৰতিক কালচোৱাত আটাইতকৈ শুভক্ষণ হৈছে সাম্প্ৰতিক কালৰ এদল সমাজ আৰু জাতীয় চেতনাৰে পুষ্ট তৰুণ কবিৰ আৱিৰ্ভাৱ । স্বাধীনতা লাভৰ সুদীৰ্ঘ কালছোৱাতো ভাৰতীয় জনগণৰ অৰ্থ-

নৈতিক দিশৰ পৰিবৰ্ত্তন নহ'ল। ভাবতীয় জনতাৰ সৰ্বাত্মক মুক্তিৰ বাবে এই সকল নবীন লিখকে এক প্ৰচণ্ড বিপ্লৱৰ পোষকতা কৰিলে। প্ৰাচীন আচাৰ অনুষ্ঠান, ধৰ্মীয় বিশ্বাস আৰু ঐতিহ্যৰ প্ৰতি বিৰাগ মান এই চাম অতিকে বাস্তৱ সচেতন কবি। অমূল্য বৰুৱা, ধীৰেণ দত্ত, ভৱপ্ৰসাদ ৰাজখোৱা, আব্দুছ চাত্তাৰ আদি সমাজ সচেতন কবি সকলৰ লগত বৰ্ত্তমানৰ কবি সাহিত্যিক খিনিৰ পাৰ্থক্য আছে। ৰাজনৈতিক ভাবেও সচেতন এই চাম কবিৰ সংগ্ৰামী মনোভাবক জনতাই হেজাৰবাৰ সোঁৱৰিব।

" বাৰে বাৰে উজুটি খায়ো আগবাঢ়িছো
শোষণ মুক্তিৰ গান গোৱা
মেহনতী জনতাৰ বুকুৰ তেজেৰে বঞ্চিত
সৌখন পতাকাৰ তললৈ ॥"

জনতাক নতুন জাগৰণৰ বাবে প্ৰস্তুত কৰা হৰপ্ৰিয়া বাৰুকিয়ালৰ কবিতাত এই সুৰ পৰিস্ফুট। চিত্ৰকল্পৰ ৰুচিসম্মত আৰু যথাৰ্থ ব্যৱহাৰে কবিতা সমূহক তেজস্বীতা প্ৰদান কৰা আন এজন কবি চিৰঞ্জীৱ জৈন। জাতীয় চেতনাৰ মুক্ত প্ৰকাশ—

"অহৰহ ৰক্তত জীয়াই ৰাখিছোঁ।
উদ্বেলিত ক্ৰোধত কাড়হীন ধেনু।"

পৰিশেষত কব লাগিব, চিন্তাৰ বিশালতা আৰু জাতীয় চেতনা আৰু দেশাত্মবোধৰ গভীৰতাত অসমীয়া কাব্য সাহিত্যই ক্ৰমবিকাশৰ প্ৰবাহমান গতি ধাৰাত জাতীয় ভাৱৰ শীৰ্ষ বিন্দু চুইছে। জীৱন্ত কবিতাৰ বিকাশ হলে নতুন প্ৰতিভাৰে প্ৰতিভাত অসমীয়া কবিতাই জাতীয় চেতনাক সজীৱ কৰি ৰাখিব, তাতো সন্দেহ নাই।

তাৰোপৰি অসমীয়া কবিতাত জাতীয় চেতনাৰ মূল্যাংকন আজিৰ নহয়। প্ৰগতিশীল সমাজৰ সাহিত্য, সংস্কৃতিত, দেশৰ ঐকান্তিক চেতনাৰে কবি সাহিত্যিকে জাতি গঠনত যি বৰঙণি দি গ'ল তাক বৰ্ণনা কৰা দুঃসাধ্য নহলেও বহুখিনি মনন শীলতাৰ আৱশ্যক বোধ কৰা যায়।

সি যিকি নহওক দেশাত্মবোধেৰে অগ্ৰগণী নবীন প্ৰবীন দুয়োচাম কবি সাহিত্যিকৰ কবিতাত আমি পাইছো জাতীয় চেতনাৰ অমূল্যতত্ব।

## সহায়লোৱা গ্ৰন্থপঞ্জী ---

১। অসমীয়া কবিতাৰ কাহিনী— ভবানন্দ দত্ত
২। কবি আৰু কবিতা— নন্দ তালুকদাৰ
৩। বিভিন্ন আলোচনীৰ প্ৰবন্ধ।

# ★ অসমৰ ভাষা সাহিত্য জগতলৈ বেজবৰুৱাৰ দান ★

শ্ৰীত্ৰিবেণী শৰ্ম্মা ভাগৱতী

বৃটিছ শাসনৰ প্ৰাৰম্ভিক কালত অসমীয়া ভাষাই চৰম দুৰ্গতিৰ সম্মুখীন হব লগীয়া হৈছিল। বৃটিছ শাসক সকলৰ চৰম অজ্ঞতাৰ বাবে অসমীয়া ভাষা অসমৰ পঢ়াশালি আদালত আদিৰ পৰা স্থানান্তৰিত হব লগীয়া হ'ল। বঙালী ভাষাই অসমৰ পঢ়াশালি আদালতৰ ভাষা হিচাবে আসন গ্ৰহণ কৰিলে। মিছনাৰী সকল আৰু অসমৰ কেইজনমান পণ্ডিতৰ আশাশুধীয়া যত্নত অসমীয়া ভাষা অসমৰ পঢ়াশালি আদালতৰ ভাষা ৰূপে পুণৰ প্ৰৱৰ্ত্তিত হ'ল যদিও অৱস্থাৰ বিশেষ পৰিৱৰ্তন হোৱা দেখা নগল। অসমীয়া মানুহৰ মনত এটা হীনমন্যতাৰ ভাবে দেখা দিলে। অসমীয়া মানুহৰ আত্মবিশ্বাস হেৰাই গ'ল। অসমীয়া মানুহৰ নিজৰ মাতৃভাষা অসমীয়া ভাষাৰ প্ৰতি অৱজ্ঞাৰ ভাব সৃষ্টি হ'ল। অসমীয়া ভাষাৰ এই দুৰৱস্থাৰ দুৰ কৰিবৰ বাবে এক সুদৃঢ় পদক্ষেপ আগবঢ়ালে প্ৰবাসী অসমীয়া ছাত্ৰ সকলে। তেওঁলোকৰ প্ৰচেষ্টাৰ ফল স্বৰূপে জন্ম হ'ল "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ৰ। সেই প্ৰবাসী অসমীয়া ছাত্ৰ সকলৰ ভিতৰত বেজবৰুৱা আছিল অগ্ৰগণী পুৰুষ। সুযোগ্য অসম সন্তান বেজবৰুৱাই মৰহিযাব ধৰা অসমীয়া মানুহৰ মনত আত্ম গৌৰৱৰ ভাৱ সৃষ্টি কৰিবলৈ নানা ভাবে চেষ্টা কৰিছিল। অসমীয়া জাতিক সু-প্ৰতিষ্ঠিত কৰিবলৈ. অসমীয়া মানুহৰ কু অভ্যাস, কু সংস্কাৰ সমূহক ব্যঙ্গ কৰি আতৰাবলৈ যত্ন কৰিছিল। তেওঁ অসমীয়া সাহিত্যৰ সকলো দিশৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰি বৰঙণী আগবঢ়াইছিল. অসমীয়া কথা শৈলিক এক সু প্ৰতিস্থিত ৰূপ দান কৰিছিল।

বেজবৰুৱা দেৱৰ সাহিত্যিক জীৱন আৰম্ভ হয় অসমীয়া ভাষা উন্নতিৰ সাধিনী সভাৰ মুখপত্ৰ "জোনাকী" আলোচনীৰ পাতত। জোনাকী আলোচনীৰ প্ৰথম বছৰ প্ৰথম

সংখ্যাতেই প্ৰকাশিত হয় বেজবৰুৱাৰ "লিতিকাই" নামৰ ধেমেলীয়া সাধুকথা এটাৰ নাট্যৰূপ দি ৰচনা কৰা "লিতিকাই" নামৰ ধেমেলীয়া নাটকখন। সাতজন মহামূৰ্খ'ই কেনেকৈ নিজৰ অজ্ঞতাৰ বাবে এজন বামুণৰ লগুৱা হব লগা হ'ল আৰু সিহঁতৰ মূৰ্খামী আৰু ধূৰ্ত্তালীৰ বলত বামুনৰ নি নগুৱ নাগতিৰ দশা হৈছিল তাৰ কাহিনীৰ ওপৰত ভিত্তি কৰি অসমীয়া সমাজত প্ৰচলিত সাধু কথাক নাট্য ৰূপ দি অসমীয়া নাট্য সাহিত্য জগতলৈ বৰঙণি আগবঢ়ায়। কলিকতাৰ প্ৰেচিডেন্সি কলেজত পঢ়ি থকা অৱস্থাত প্ৰতি সপ্তাহৰ শনি আৰু ৰবিবাৰে কলিকতাৰ ইডেন গাৰ্ডেনৰ উপবনত বহি এটা এটা দৃশ্য ৰচনা কৰি জোনাকীত প্ৰকাশ কৰিছিল। লিতিকাই নাটকখনৰ কাহিনী পৰম্পৰাগত লৌকিক সাধু-কথা যদিও তাৰে মাজেদি বেজবৰুৱাই নিজস্ব প্ৰতিভাৰ স্ফুৰণ দেখুৱাবলৈ সক্ষম হৈছে। লিতিকাইৰ দৰে সাধুকথাক আশ্ৰয় কৰি ৰচনা কৰা তেওঁৰ আন নাটক কেইখন হ'ল—নোমল, পাচনি, চিকৰপতি-নিকৰপতি। নোমলত এজন চহালোকৰ গুনলীয়া পুতেকৰ নাম চোৰাই ঘূৰি অহাৰ বাটত হোৱা নানান দুৰ্গতিৰ কাহিনী বৰ্ণিত হৈছে। পাচনিত আলহী নহলে ভাত খাব নোৱাৰা ভকত এজনৰ তেওঁৰ পৰিবাৰৰ আলহি বিদ্বেষ ভাবৰ অন্তদ্দ্বন্দ্ব পটা। কাহিনী আৰু চিকৰপতি নিকৰপতি পোটা নিয়া চোৰৰ কাহিনী আৰু তাৰ বিচাৰৰ ওপৰত প্ৰতিস্থিত এটা সাধু কথাক নাট্য ৰূপ প্ৰদান কৰিছে। তেওঁৰ এই নাট কেইখন সাধু কথাৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা ধেমেলীয়া প্ৰহসন জাতীয় নাটক যদিও তেওঁ স্থান কালৰ সঙ্গতি ৰক্ষা কৰি, নিয়াৰিকৈ কাহিনী উপস্থাপন কৰি, প্ৰকাশ ভঙ্গীৰ বিচিত্ৰতা দেখুৱাই, মনোৰম ভাষাৰ পৰিচয় প্ৰদান কৰি বেজবৰুৱাৰ প্ৰতি-ভাৰ পৰিচয় বহন কৰি আহিছে। হয়বৰল আৰু বেতাল ষষ্ঠ বিংশতি বেজবৰুৱাৰ কাল্পনিক সামাজিক নাটক। এই দুখনত ব্যঙ্গ ৰসৰ সহায়ত বেজবৰুৱাই সেই সময়ৰ সমাজৰ চিত্ৰ ডাঙি ধৰিবলৈ সক্ষম হৈছে। এই নাটক কেই খনৰ জৰিয়তে বেজবৰুৱাই সমাজৰ অকৰ্মন্য চৰিত্ৰ কেইটামানৰ নানা দোষ দেখুৱাই দি সংস্কাৰ কামনা কৰিছে। বেজবৰুৱাৰ একমাত্ৰ পৌৰাণিক নাটকখন হ'ল কাশীদাসী মহাভাৰতৰ অন্তৰ্গত কচ আৰু দেৱযানীৰ আখ্যানৰ ভিত্তিত অমিত্ৰাক্ষৰ ছন্দেৰে লিখা 'দেৱযানী' নামৰ নাটকখন। আধুনিক যুগৰ প্ৰথম ভাগত ৰচনা কৰা পৌৰাণিক নাটক হিচাবে বেজবৰুৱাৰ "দেৱযানী"ৰ স্থান অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীত সদায় থাকিব। লোপ পাব ধৰা অসমীয়াৰ আত্ম-গৌৰৱ তথা আত্ম-বিশ্বাসৰ ভাব পুনৰুদ্ধাৰ কৰি অসমীয়া মানুহৰ অন্তৰত সোমাই পৰা হীনমন্যতাৰ ভাব দূৰ কৰিবৰ বাবে বেজবৰুৱাই ঐতিহাসিক নাটক লিখা কামত

অগ্ৰসৰ হয়। বেজবৰুৱাৰ কাপৰ পৰা ওলোৱা ঐতিহাসিক নাটক কেইখন হ'ল —চক্ৰধ্বজ সিংহ, বেলিমাৰ, জয়মতী কুৱঁৰী, গদাধৰ ৰজা। চক্ৰধ্বজ সিংহ নাটকত শৰাইঘাটৰ ৰণত কেনেকৈ মোগলৰ হাতৰ পৰা অসমৰ বিজয় গৌৰৱ ৰক্ষা পৰিল তাকেই নাট্য ৰূপত উপস্থাপন কৰা হৈছে। অসম মাতৃৰ সুযোগ্য সন্তান লাচিত বৰফুকনৰ "মোৰ দেশতকৈ মোমাই ডাঙৰ নহয়" এই অমৰ দেশ প্ৰেম মূলক বাণীৱে অসমীয়াৰ প্ৰাণত গভীৰ কৰ্ত্তব্য বোধ, উৎসাহ উদ্দিপনা চিৰ জাগ্ৰত কৰি ৰাখিব পৰা বিধৰ। নাট্যকাৰ বেজবৰুৱাই যেন সেই উদ্দেশ্যেৰেই নাটখনি ৰচনা কৰিলে এনে অনুমান হয়। আত্ম-কন্দল তথা জ্ঞাতি দ্ৰোহৰ অগনিয়ে কেনেকৈ এটা জাতি নিশেষ হৈ যোৱাৰ পথত অগ্ৰসৰ হব পাৰে তাৰেই এটা জ্বলন্ত উদাহৰণ বেজবৰুৱাৰ "বেলিমাৰ" নাটক। বেজবৰুৱাৰ "বেলিমাৰ" নাটকখন অকৰ্মণ্য ৰজা চন্দ্ৰকান্ত সিংহৰ অদূৰদৰ্শী শাসনৰ বলত সৃষ্টি হোৱা ডা-ডাঙৰীয়া সকলৰ গৃহকন্দলৰ করুণ পৰিণতি ৰূপে কেনেকৈ অসমখন মানৰ অধিকাৰলৈ গ'ল আৰু শেষত কেনেকৈ অসমৰ স্বাধীনতাৰ বেলি মাৰ গ'ল তাৰ কাহিনীৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা বুৰঞ্জীমূলক নাটক। নাটকখন ৰচনা কৰাত নাট্যকাৰ সফল হব নোৱাৰিলেও গৃহকন্দল তথা জ্ঞাতিদ্ৰোহ যে এটা জাতিৰ আত্ম-ধ্বংসৰ পথ তাকে দেখুৱাই দি অসমীয়া মানুহক একতাৰ জৰিডাল অভিন্ন কৰি ৰাখিবৰ বাবে সতৰ্ক কৰি দিবৰ বাবেই যেন তেওঁ এই নাটকখন ৰচনা কৰিলে এনে অনুমান এটা মনলৈ আহে। বেজবৰুৱাৰ ঐতিহাসিক নাট কেইখনৰ ভিতৰত "জয়মতী কুৱঁৰী" এটা সাৰ্থক নাট। অসমীয়া নাৰীৰ পতি প্ৰাণ চৰিত্ৰৰ অপূৰ্ব নিদৰ্শন জয়মতী কুৱঁৰী, জয়মতী কুৱঁৰীৰ কষ্ট সহিষ্ণুতা গুণ, দৃঢ়মনা চৰিত্ৰই প্ৰত্যেক অসমীয়া নাৰীৰ বাবে এটা আদৰ্শৰ প্ৰতীক। জয়মতী কুৱঁৰীক লৈ অসমে ভাৰত তথা বিশ্বৰ ওচৰত নিজৰ গৌৰৱ প্ৰদৰ্শন কৰিব পাৰে। তেনে জয়মতীৰ আদৰ্শ লৈ যাতে অসমীয়া নাৰী সকল উপকৃত হব পাৰে সেই উদ্দেশ্যৰেই বেজবৰুৱাই 'জয়মতী নাটক ৰচনা কৰিছে। জয়মতী কুৱঁৰীৰ প্ৰত্যেকটো চৰিত্ৰই জীৱন্তহৈ উঠিছে। বেজ-বৰুৱাৰ জয়মতী কুৱঁৰী নাটকৰ নাগিনি ছোৱালী ডালিমিৰ চৰিত্ৰ এটা সাৰ্থক সৃষ্টি। ডালিমি যেন বেজবৰুৱাৰ নগাপাহাৰত জন্মলাভ কৰা মানস কন্যা। ডালিমিৰ স্বভাৱ সুলভ সৰলতাই মানুহক আকৰ্ষণ কৰে। বেজ-বৰুৱাৰ নিপুন হাতৰ পৰশে 'জয়মতী কুৱঁৰী' নাটকে সতীৰ আত্ম বলিদানে অন্যায় অনধি-কাৰৰ বিনাস ঘটাই ন্যায় নিষ্ঠতাৰ প্ৰতিষ্ঠা কৰাত কেনেকৈ সহায়ক হব পাৰে দেখুৱাই দিবলৈ সক্ষম হৈছে। বেজবৰুৱা দেৱৰ এই 'জয়মতী কুৱঁৰী' নাটক খনক লৈ জ্যোতি-প্ৰসাদ আগৰৱালা দেৱে প্ৰথম অসমীয়া কথা

ছবি "জয়মতী" জন্ম দিবলৈ প্ৰেৰণা পাইছিল। বেজবৰুৱাৰ "গদাধৰ ৰজা" নাটকখন অঙ্ক দৃশ্য বৰ্জিত এখন একাঙ্ক সদৃশ্য নাটক। বেজ বৰুৱাৰ ভাষাত "চৰাঘৰীয়া নাট"। নাটক খন ইতিহাসৰ গাত ভেজা দি এক কাল্পনিক কাহিনীৰে পৰিপূৰ্ণ। এই নাটক খনে অসমীয়া একাঙ্ক নাটকৰ প্ৰথম পদক্ষেপ পেলাবলৈ যত্ন কৰা যেন অনুমান হয়। বেজবৰুৱাৰ নাটক সমূহৰ বৈশিষ্ট সমূহ হাস্যৰসৰ মাত্ৰাধিকতা, বৈষ্ণৱ ভাবা পন্নতা, লৌকিক গীত মাতৰ ব্যৱহাৰ, পত্ৰ বহুলতা করুণ ৰসৰ প্ৰাধান্য নগণ্য, প্ৰায়ে মৃত্যু বা বধদৃশ্য বৰ্জন কৰা আদি। বেজবৰুৱাৰ নাট সমূহত ভাৰতীয় আদৰ্শবাদৰ প্ৰতিফলন লক্ষ্য কৰা যায়। বেজবৰুৱাৰ নাট সমূহ অসমীয়া নাট্য সমূহৰ এক অমূল্য সম্পদ স্বৰূপ।

বেজবৰুৱাৰ হাতত অসমীয়া ৰোমান্টিক কবিতাই প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয় বুলিব পাৰি। জোনাকীৰ পাতত চন্দ্ৰকুমাৰ আগৰৱালা দেৱৰ "বনকুৰঁৰী" নামৰ কবিতাটিৰ জৰিয়তে ৰোমান্টিক কবিতাৰ সৃষ্টি আৰম্ভ হয়। বেজবৰুৱাৰ কবিতা সমূহৰ একমাত্ৰ সংকলন হ'ল "কদমকলি"। বেজবৰুৱাৰ কবিতাত গভীৰ আশাবাদৰ সুৰ, স্বদেশ প্ৰেম, প্ৰকৃতি প্ৰীতি, সৌন্দৰ্য্যৰ আৰাধনা আদিৰ সুৰ প্ৰতিধ্বনিত হোৱা দেখা যায়। তেওঁৰ কবিতাৰ মাজেদি জাগতিক প্ৰেমে অতিন্দ্ৰিয় প্ৰেমলৈ উন্নতি হোৱা দেখা যায়। তেওঁ "কবিতা" নামৰ কবিতা এটিৰ মাজেদি কবিতাৰ সংজ্ঞা অতি মনোগ্ৰাহী ৰূপ পৰিগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ৰবাগী আৰু বীণ নামৰ কবিতাটিৰ জৰিয়তে অসমৰ গৌৰৱ কাহিনী উপস্থাপন কৰি বৰ্ত্তমান তাৰ দ্বাৰা অনুপ্ৰাণিত হৈ নতুন অসম গঢ়াৰ দুৰ্ব্বাৰ কামনাৰ গভীৰ আশাবাদে ভূমিকি মাৰা দেখা যায়। "প্ৰিয়তমা", "মালতী" আদি কবিতাৰ মাজেদি গভীৰ অনুভূতিৰ প্ৰকাশ লক্ষ্য কৰিব পাৰি। প্ৰকৃতিৰ অতি ক্ষুদ্ৰতম বস্তুটোও কবিৰ হাতত প্ৰাণবন্ত হৈ জিলিকি উঠিছে। বেজবৰুৱাই সাহিত্যিক বেলাড ৰচনাৰ ক্ষেত্ৰতো কৃতকাৰ্য্যতা লাভ কৰিবলৈ সক্ষম হৈছে। চন্দ্ৰ কুমাৰ আগৰৱালাৰ "তেজীমলা"ৰ দৰে বেজবৰুৱাৰ "ধনবৰ ৰতনী" প্ৰাণস্পৰ্শী সাহিত্যিক বেলাড। বনগীত, লোকগীতৰ সুৰ ধ্বনিত হোৱা সাহিত্যিক বেলাড "ধনবৰ ৰতনী"ৰ জৰিয়তে বেজবৰুৱাৰ গভীৰ অনুভূতি, সৌন্দৰ্য্যবোধৰ পৰিচয় পোৱা যায়। তেওঁৰ কবিতা সমূহৰ জৰিয়তে অসমীয়া ৰোমান্টিক কবিতাই এখন উচ্চ আসন দখল কৰিবলৈ সক্ষম হৈছে।

বেজবৰুৱাদেৱৰ হাততেই অসমীয়া পুৰণি সাধুকথা সমূহে পোহৰৰ মুখ দেখা পাবলৈ সক্ষম হয়। তেওঁ পুৰণি সাধুকথা সমূহ সংগ্ৰহ কৰি "বুঢ়ী আইৰ সাধু", "সাধুকথাৰ কুকি", "ককা দেউতা আৰু নাতি ল'ৰা" আদি সাধুৰ কিতাপ

ৰচনা কৰি থৈ গৈছে। এই সাধু সমূহ প্ৰকাশৰ জৰিয়তে মুখেমুখে চলি অহা চহা কবিৰ সহজ সৰল জীৱনৰ কাহিনীবোৰে অসমীয়া লৌকিক কাহিনীৰ ভঁৰালটোত স্থায়ীৰূপে জীয়াই থাকিবলৈ সক্ষম হ'ল। অসমীয়া সাহিত্যৰ চহকী এই দিশটো আধুনিক জগতৰ পোহৰলৈ আহিবলৈ সক্ষম হ'ল। বেজবৰুৱাই অকল প্ৰাচীন সাধু কথা সমূহ সংগ্ৰহ কৰিয়েই ক্ষান্ত থকা নাছিল। তেওঁ পাশ্চাত্যৰ আৰ্হিত আধুনিক চুটি গল্পবো অসমীয়া সাহিত্যত জন্মদান কৰে। বেজবৰুৱাৰ হাতত চুটি গল্পই জন্ম লাভ কৰিয়েই ক্ষান্ত নাথাকিল, বিকাশো লাভ কৰিলে। সেয়ে বেজবৰুৱাক আধুনিক অসমীয়া চুটি গল্পৰ জনক আখ্যা দিয়া হয়। বেজবৰুৱাৰ চুটি গল্পৰ সংগ্ৰহ কেইখন হ'ল—সুৰভি, জোনবিৰি, কেহোকলি আদি। তেওঁৰ চুটি গল্প সমূহত ভাৰতীয় আদৰ্শবাদ দেখিবলৈ পোৱা যায়। "ভদৰী" ইয়াৰ উৎকৃষ্ট উদাহৰণ। তেওঁৰ চুটি গল্প সমূহত সেই সময়ৰ সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, চলন-ফৃৰণ আদি সুন্দৰ ভাবে ফুটি ওলাইছে। তেওঁ চুটি গল্পৰ মাজেৰে অসমীয়া সমাজৰ কু-সংস্কাৰ, অন্ধ-বিশ্বাস আদিৰ সমালোচনা কৰি সংস্কাৰ কামনা কৰিছে। বেজবৰুৱাৰ চুটি গল্পৰ ভাষা মনোগ্ৰাহী। মাজে মাজে হাস্যৰসৰ আধিক্যই বেজবৰুৱাৰ চুটি গল্পৰ মানদণ্ড লাঘৱ কৰিছে যদিও প্ৰথম অৱস্থাৰ গল্প সাহিত্য হিচাবে তাৰ দোষ বিচাৰ্য্য বিষয় হিচাবে ধৰিলেই নহব। তেওঁৰ চুটি গল্প সমূহত অসমীয়া সমাজখনৰ উপৰিও ওচৰ-চুবুৰীয়া সমাজৰ চৰিত্ৰও দেখা পোৱা যায়।

বেজবৰুৱাদেৱৰ একমাত্ৰ উপন্যাসখন হ'ল "পদুমকুঁৱৰী"। পদুমকুঁৱৰী অসমীয়া ভাষাৰ প্ৰথম বুৰঞ্জীমূলক উপন্যাস। বুৰঞ্জী বিখ্যাত দন্দুৱাদ্ৰোহৰ ঘটনাৰ আলমত লিখিত "পদুম কুঁৱৰী"ত হৰদত্ত-বীৰদত্তৰ বিদ্ৰোহৰ কলীয়া ভোমোৰা বৰফুকনৰ উক্ত বিদ্ৰোহ দমনৰ ঘটনাৰ সৈতে অঙ্গাঙ্গী ভাবে জড়িত কৰি হৰদত্তৰ জীয়েক পদুমকুঁৱৰীৰ সৈতে সূৰ্য্যকোৱঁৰৰ প্ৰণয় কাহিনী আৰু তাৰ করুণ পৰিণতি দেখুৱা হৈছে। উপন্যাস খনৰ কাহিনী তেওঁ যি ধৰণে জুৰিছিল তাক উপযুক্ত ভাবে আগবঢ়াই নিয়া হলে "পদুম কুঁৱৰী" এখন সাৰ্থক উপন্যাসেই হ'লহেতেন। কিন্তু চাঞ্চল্যকৰ ঘটনা, অপ্ৰয়োজনীয় বৰ্ণনা অস্বাভাৱিক পৰিণতিয়ে উপন্যাসখনক সাৰ্থক উপন্যাস হিচাবে প্ৰতিষ্ঠা লাভ কৰাৰ পথত হেঙাৰ স্বৰূপে থিয় দিলে। অসমীয়া সাহিত্যৰ আদি ভাগৰ উপন্যাস হিচাবে অসমীয়া সাহিত্যৰ উপন্যাস ভৰাঁলত "পদুম কুঁৱৰী" উপন্যাসে এখন স্থায়ী আসন লাভ কৰি থাকিবলৈ সক্ষম হৈছে।

বেজবৰুৱাৰ কালত অসমীয়া বৈষ্ণৱ ধৰ্ম্মক বঙ্গীয় বৈষ্ণৱ ধৰ্মৰ পৰা ফাটি অহা এটা ঠাল হিচাবে প্ৰচাৰ হৈছিল। শঙ্কৰদেৱে চৈতন্যদেৱৰ পৰা বৈষ্ণৱ ধৰ্মৰ কথা ধাৰ কৰি আনি অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছে বুলি এইদল সমালোচকে প্ৰচাৰ কৰিছিল। বেজবৰুৱাই

এই অপবাদৰ পৰা অসমীয়া বৈষ্ণৱ ধৰ্মক ৰক্ষা কৰিবলৈ আৰু আমাৰ অসমৰ বৈষ্ণৱ ধৰ্মৰ স্বকীয়তা প্ৰতিপন্ন কৰি অসমীয়া মানুহৰ অন্তৰত আত্ম-বিশ্বাসৰ ভাব ঘূৰাই আনিবৰ বাবে চেষ্টা কৰি বেজবৰুৱাই কলম ধৰিবলৈ বাধ্য হৈ পৰিল। তেওঁ ধৰ্ম শাস্ত্ৰ সমূহৰ গভীৰ ভাবে অধ্যয়ণ কৰিলে। প্ৰাচ্য-পাশ্চাত্যৰ ধৰ্মশাস্ত্ৰ অধ্যয়ন কৰি তাৰে সৈতে তুলনা কৰি চাই মহাপুৰুষ শঙ্কৰদেৱৰদ্বাৰা প্ৰবৰ্ত্তিত নৱ-বৈষ্ণৱ ধৰ্মত জীৱনৰ চৰম সত্য বিচাৰি পাবলৈ সক্ষম হ'ল। গীতা ভাগৱত, কীৰ্ত্তন, নাম-ঘোষা, ভক্তি ৰত্নাৱলী আদি বৈষ্ণৱ ধৰ্মগ্ৰন্থ সমূহে তেওঁক আধ্যাত্মিক বিশ্বাসৰ দৃঢ় ভেটি প্ৰদান কৰিলে। তেওঁ শঙ্কৰদেৱ মাধৱদেৱৰ নৱ-মূল্যায়ন কৰিবলৈ "শঙ্কৰদেৱ" আৰু "শঙ্কৰদেৱ মাধৱদেৱ" ৰচনা কৰিলে। তেওঁ ধৰ্মগ্ৰন্থ সমূহৰ বিভিন্ন তত্বৰ ওপৰত নিৰ্ভৰ কৰি মহাপুৰুষীয়া ধৰ্ম শ্ৰীশঙ্কৰদেৱ প্ৰচাৰিত ধৰ্ম সাকাৰ উপাসনা নে নিৰাকাৰ উপাসনা, ধৰ্ম আৰু ঈশ্বৰ তত্ব, সগুণ আৰু নিগুণ ধৰ্ম তত্ব, শ্ৰীকৃষ্ণতত্ব, বস্ত্ৰহৰণ তত্ব, ৰাসলীলা তত্ব, বেদাদি তত্ব, গীতা তত্ব, কীৰ্ত্তন আৰু ঘোষা তত্ব, ভক্তি তত্ব, নামধৰ্ম তত্ব আদি কেইবাটাও তত্বমূলক প্ৰৱন্ধ ৰচনা কৰিলে। এই তত্বমূলক প্ৰৱন্ধ সমূহৰ জৰিয়তে বেজবৰুৱাৰ গভীৰ অধ্যয়ন আৰু তত্ব জ্ঞানৰ পৰিচয় পোৱা যায়। এই তত্বমূলক প্ৰৱন্ধ সমূহত বেজবৰুৱাদেৱে সহজ ভাষাত বুজি পাব পৰাকৈ ধৰ্মৰ গভীৰ তত্ব সমূহ আলোচনা কৰি তাৰ মহত্ব দেখুৱাই দিছে। তেওঁৰ তত্বমূলক প্ৰৱন্ধ সমূহ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ।

বেজবৰুৱাৰ সাংবাদিক জীৱনো লেখত লবলগীয়া। তেওঁ অসমীয়া ভাষা উন্নতি সাধিনি সভাৰ মুখপত্ৰ "জোনাকী" কাকতৰ মাজেদিয়ে সাংবাদিক হিচাবে পৰিচয় দিবলৈ সক্ষম হয়। প্ৰথম বছৰ জোনাকী কাকতৰ সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালাদেৱ। দ্বিতীয় বছৰৰ পৰা লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰদ্বাৰা সম্পাদিত হয়। তেওঁৰ সাং-বাদিক জীৱনৰ পূৰ্ণবিকাশ হয় তেওঁৰ সম্পাদনাত ওলোৱা "বাঁহী" কাকতৰ মাজেদি। বাঁহীয়ে যেন সপ্তসুৰৰ ঝঙ্কাৰ তুলি অসমীয়া সমাজক মতলীয়া কৰি থৈ গ'ল। সাংবাদিক হিচাবে বেজবৰুৱা নিৰ্ভীক আৰু স্বতন্ত্ৰীয়া আছিল। অন্যায় অবিচাৰৰ প্ৰতিবাদ কৰিবলৈ তেওঁ কেতিয়াও পিছ নপৰিছিল। য'তেই তেওঁ অন্যায় অবিচাৰ দেখিছিল ততেই তেওঁ নিৰ্ভীকভাৱে প্ৰতিবাদ কৰিছিল। তেওঁৰ প্ৰতিবাদৰ লিখনীৰ বিক্ৰম অতি শক্তিশালী আছিল। তেওঁ সাংবাদিকতাৰে অসমীয়া ভাষা সাহিত্যৰ বিপক্ষবাদী সকলৰ প্ৰতি ৰণ দিব লগীয়া হৈছিল। অসমীয়া ভাষা সাহিত্যৰ ষড়যন্ত্ৰকাৰী সকলক যোগ্য প্ৰত্যুত্তৰ দি অসমীয়া ভাষা সাহিত্যক উচ্চ আসনত প্ৰতিষ্ঠা কৰিবলৈ

যত্ন কৰিছিল। সাংবাদিক বেজবৰুৱাৰ লিখনি বিক্রমে প্রতিবাদী সকলক থৈয়া নথৈয়া দেখুৱাই দিছিল। লিখনী বিক্রমৰ হুংকাৰে তেওঁলোকক নীৰৱ কৰি তুলিছিল।

বেজবৰুৱাৰ হাস্য ৰচনাই পাঠকক অতি সহজে আকর্ষণ কৰে। হাস্য ৰচনাৰ বাবে তেওঁ কৃপাবৰ বৰ বৰুৱা নামেৰে আত্ম প্রকাশ কৰে। তেওঁৰ কৃপাবৰী ৰচনাৰ সংকলন কেইখন হ'ল— কৃপাবৰ বৰ বৰুৱাৰ কাকতৰ টোপোলা, বৰ বৰুৱাৰ বুলনি, কৃপাবৰ বৰ বৰুৱাৰ ওভোটনী, বৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি আদি। বৰ বৰুৱাৰ ৰূপত বেজবৰুৱাই অসমৰ সমাজৰ কু-সংস্কাৰ, কু আচাৰ ব্যৱহাৰ আদিৰ সমালোচনা কৰি তাৰ প্রতিকাৰ কামনা কৰিছে। তাৰ মাজেদি পাঠক সমাজক হহুৱাইছে আৰু কন্দুৱাইছে। বিপক্ষবাদী সকলক ঠকা সৰকা কৰিছে। তেওঁৰ কৃপাবৰী চৰিত্রই মাজে মাজে আন আন ৰচনাতো ভূমুকি মাৰিবলৈ যত্ন কৰা যেন লাগে। সময়ত কৃপাবৰ বৰ বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱা দুজন পৃথক ব্যক্তি বুলি ভাবিবলৈও পাঠক সকল বাধ্য হৈ পৰে। কৃপাবৰ বৰ বৰুৱা বেজবৰুৱাৰ সার্থক সৃষ্টি। কৃপাবৰ বৰ বৰুৱা সদৃশ চৰিত্র দ্বিতীয়টো সৃষ্টি আজিকো পতি হব পৰা নাই।

বেজবৰুৱাৰ অসমীয়া সাহিত্যলৈ মহান দান হ'ল তেওঁৰ গদ্যৰীতি। তেওঁৰ গদ্যৰীতিত ভট্টদেৱৰ গদ্যৰীতিৰ পৰা আৰম্ভ কৰি তেওঁৰ সময়ৰ সকলো ধৰণৰ গদ্যৰীতিৰ সমন্বয় ঘটিছে। তেওঁৰ গদ্যৰীতিত শব্দ চয়ন, বাক্য ৰীতি সকলো দিশতে অভিনৱ। ভাষাৰ ওপৰত থকা তেওঁৰ দখলৰ ওপৰত ভিত্তি কৰি বেজবৰুৱাৰ এটা নিজস্ব ৰীতি গঢ়ি তুলিবলৈ সক্ষম হৈছিল। ডঃ কাকতিয়ে তেওঁৰ গদ্য ৰীতিৰ প্রতি লক্ষ্য ৰাখি মন্তব্য কৰিছিল যে—"বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্রতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাতো ভাষাৰ প্রতি অবিচাৰ কৰা হয়।" বেজবৰুৱা আধুনিক অসমীয়া গদ্য ৰীতিৰ গঢ় দিওতা সকলৰ ভিতৰত প্রধানজন ব্যক্তি।


বেজবৰুৱা বহুমুখী প্রতিভা সম্পন্ন ব্যক্তি। এটা প্রবন্ধৰ জৰিয়তে বেজবৰুৱাৰ সকলো দিশ আলোচনা কৰা সম্ভৱ নহয়। বেজবৰুৱা দেৱ এজন অভিজ্ঞ ব্যৱসায়ী আছিল। তেওঁ অসমৰ সাউদ ভোলানাথ বৰুৱাৰ লগত কলিকতাত ব্যৱসায় জীৱনৰ পাতনি মেলে। পিছত তেওঁ উৰিষ্যাৰ সম্বলপুৰত কাঠৰ ব্যৱসায় কৰি জীৱনৰ এক দীঘলীয়া কাল অতিবাহিত কৰে। বেজবৰুৱাত স্বদেশ প্রেমী স্বাধীন ব্যৱসায়ী, সাহিত্যিক গোটেই কেইটাদিশৰ সমন্বয়ঘটিছিল। নাগপুৰৰ ভাৰতীয় কংগ্রেছ মহাসভাৰ অধিবেশনত তেওঁ অসমৰ এক মাত্র প্রতিনিধি ৰূপে যোগদান কৰিছিল। সম্বলপুৰত থকা কালত বেজবৰুৱা একেৰাহে তিনিবাৰ সম্বলপুৰ পৌৰ সভাৰ সদস্য হৈছিল। তেওঁ এজন সু-নিপুন

অভিনেতাও আছিল। কলিকতাত তেওঁৰ অভিনয়ে দৰ্শকক মুগ্ধ কৰাৰ কথা সেই সময়ৰ কাকত আলোচনীত সিঁচৰিত হৈ আছে।

কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ মাজত বৈবাহিক সম্বন্ধত আৱদ্ধ হৈও জীৱনৰ বেছি ভাগ কাল অসমৰ পৰা সুদূৰ আতঁৰ কলিকতা আৰু সম্বলপুৰত অতিবাহিত কৰিও তেওঁৰ মন অসম আৰু অসমীয়াৰ বাবে আৱদ্ধ আছিল। অসমৰ সাহিত্য জগতত বেজবৰুৱা এজন নেতৃত্ব বহনকাৰী ব্যক্তি। তেওঁ অসম আৰু অসমৰ সাহিত্য জগতলৈ যি দান দি গ'ল সেই দান আন কাৰো সৈতে তুলনা কৰিব নোৱাৰি। অসমৰ সাহিত্য জগতৰ ইতিহাসৰ ৰূপালী পাতত তেওঁৰ মহান দানৰ কথা সোণালী আখৰেৰে জিলিকি থাকিব।

★

# মঙ্গলদৈ মহাবিদ্যালয় ছাত্র একতা সভা ( ১৯৮৫-৮৬ চন )



প্ৰথম শাৰী :— ( বহি বাওঁফালৰ পৰা ক্ৰমে ) অধ্যাপক বিজয় গোস্বামী, ( সাংস্কৃতিক বিভাগ ), অধ্যাপক ৰমেন ৰয়, অধ্যাপক সন্তো শৰ্ম্মা, অধ্যক্ষ ডঃ পূৰ্ণ চন্দ্ৰ বৰা, অধ্যাপক ক্ষিতেশ্বৰ কোচ, অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা, ( ভাঃ প্ৰাঃ অধ্যাপক ছাত্ৰ একতা সভা ), অধ্যাপক মতিৰাম মেধি, ( তত্বাৱধায়ক আলোচনী বিভাগ ), অধ্যাপক ৰমনী চহৰীয়া ( সমাজ সেৱা বিভাগ ), অধ্যাপিকা উষা বৰা ( সাহিত্য বিভাগ )।

দ্বিতীয় শাৰী :— ( থিয় হৈ ক্ৰমে ) সৰ্বশ্ৰী নাৰায়ণ চহৰীয়া ( সঃ ছাত্ৰ জিৰণি কোঠা ), শিৱ প্ৰসাদ বৰুৱা, ( সঃ আলোচনী বিভাগ ), মুকুল বৰুৱা সঃ সুকুমাৰ ক'লা ), হৰেন্দ্ৰ ৰাজবংশী ( সঃ সাংস্কৃতিক বিভাগ ), ৰুণজুণ গগৈ ( সঃ ছাত্ৰী জিৰণি কোঠা ), খনীন্দ্ৰ ডেকা ( সঃ ব্যায়াম শালা ), সংৰাম ডেকা ( সঃ তৰ্ক বিভাগ ), প্ৰসন্ন কুমাৰ শইকীয়া ( সাধাৰণ সম্পাদক ), কন্দৰ্প চহৰীয়া সঃ সাঃ সম্পাদক ), মনি কঙ্কন বৰুৱা ( সঃ সমাজ সেৱা ),

{ হেৰম্ব বেজবৰুৱা ( সঃ খেল বিভাগ )
ডুলেশ ডেকা ( সঃ সাহিত্য বিভাগ ) } অনুপস্থিত

# সমন্বয়ৰ মহাতীৰ্থ মঙ্গলদৈ

শ্ৰীকনক চহৰীয়া

আজি এখন নতুন অসম গঢ়িবলৈ সকলোৱেই চিঞৰিছে "ঐক্য-শান্তি-প্ৰগতি"। হেজাৰ জনৰ লগত আমিও চিঞৰিছো "ঐক্য-শান্তি-প্ৰগতি'। এই মহামন্ত্ৰ এই সম্প্ৰীতিৰ আহ্বান আজিৰ নহয়। এই মহামন্ত্ৰ আজিৰ পৰা ৫০০ বছৰ আগতেই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে অসমীয়া জাতিক দি থৈ গৈছিল। তেওঁ লিখিছিল -

"কিৰাত কছাৰী গাৰো খাছী মিৰি
যৱন কঙ্ক গোৱাল,
অহম মূলক বজক তুৰক
কুৱাচ ম্লেচ চণ্ডাল"॥

নানা জাতি আৰু উপজাতিক একতাৰ দোলেৰে বান্ধ খুৱাই এক মহান অসমীয়া জাতি গঠন কৰাই আছিল তেৰাৰ এই মহামন্ত্ৰৰ মূল।

একেই উদেশ্য আগত ৰাখি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদেও ৰচিছিল— "মৱেই হিন্দু মৱেই মুছলিম"। আৰো আজি কবি সাহিত্যিক এংবং তেৰাং দেৱে লিখিছে

কাৰ্বি কছাৰি ডিমছা বেংমাৰে
অসমী আইৰ শিৰ উজ্বলাওঁ
থৈইংলঙৰ চেনেহ দোলেৰে
মহান অসমীয়া জাতি গঢ়াও॥

বৈচিত্ৰৰ লীলা ভূমি অসমী আইৰ বুকুত থকা জনজাতিখিনিৰ মাজতো সেই একেই সমন্বয়ৰ সূচনা। এই গোটেই অসমৰ ভিতৰতেই জাতি, ভাষা, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে সমন্বয়ৰ যি মহান এনাজৰী ডাল গঢ়ি উঠিছে সেই ক্ষেত্ৰত অসমৰ আন আন ঠাইৰ লগতে মঙলদৈৰ নামটোও উল্লেখ যোগ্য। আমি এই প্ৰবন্ধত তাকেই চমুকৈ আলোচনা কৰিব বিচাৰিছোঁ।

অলপ ভালদৰে চালে আন সকলো ঠাইতকৈ আচলতে মঙ্গলদৈতেই সমন্বয়ৰ এনাজৰী দাল বেছি কটকটীয়া হৈ থকা দেখা যায়। যি মঙ্গলদৈত, এক অসমীয়া বুলি ভিন ভিন সম্প্ৰদায়ৰ মানুহে দেশৰ কাৰণে যুঁজি প্ৰাণ বিসৰ্জন দি ধৰ্মকো নেওচি একেলগে এটা গাঁতত

১৪০ জন মানুহ শুই পৰিছিল, যি মঙলদৈত হিন্দু-মুছলিম উভয়ে একেলগে একেখন ৰভাতলিত ওজাপালি অনুষ্ঠান পৰিবেশন কৰিছিল, যি মঙলদৈত হিন্দু-মুছলমান উভয়ে নামঘৰ সাজিছিল, যি মঙলদৈত একেঠাইতে একেলগে আজান আৰু নামৰ সুৰ ভাহি আহিছিল, সেই মঙলদৈ। য'ত সমন্বয়ৰ মহা সমাবোহ ঘটিছে, য'ত যুগে যুগে উচ্চাৰিত হৈ আহিছে সমন্বয়ৰ সেই মহামন্ত্ৰ।

মঙলদৈত মুছলমান ওজা আছিল বুলি কলে হয়তো আজি তৰুণচামৰ বিশ্বাস কৰিবলৈ টান কিন্তু আমি যদি দৰঙী ৰজাৰ দিনলৈ আগুৱাই যাও তেন্তে দেখা পাম সচায় মঙলদৈৰ ৰজাৰ হাউলীত যি মাৰৈ পূজা হৈছিল তাত হিন্দু ওজাপালিৰ লগতে মুছলমান ওজাপালিয়েও গীত-মাত পৰিবেশন কৰিছিল। ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ হ'ল ছিপাঝাৰৰ পশ্চিমে থকা মাৰৈ গাওঁৰ ৺পৰশু আলি, এওঁ শুকনান্নী ওজা আছিল। বিখ্যাত মাৰৈ পূজাৰ ওজা কাৰণেই হেনো গাওঁখনৰো নাম মাৰৈ গাওঁ হোৱা বুলি শুনা যায়। শুনামতে মাৰৈ পূজাৰ শেষ দিনা দৰঙী ৰজা সকলে এই মুছলমান ওজাৰেই পূজাৰ কাম শেষ কৰিছিল। নিশ্চয় মুছলমান সম্প্ৰদায়ৰ সংস্পৰ্শলৈ অহাৰ কাৰণেই মঙলদৈৰ কবি নাৰায়ণদেৱৰ "পদ্মপুৰাণ"ত কাৰবালাৰ "হাচান-হুচেইন"ৰ কাহিনীও সোমাই পৰে ফলত আজিও ওজাপালিয়ে তাক পৰিবেশন কৰে। ই সচাকৈয়ে সমন্বয়ৰ এক মহান নিদৰ্শন।

ইয়াৰ পিছতেই বুৰঞ্জীৰ পাতত আজিও জিলিকি থকা বিখ্যাত পথৰুঘাটৰ ৰণ আমাৰ চকুত পৰে, য'ত আঁকা আছে সমন্বয়ৰ সেই মহান চিত্ৰখন। ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ দিনা বৰ্বৰ অত্যাচাৰী ইংৰাজ শোষক চৰকাৰৰ বিৰুদ্ধে যুজি মঙলদৈৰ পাথৰিঘাটতে হিন্দু-মুছলমান ১৪০ জন লোকে প্ৰাণ বিসৰ্জন দিছিল। স্বদেশ আৰু স্বজাতিৰ কাৰণে ধৰ্মীয় ভেদাভেদ পাহৰি বিদেশীৰ বিৰুদ্ধে যুজি একেটা গাতত শুই পৰিছিল "শেখৰৰ লিজিৰা" দোমহু শৰ্মা, তপধন ডেকা, তৰাগেয়া গৰিয়া, নৰহৰি মুক্তিয়াৰকে আদি কৰি ছয়কুৰি অসমীয়া। সমন্বয়ৰ এই মহান পাথৰিঘাটৰ প্ৰতি শ্ৰদ্ধা জনাই গীতিকাৰ শ্ৰদ্ধেয় ফজলুল কৰিমদেৱে লিখিছেই "এই গীতৰ নাম থলো পাথৰিঘাট"।

সমন্বয়ৰ মহাতীৰ্থ এই পাথৰিঘাটতেই তহ ছিলদাৰ দিদাকদ্দিন বড়াই বাইজৰ সহযোগত মহাপুৰুষীয়া নামঘৰ পুনৰ নিৰ্মাণ কৰোৱায়। সেয়েহে আমি আজিও কব পাৰো—

"শেখ সান্দসাই ইয়াতো আছিলে
সজালে নামঘৰ ভেটি,
সমন্বয়ৰ কি মহা নিদৰ্শণ
যাওক ব্ৰহ্মাণ্ডক ভেদি"॥

সেইদৰেই দৰঙী ৰজাই খন্দোৱা জয়পাল পুখুৰীৰ উত্তৰ পাৰে থকা বৰ মছজিদ আৰু দক্ষিন পূব কোণত হিন্দু ধৰ্মী লোক সকলে কৰা "নাম প্ৰসঙ্গৰ" খলাত একেলগে আজান

আৰু ববকাঁহৰ মাত ভাহি আহিছিল। ইও এক সমন্বয়ৰ মহাসমাৰোহ।

সমন্বয়ৰ সুতীৰ্থ মঙলদৈলৈ ইয়াৰ পিছতে আহি পৰিছিল অসমৰ আন আন ঠাইৰ দৰে ভাষা আন্দোলন, মাধ্যম আন্দোলন, তেল-শোধনাগাৰ আন্দোলন আৰু সদৌ শেষত অস্তিত্ব ৰক্ষা আন্দোলনৰ আহ্বান, আৰু তাৰ ফলস্বৰূপেই এক অসমীয়া বুলি ধৰ্ম্ম সম্প্ৰদায় নেওচি আগবাঢ়ি গৈছিল মানুহ গোলাপৰ কলি "মোজাম্মিল।" ফুল কুমলিয়া "মোজাম্মিলৰ" বিষয়ে সেয়ে সুপণ্ডিত ডঃ মহেশ্বৰ নেওগ দেৱে লিখিছে—

"ধনটি, তোমাৰ হাঁহিৰে ধুসৰো বছোৰা হ'ল।
তোমাৰ বক্তেৰে ধৰণী মুখৰ হ'ল।
তোমাৰ গানেৰে লুইত আগণি হ'ল।
তোমাৰ আজানে' স্বদেশ সুৰুজ হ'ল।
আঘাটে আঘাটে ৰক্তবাণী লেখি গ'লা।
চকু পানী টোকা মূক জননীৰ
কপালৰ ফোঁট হ'লা"।

মোজাম্মিল গ'লগৈ আকৌ আহিল তেল-শোধনাগাৰ আন্দোলনৰ আহবান। জাতিৰ নামত শপত খাই এইবাৰ আগবাঢ়ি গ'ল ৰেবত শৰ্ম্মা। শ্বহীদ ৰেবত শৰ্ম্মাৰ পিচতো আকৌ বিশ্বই চাব খুজিলে মঙলদৈৰ সমন্বয়, মঙলদৈৰ হিন্দু মুছলমানৰ বাপতি সাহোন সম্প্ৰীতিৰ এনাজৰীদাল কিমান কট্‌কটীয়া। আহিল আহ্বান অস্তিত্ব ৰক্ষাৰ। "অসম মৰিলে আমিও মৰিম অসম তৰিলে আমিও তৰিম" মহামন্ত্ৰৰে দীক্ষিত হৈ জাতি ভাষা ধৰ্ম বৰ্ণ সম্প্ৰদায় নিৰ্বিশেষে ওলাই গ'ল মঙলদৈয়া ৰাইজ আৰু এই মাতৃপূজাতেই প্ৰবীণ মহন্ত, খগেশ্বৰ বৰুৱা, গজেন শৰ্ম্মা, লোহিত নাথ, ধনবৰ বড়ো, মকুন্দ বড়ো, কঠি মেধি, হৰগোবিন্দ্ৰ গোস্বামী আদি বহুজনৰ লগত জীৱন বিসৰ্জন দিলে কাদিৰ আলীয়ে। কাদিৰৰ জীৱন আহুতিয়েই আকৌ এবাৰ প্ৰমাণ কৰিলে মঙলদৈক সমন্বয়ৰ মহাতীৰ্থ হিচাবে। সেয়েহে আমি আজি কৈছো—

"ধন্য, ধন্য, কাদিৰ আলী
ধন্য তোমাৰ জীৱন,
দেশৰ হকে জীৱন দিলা
সমন্বয়ৰ তুলি মহা আলোড়ণ"॥

এয়া সমন্বয়ৰ কি মহান এনাজৰী। অসম তথা ভাৰতবৰ্ষৰ হয়তো এনেকুৱা ঠাই কতো বিচাৰি পোৱা নাযাব য'ত হিন্দু মুছলমানে একেলগে নামঘৰ বান্ধিলে, একেলগে গালে, একেলগে জীৱন দিলে আৰু শেষত একেটা গাঁতত গাত গা লগাই শুই পৰিছে।

সেয়ে আজি আমি শ্ৰদ্ধাৰে সুঁৱৰিছো সেই সকলৰ সেই মহান সমন্বয় যুগে যুগে মহিয়ান হওঁক। যিয়ে এক মহান অসমীয়া জাতি গঠনত, যিয়ে এক মহান ভাৰতীয় জাতি গঠনত সদায় নতুন পুৰুষক প্ৰেৰণা যোগাব, প্ৰেৰণা যোগাব ঐক্য, শান্তি আৰু প্ৰগতিৰ নতুন অসম খনলৈ বিছিন্নতাবাদী, সাম্প্ৰদায়ীকতাবাদী কুৎচিত নৈ খনৰ ওপৰেৰে যাবলৈ সমন্বয়ৰ সাঁকো হিচাবে। ※

# নাৰীৰ প্ৰতীক
# মীৰা বেনৰ
# চমু জীৱনী—

শ্ৰীনিৰ্ম্মালী ডেকা

ইংলণ্ডৰ এগৰাকী নাৰীয়ে ভাৰত স্বাধীনৰ বাবে সকলো ত্যাগ কৰি গান্ধীৰ লগত সমানে সহায় সহযোগ চলাই ভাৰতক স্বাধীন কৰিলে সেই গৰাকীৰ নামেই হ'ল মীৰা বেন।

১৮৯২ চনত ইংলণ্ডত মীৰা বেনৰ জন্ম হয়। মীৰা বেনৰ মাত্ৰ এজনীয়েই বায়েক আছিল। নাম আছিল বোণা, বেনতকৈ তিনি বছৰে ডাঙৰ আছিল। মীৰা বেনহঁতৰ দুজনী ছোৱালীৰ বাহিৰে কোনো ককায়েক-ভায়েক নাছিল। কিন্তু বেনৰ মোমায়েক বোণাতকৈ তিনি বছৰে ডাঙৰ আছিল। মীৰাহঁতৰ ঘৰত থাকিয়েই ভাই-ভনীৰ দৰে ডাঙৰ-দীঘল হৈছিল। মীৰা বেনে মোমায়েকক কেতিয়াও সম্বোধন কৰি মতা নাছিল, ঘৰত মতা নাম "এলেক্" বুলিয়েই মাতিছিল। মীৰা বেনৰ দেউতাক এজন নৌ বিভাগৰ বিষয়া আছিল। তেওঁ প্ৰায় দূৰ সমুদ্ৰত দুৰছৰতকৈ অধিক কাল কটাবলগীয়াত পৰিছিল। সেয়েহে তেওঁলোকে দেউতাকৰ লগত মুকলি মাকৰ সৈতে দেউতাকৰ গাৰৰ ঘৰ "মিণ্টনাহথ"ত প্ৰথমে আছিল। ককাদেউতাকহঁত বৰ ধনী মানুহ আছিল। থকা ঘৰ, বাৰীৰে সৈতে প্ৰায় ৬০ বিঘা মাটিয়েই আছিল। তেওঁলোকৰ কেবাখনো ঘোঁৰাৰ গাড়ীও আছিল।

মীৰা বেনে সৰুৰে পৰাই নিৰ্জনতা ভাল পায়। বায়েক ব'ডিং স্কুললৈ গৈছিল। মীৰাই তেওঁলোকৰ একমাত্ৰ সন্তান হৈ পৰিছিল। মীৰা বেনৰ একমাত্ৰ লগৰীয়া ককাদেউতাক আছিল। বেনে বাগিচাত অকলশৰে খেলি খুব আনন্দ পাইছিল। আইতাকে ল'ৰা-ছোৱালীৰ লগত খেলাহে বেছি পচন্দ কৰিছিল। ককাদেউতাকৰ লগত দুই-এটা খেল খেলিছিল। বেনৰ খেলাৰ সজুঁলি দুটা আছিল—এটা 'বান্দৰ' আৰু আনটো 'কেৰ্কেটুৱা'। বান্দৰটোৰ নাম "নিপি" আৰু কেৰ্কেটুৱাৰ নাম "স্কুইলী" ৰাখিছিল। তেওঁ দিনত সদায় ৰখা মানুহ

'বাৰ্থাৰ' সৈতে ফুৰিবলৈ গৈছিল। নিজেও ঘোঁৰা গাড়ী চলাই ফুৰিবলৈ গৈছিল। মীৰা বেনে সকবে পৰাই এটা সুখী আৰু সৌহাৰ্দ্যপূৰ্ণ পৰিবেশত ডাঙৰ হৈছিল। মীৰা বেনৰ যেতিয়া আঠ বছৰ বয়স তেতিয়া দেউতাকে বিদেশৰ পৰা লণ্ডনলৈ আহিছিল। লণ্ডনত "চিলসিৰ চিনীৱাক" নামে ঠাইত তেওঁলোক ভাৰা কৰি থাকিল। তেতিয়াই ইংলণ্ডৰ ৰাণী এলিজাবেথ ঢুকাইছিল, তেতিয়া মীৰা বেনে আকাশ-বতাহ ব্যাপি যি সৃষ্টি হৈছিল অনুমান কৰিব পাৰিছিল। চিনীৱাকতেই মীৰা বেনৰ পঢ়া-শুনা আৰম্ভ হৈছিল। তেওঁ লিখা-পঢ়া কৰি বেয়া পাইছিল। আটাইতকৈ অংক তেওঁ বেয়া পাইছিল। ভূগোল আৰু বুৰঞ্জী তেওঁৰ প্ৰিয় বিষয় হৈ পৰিছিল। মাকে মীৰা বেনক স্কুললৈ জোৰ কৰি পঠিয়াব খোজা নাছিল। তেওঁ স্কুলত হুলস্থুল কৰি থকা ল'ৰা-ছোৱালী আৰু ধৰা-বন্ধা নিয়ন্ত্ৰিত কাৰণে তেওঁ স্কুলক ভয় কৰিছিল। দেউতাক সাগৰলৈ পুনৰ উলতি যোৱাত তেওঁ-লোক পুনৰ গাৱঁলৈ উলটি গৈছিল। কিন্তু তেতিয়া ভাৰা কৰি আছিল। চাৰি বছৰৰ পিছতেই ১৯০৩ চনত দেউতাক গ্ৰীণউইচৰ "ৰয়েল নেভেল কলেজ"ৰ কেপ্তেইনত নিযুক্তি হ'ল। সেই ঠাইতো মীৰা বেনৰ নতুন নতুন অভিজ্ঞতা হৈছিল। লুচী নামৰ এগৰাকী তেওঁৰ সৰুৰে পৰাই অন্তৰঙ্গ বান্ধৱী আছিল। বোণা, লুচীয়ে ভোজ-ভাত, নাচ, গান, খুব ভাল পাইছিল। কিন্তু মীৰাই সেইবোৰ সমূলি ভাল নাপাইছিল। বাহিৰা মানুহে বোণাক বাইদেউৱেক বুলি নকৈছিল, কাৰণ বোণাৰ নাক চুটি আৰু ভোটা আছিল আৰু মীৰা বেনৰ তাৰ ঠিক বিপৰীত আছিল।

মীৰা বেন ১০ বছৰ বয়সত প্ৰথম ভাৰতলৈ আহে। ভাৰততো তেওঁ এটা ঘোঁৰা কিনি লৈ নানান ঠাই চাই ফুৰিছিল। ভাৰতত বোম্বাই, সিংহল আদি ঠাইত অধিক দিন কটাইছিল। ১৯১১ চনত ভাৰততে দেউতাকৰ চাকৰি অৱসৰ পায়। মীৰা বেনে প্ৰথমে ভাৰতত থাকি ভাল পোৱা নাছিল। কিন্তু সেই ভাৰতবৰ্ষই পিছত আকৰ্ষণ কৰিছিল। ইয়াৰ পিছত পুণৰ মিটনাহথত থাকিল। "The story of san Michele" কিতাপৰ ৰচয়িতা ডাঃ এক্সেল মান্থেৰ মুখত গান্ধীৰ বিষয়ে প্ৰথম শুনে। মীৰা বেনে জানিছিল যে, মহাত্মা গান্ধীয়ে সৰ্ব্বসাধাৰণ ৰাইজৰ কাৰণে সূতাকটাটো তেখেতৰ গঠন মূলক কামৰ আঁচনিৰ এটা প্ৰধান বিষয় আছিল। সেয়েহে তেওঁ গান্ধীৰ কামত আকৃষ্ট হৈ সূতাকটা আৰু কাপোৰ বোৱা শিকিবলৈ মন কৰি এটা যঁতৰ কিনিলে। তাৰ পিছত নিৰামিষ খাবলৈ আৰম্ভ কৰিলে আৰু লগে লগে ভাৰতীয় ভাষা শিকিবলৈ আৰম্ভ কৰিলে। বেন মহাত্মা গান্ধীৰ সাপ্তাহিক বাতৰি কাগজ পঢ়াৰ বাবে "ইয়ং ইণ্ডিয়া" খনৰ গ্ৰাহক হ'ল। মাজতে কিতাপত

দেখা পালে যে, গান্ধীয়ে ২১ দিনীয়া অনশন ব্ৰত আৰম্ভ কৰিছে। এই ব্ৰতত কৃতকাৰ্য্যতা হোৱাৰ আশাত লণ্ডনৰ পৰাই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি আছিল। পিচত খবৰ ওলাল যে, অনশন কৃতকাৰ্য্যতাৰে শেষ হ'ল। সেইবাৰে তেওঁৰ ককাদেউতাকে জন্ম দিনত উপহাৰ দিয়া এটা হীৰাৰ লকেট আছিল, তাকে বেচি বিশ পাউণ্ডৰ চেক এখন আৰু এখন চিঠি লিখি পঠালে। মীৰা বেনে ভাবিছিল চেকখন ঘূৰিহে আহিব কিন্তু কিছু দিনৰ পিচত বেডফৰ্ড গাৰ্ডেনৰ ফোনৰ টেবুলত বহি থাকোতে কোনোবা এজনে আহি এখন পোষ্টকাৰ্ড দিলেহি, পঢ়ি দেখে গান্ধীৰ চিঠি, খুব আনন্দিত হ'ল। চিঠিৰ উত্তৰত বেনে লিখিলে ভাৰতলৈ অহাৰ কথা। মহাত্মাই আশ্ৰমৰ জীৱন কঠিন বুলি জনালে। অৱশেষত তেওঁ ভাৰতলৈ অহাৰ ঠিক কৰিলে, ভাৰতত আহিবৰ বাবে কিছু গৰম কাপোৰ আৰু অলপ গহণাৰেসৈতে এটা ট্ৰাঙ্কত ভৰালে। আহিবৰ সময়ত দেউতাকে পেৰিচৰ পৰাই বিদায় দিছিল। মাত্ৰ এষাৰ কথা কৈছিল "সাৱধান হবা"। মাক আৰু বোণাই লণ্ডন ষ্টেচনত থৰলৈ আহিছিল। ১৯২০ চনৰ ২৫ অক্টোবৰ তাৰিখে পি, এণ্ড, ও জাহাজেৰে যাত্ৰা কৰি ভাৰত পালেহি। গান্ধীয়ে সাগৰৰ পাৰৰ পৰা আগবঢ়াই আশ্ৰমলৈ আনিলে। গান্ধীয়ে বেনক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল। বেনে গান্ধীক "বাপু" বুলি মাতিছিল। আশ্ৰমত আহি গান্ধীৰ নিয়মবোৰ শিকি ললে। অৱশেষত ঈশ্বৰৰ অসীম আশীৰ্বাদত দৈনন্দিন জীৱনৰ গান্ধীৰ কাৰ্য্যৱলীত বেন সোমাই পৰিল। প্ৰথমতে তেওঁ আশ্ৰমত থাকি আচহুৱা পাইছিল। সৰহ দিন, আশ্ৰমত নোহওঁতেই মীৰাই অতীতৰ জীৱনৰ ভুল-ক্ৰুটী, আশা-আকাংখাৰ কথা যিমান দূৰ পাৰে তেওঁ বুজাই কৈছিল। শান্ত আৰু গভীৰ সহানুভূতিৰে গান্ধীয়ে মীৰা বেনৰ কথা-বোৰ শুনিছিল। আশ্ৰমৰ জীৱনৰ প্ৰথম সপ্তাহতে সকলো ধৰণৰ অভিজ্ঞতা মীৰাৰ হৈছিল। তেওঁলোক থকা সৰৰমতী আশ্ৰমৰ পৰা অধিবে-শনৰ বাবে বাধা আশ্ৰমত থাকিব লগা হৈছিল। বেনে বাধা আশ্ৰমত থাকি বেছি ভাল পাইছিল।

বাপুজীৰ ওচৰলৈ অহাৰ প্ৰায় এবছৰ পিছতেই তেওঁ দেউতাকৰ অসুস্থতাৰ খবৰ পালে। কিছুদিনৰ পাছত মাকৰ পৰা এখন চিঠি পাই গম পালে যে দেউতাকৰ মৃত্যু হৈছে। তেওঁ হতাশ নহৈ ঘৰলৈ উলটি যোৱা নাছিল। মীৰাক বাপুৱে 'কন্যাগুৰুকুললৈ' পঠাইছিল। বেনে কলিকতা, বোম্বাই আদি নানান ঠাই কপাহ নেওঠি কাপোৰ বৰ জন সাধাৰণক শিকালে। বাপুই ভাৰতৰ বিভিন্ন ঠাইত জনতাৰ আহ্বানত ভ্ৰমণ কৰিব লগা হোৱাত লগত বেনে বয়-বস্তুবোৰত চকু দিছিল। গান্ধীয়ে "ডাণ্ডি যাত্ৰা" শেষ কৰি সত্যাগ্ৰহ আৰম্ভ কৰি চিমলাত গৈছিল। এই সত্যাগ্ৰহ চলি থাকোতেই মীৰা বেনৰ মাকৰ মৃত্যুৰ এখন চিঠি পায়। বেনে গান্ধীক জনালে আৰু গান্ধী

ইংলণ্ডত গলে যাব বুলি ভাৱিলে। বাপুৰ সৈতে তেওঁ নানা ঠাই ঘূৰিছিল আৰু ঘূৰণীয়া মেজমেলত যোগদান কৰিছিল। ভাৰতলৈ অহাৰ পিছত প্ৰথম ইংলণ্ডলৈ গান্ধীৰ সৈতে যাওঁতে যোৱাৰ বাটত বোমা-বোলাক দেখা দিব বুলি ভাৱিছিল। কিন্তু সময়ৰ নাটনিত দেখা দিবও নোৱাৰিলে। ইংলণ্ডত যোৱাৰ সময়তো বেনে সকলো কাম কৰিছিল আৰু গান্ধীৰ লগত তেওঁ নিৰামিষ আহাৰ খাইছিল। গান্ধীয়ে, প্ৰাথমিক কাম সমূহ চাবলৈ এটা সৰু ষ্টাফ কৰি দিছিল। সেই দিনত মুকলি ঠাই বেছি নাছিল, সেয়েহে "পম্পাছ" আদি ওখ গছৰ হাবিৰ মাজত মুকলি ঠাই মীৰাই গান্ধীৰ বাবে বিছাৰিছিল। গংগা নদীৰ পাৰত সুবিধা হয় বাবে বীৰভদ্ৰ ব্লকটো বাছি উলিয়াইছিল। এইবোৰ ঠাই অতি জংঘল আছিল সেয়েহে মীৰাই বন বিভাগৰ বিষয়াৰ সৈতে হাতীত উঠি গৈছিল।

১৯৪৬ চনত বিহাৰৰ নোৱাখালীত হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ হৈ বহুতো মানুহৰ মৃত্যু হয়। গান্ধীয়ে মনত দুখ পালে। গান্ধীয়ে বেনক আশ্ৰমত এৰি থৈ তেওঁ বিহাৰত ২১ দিনীয়া অনশন কৰিলে। পিছত এই অনশনৰ দ্বাৰাই বিহাৰত শান্তিৰ অৱস্থা এটা ঘূৰি আহে। তেতিয়া ৰাজনৈতিক সংগ্ৰাম তীব্ৰ ভাৱে চলিয়েই আছিল। ১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে বৃটিছ চৰকাৰে ঘোষণা কৰিলে যে, ১৯৭৮ চনৰ জুন মাহৰ আগ-তেই বৃটিছে ভাৰতীয় সকলৰ হাতত ক্ষমতা হস্তান্তৰ কৰাৰ কাম সম্পূৰ্ণ কৰিব। বেনে হিমালয়, কাশী আদি ঠাই ঘোৰালৈ যায় চাই আহি সকলো খবৰ গান্ধীক গোপনে জনাইছিল। দিল্লীত মাউণ্টবেটেন, কংগ্ৰেছ আৰু মুছলীমলীগৰ মাজত অন্তহীন আলোচনা চলিল। আৰু নিশ্চিত হৈছিল যে, ভাৰত দ্বিখণ্ডিত হব। বাপু প্ৰথমৰে পৰাই দেশ বিভাজনৰ বিপক্ষে আছিল। কাৰণ বহুত গণ্ডগোল হব পাৰে। গান্ধীৰ যুক্তিবোৰ কংগ্ৰেছী মন্ত্ৰীসকলে আৰু লৰ্ড মাউণ্টবেটেনে মানিছিল। লৰ্ড ৱাভেলৰ দিনৰ কাৰ্য্যৱলী চৰম অৱস্থা পাই-ছিল। আনকি ১৯৪৭ চনৰ ১৫ আগষ্টত ক্ষমতা হস্তান্তৰ কৰা হব বুলিও নিৰ্দ্দিষ্ট তাৰিখ কৰা হ ল। তেনে সময়ত বাপুৱে দেশ বিভা-জন মানি লবলৈ বাইজক পৰামৰ্শ দিছিল। ১৫ আগষ্টৰ দিনা গধূলি হৃষীকেষ, হৰিদ্বাৰ আৰু ডেৰাডুন আদি ঠাইত বন্তি জ্বলোৱাৰ পোহৰ দেখা গৈছিল। চাৰিওফালৰ পৰা বাপুলৈ অভিনন্দন আহিছিল। কিন্তু বাপুয়ে তেতিয়াও শান্তি পোৱা নাছিল। পঞ্জাব প্ৰদে-শৰ সাহসী আৰু উদ্দীপ্ত শিখ সম্প্ৰদায়ে দেশ বিভাজনৰ ফলত ভয়ানক ভাৱে আঘাট পাই-ছিল সাম্প্ৰদায়িক সংঘৰ্ষত হিংসা তীব্ৰ হৈ উঠিল। হিন্দু-মুছলমানৰ দুয়ো সম্প্ৰদায়ৰ লোকে বাস কৰা পঞ্জাৱৰ সীমাত থকা দিল্লী নগৰ ভগনীয়াৰে ভৰি পৰিল। মীৰাৰ তেতিয়া অসুখ হোৱাৰ বাবে হৃষীকেষতে আছিল।

দিল্লীত সংঘৰ্ষ হোৱাৰ আগতেই মাউণ্টবেটেন আৰু জৱহৰলাল নেহৰুৱে বাপুক পঞ্জাবলৈ মাতিছিল। বাপু অহা খবৰ পাই সকলো গণ্ডগোল বন্ধ হবলৈ আৰম্ভ কৰিলে। মীৰা বেনৰ অসুখ কম হোৱাত পুনৰ গান্ধীৰ লগত ফুৰিব ধৰিলে।

বাপুৱে ২০ জানুৱাৰীৰ পৰা প্ৰাৰ্থনা কৰে বিৰলা হাউছৰত। সেই প্ৰাৰ্থনাত বেনো আছিল। সেই দিনাই প্ৰায় বিশ গজ মান দূৰত এটি বোমা ফুটিল। মীৰাই শব্দ শুনা পালে। কিন্তু গান্ধীয়ে প্ৰাৰ্থনাত মগ্ন হৈ থকাৰ বাবে শুনা নাছিল। সেই বোমা মৰা উদ্দেশ্য গান্ধীক হত্যা কৰা। গান্ধীয়ে প্ৰাৰ্থনা বন্ধ নাৰাখি চলাই গ'ল। ৩০ জানুৱাৰীৰ দিনা বেন গান্ধীৰ লগত যোৱা নাছিল। সেই দিনাই প্ৰাৰ্থনা কৰি থকা অৱস্থাত নাথুৰাম গডছেয়ে হত্যা কৰে। লগে লগে গেষ্ট হাউচলৈ আহি মীৰা বেনক খবৰ দিলে। কিন্তু মীৰাই বাপুৰ মৃত্যুত কন্দা নাছিল। তেওঁ ভাবিছিল মাথো তৎক্ষণাত মৃত্যু হৈছিল নে নাই। বাপুৰ মৃত্যুৰ পিছত মীৰা বেনক হৃষীকেশৰ পৰা দিল্লীলৈ লৈ যাব খুজিছিল। কিন্তু বেন নগ'ল, তাতেই থাকিল গান্ধীৰ আদৰ্শ লৈ বৈ যোৱা কামবোৰ কৰি গ'ল। মীৰা বেনৰ দৰে নাৰী পৃথিৱীত বিৰল। এই গৰাকী সত্যব্ৰতী নাৰীৰ আদৰ্শ আমি সদায় অনুকৰণ কৰা উচিত। ※

---

"আজি প্ৰত্যেক অসমীয়াই সঙ্কল্প কৰা উচিত অসমক মৰিবলৈ নিদিওঁ; অসমীয়া সংস্কৃতিক লুপ্ত হ'বলৈ নিদিওঁ; অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ মালেৰে গুথি, তুনাই শক্তিশালী নতুন অসমীয়া জাতি গঢ়ো, শক্তিমান ন অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন অসমীয়া সংস্কৃতি ৰচো, সোণৰ অসম গঢ়ি আশাৰ ৰংঘৰ, আকাঙ্খাৰ কাৰেংঘৰ, কামনাৰ বাসনাৰ তলাতল ঘৰ সাজোঁ।" ..... ..... .....

— কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা।

# তেজষ্ক্ৰিয়তা আৰু মানৱ দেহত ইয়াৰ প্ৰতিক্ৰিয়া

এম. চালেহ উদ্দিন আহমেদ

তেজষ্ক্ৰিয়তা ( Radioactivity )

তেজষ্ক্ৰিয়তা আৱিষ্কাৰ এটা আকস্মিক ঘটনা। ৰঞ্জন ৰশ্মি ( X-Ray ) আৱিষ্কাৰ হোৱাৰ কেইমাহমান পাচতে হেনৰি বেকৰেল ( ১৮৯৬ ) নামে এজন ফৰাচী বৈজ্ঞানিকে 'ইউৰেনিয়াম'ৰ পৰা এই তেজষ্ক্ৰিয়া আৱিষ্কাৰ কৰে। তেওঁ, আন কিবা কিবি পৰীক্ষা সংক্ৰান্তত, সূৰ্য্যৰ পোহৰৰ অভাৱত, ইউৰেনিয়ামৰ ডাব্‌ল চালফেট্‌ কিছুমান কাগজেৰে মেৰিয়াই দেৰাজত থৈছিল। তাতে আকৌ কিছুমান ক'লা কাগজেৰে মেৰোৱা ফটোগ্ৰাফিক প্লেট আছিল। কেইদিনমান পাচত তেওঁ দেখিলে যে সূৰ্য্যৰ পোহৰ নপৰা সত্বেও অইন এক প্ৰকাৰ ৰশ্মিয়ে ফটোগ্ৰাফিক প্লেট বোৰ বেয়া কৰি পেলাইছে। গতিকে তেওঁ সন্দেহ কৰিলে যে এই ইউৰেনিয়ামৰ পৰাই নিশ্চয় এন্ধাৰতো এক প্ৰকাৰ ৰশ্মি নিৰ্গত হৈ ক'লা কাগজ ভেদ কৰি ফটোগ্ৰাফিক প্লেট বোৰ নষ্ট কৰিছে। এই কথাৰ সত্যতা তেওঁ বহুতো প্ৰমাণৰ পাচত নিসন্দেহে উপলব্ধি কৰিলে। ইয়াৰ পাচত কেবাজনো বৈজ্ঞানিকে এই সম্পৰ্কে গবেষণা কৰি পালে যে ইউৰেনিয়ামৰ বাহিৰেও অধিক আনৱিক ভাৰ বিশিষ্ট থ'ৰিয়াম্‌, ৰেডিয়াম, পোলোনিয়াম্‌ আদি বহুতো মৌলিক পদাৰ্থৰ পৰা স্বাভাৱিকতে এনে ধৰণৰ ৰশ্মি নিৰ্গত হয়। পদাৰ্থৰ পৰা এনে ধৰণৰ ৰশ্মি নিৰ্গত হোৱা প্ৰক্ৰিয়াটোকে শেষত গৈ তেজষ্ক্ৰিয়া বুলি জনাজাত হ'ল।

ৰঞ্জন ৰশ্মি ( X-Ray ) আৱিষ্কৃত হোৱাৰ পাছৰে পৰা ( ১৮৯৬ ) মানুহৰ শৰীৰৰ ছালৰ ওপৰত এই ৰশ্মিৰ অনিষ্টকাৰী ক্ৰিয়া পৰিলক্ষিত হয়। এক্স ৰশ্মি বা আন কোনো তেজষ্ক্ৰিয় বিকিৰণে ছালৰ ওপৰত ক্ৰিয়া কৰি কেনেকৈ ঘাৰ ( burn ) সৃষ্টি কৰে সেই বিষয়ে বিজ্ঞানী মেডাম্‌ কুৰিয়ে (Madame Curie) তেখেতৰ আত্মজীৱনীত লিখিছে—"He voluntarily exposed his arm to the

action of radiun during several hours This resulted in a lesion resembling a burn that developed progressively and required several months to heal it."

প্ৰকৃতিত স্বাভাৱিক অৱস্থাত পোৱা বা কোনো আনবিক বিজ্ঞানাগাৰত কৃত্ৰিম উপায়েৰে প্ৰস্তুত কৰা বা কোনো আনবিক বিস্ফোৰণত উৎপন্ন হোৱা সকলোবিলাক তেজক্ৰিয় পদাৰ্থই অনিষ্ট সাধিব পাৰে। তদুপৰি তেজস্ক্ৰিয় নিউক্লিয়াছৰ পৰা ওলোৱা আল্‌ফা বিটা আৰু গামা ৰশ্মি, খুব শক্তিশালী প্ৰ'ট্ৰণ ত্বৰকত ( accelarator ) তৈয়াৰী হোৱা ইলে'কট্ৰন, বিএক্টৰত ( reactor ) ওপজা নিউট্ৰন— এই সকলোবোৰ কম বেছি পৰিমাণে অনিষ্টকাৰী। তেজস্ক্ৰিয় পদাৰ্থৰ পৰা ওলোৱা আল্‌ফা কণিকাবোৰ সাধাৰণতে কম শক্তিৰ, বায়ূত কেইছেন্টিমিটাৰ মান হে যাব পাৰে। এনে ধৰণৰ আল্‌ফা কণিকাই মাৰাত্মক অন্যায় কৰিব নোৱাৰে যদিহে তেজস্ক্ৰিয় পদাৰ্থখিনি শৰীৰৰ ভিতৰত নোসোমায়। গামা ৰশ্মি, এক্স ৰশ্মি আৰু নিউট্ৰন শৰীৰৰ বহুখিনি ভিতৰলৈ সোমাব পাৰে। গতিকে বেছি অন্যায় কাৰী। বিটা কণাবোৰ মধ্যম ধৰণৰ— বায়ুত কিছুদূৰ যাব পাৰে যদিও শৰীৰৰ মাংস কোষৰ ভিতৰলৈ বেছি দূৰ যাব নোৱাৰে। অৱশ্যে বিটাকণা ওলোৱা পদাৰ্থ ছালৰ সংস্পৰ্শলৈ আহিলে কষ্টকৰ ঘাৰ সৃষ্টি হয়।

কি কাৰণত এই বিকিৰণবোৰ ইমান অনিষ্টকৰ ? বিজ্ঞানী সকলে স্থিৰ কৰিছে যে বিকিৰণবোৰৰ আয়নীভৱন ( ionisation ) কৰিব পৰা ক্ষমতা বা ইলে'কট্ৰনীয় উত্তেজনা ( electronic excitation ) — অৰ্থাৎ এটা পৰমাণুৰ কক্ষৰ পৰা এটা ইলে'কট্ৰন্ উলিয়াই আনিব পৰা বা উলিয়াই নিদিয়াকৈ তেনে ইলে'কট্ৰন্ এটাৰ শক্তিৰ মানদণ্ড (energy level) বঢ়াই দিব পৰা ক্ষমতা থকাৰ কাৰণেই এইটো সম্ভৱপৰ হৈছে। আল্‌ফা, বিটা, গামা আৰু এক্স-ৰশ্মিয়ে কম বেছি পৰিমাণে পোনপটীয়া ভাৱেই আয়নীভৱন বা ইলে'কট্ৰনীয় উত্তেজনাৰ সৃষ্টি কৰিব পাৰে। কিন্তু নিউট্ৰনবোৰৰ কাম পোনপটীয়া নহয়। ধীৰ নিউট্ৰন ( Slow neutron ) বোৰে শৰীৰৰ বহু মৌলিক পদাৰ্থৰ বিশেষকৈ হাইড্ৰ'জেনৰ লগত প্ৰতিক্ৰিয়া কৰে। এই প্ৰতিক্ৰিয়াৰ পাছতহে গামা ৰশ্মিয়ে শৰীৰত আয়নীভৱন বা ইলে'কট্ৰনীয় উত্তেজনাৰ সৃষ্টি কৰিব পাৰে। ধীৰ নিউট্ৰনৰ আন এটা প্ৰতিক্ৰিয়া হ'ল শৰীৰৰ ভিতৰত থকা এমিন' ( amino ) এছিডৰ লগত থকা নাইট্ৰ'জেনৰ লগত। এই প্ৰতিক্ৰিয়াত ওলোৱা প্ৰ'টনবোৰৰ যথেষ্ট আয়নীভৱন কৰিব পৰা ক্ষমতা থাকে। আনহাতে বেগী নিউট্ৰনে হাইড্ৰ'জেনৰ লগত সংঘাত ঘটাই আয়নীভৱন কৰিব পৰা খুব শক্তিশালী প্ৰ'টন তৈয়াৰ কৰে।

বৰ্তমানে গ্ৰহণ কৰা ধাৰণামতে বিকিৰণ সমূহে শৰীৰৰ জীৱিত কোষত থকা পানী আৰু অন্যান্য পদাৰ্থৰ লগত ক্ৰিয়া কৰি হয়তো কিছুমান পৰমাণু নাইবা কিছুমান মুক্ত মূলকৰ ( free radicals ) অৰ্থাৎ কিছুমান অস্থিৰ আণৱিক প্ৰজাতিৰ ( molecular species ) সৃষ্টি কৰে। এই পৰমাণু বা মুক্ত মূলকবোৰ ৰাসায়নিকভাৱে বৰ দক্ষ। সিহঁতে জীৱিত কোষত থকা অন্যান্য পৰমাণুৰ লগত গৌণ ক্ৰিয়া আৰম্ভ কৰি শৰীৰত থকা ডি-এন-এ ( DNA ) আৰু আৰ-এন-এ ( RNA ) এছিড আদিৰ স্বভাৱৰ বিকৃতি ঘটাই কোষবোৰৰ পৰিবৰ্তন আনে। কোষৰ এই পৰিবৰ্তনে শৰীৰৰ ভিতৰত ধৰিব পৰাকৈ প্ৰভাৱ বিস্তাৰ কৰে।

বিকিৰণৰ আন এটা ডাঙৰ অনিষ্টকৰ কাম হ'ল জীৱিত কোষত থকা, ক্ৰম'ছ'ম্ ( cromo some ) বোৰক খণ্ড-বিখণ্ড কৰা। ক্ৰম'ছ'মত বংশাণুগত গুণ বহনকাৰী জিন ( Gene ) থাকে। তদুপৰি বিকিৰণে গৰ্ভ-কোষকে ধৰি গোটেই কোষটো ফুলাই তোলে, কোষ ৰসৰ যান্ত্ৰতা বঢ়ায়, কোষবোৰৰ প্ৰৱেশ্যতা বৃদ্ধি কৰে আৰু কোনো কোনো ক্ষেত্ৰত গোটেই কোষটো ধ্বংস কৰে। কোষবোৰ, বিশেষকৈ ক্ৰম'ছ'মবোৰ, ধ্বংস বা নষ্ট হ'লে কোষ বিভাজন পলমকৈ হয় ফলত কোষবোৰৰ গতানুগতিক পুনৰস্থাপন নিয়মিতভাৱে নহয়। ইয়াতে উল্লেখ কৰিব পাৰি যে কোষবোৰ নষ্ট হোৱা বাবে কোষবিভাজন পলমকৈ হয়— বিকিৰণৰ এই প্ৰভাৱটো কেন্সাৰ আদি মাৰাত্মক ব্যাধিবোৰৰ চিকিৎসাৰ কাৰণে ব্যৱহাৰ কৰা হয়। এইটো মন কৰিবলগীয়া যে আৱশ্যক পৰিমাণৰ বিকিৰণ ব্যৱহাৰ কৰিলেহে কেন্সাৰ ৰোগৰ বৃদ্ধি বন্ধ হ'ব পাৰে—কিন্তু বেছি পৰিমাণৰ বিকিৰণ ব্যৱহাৰ কৰিলে টেমুনা ( tumors ) আদিও হ'ব পাৰে।

বিকিৰণে শৰীৰৰ ভিতৰতো যথেষ্ট অনিষ্টকৰ ক্ৰিয়া কৰে। বিকিৰণে তেজৰ উপাদানবোৰ আমূল পৰিবৰ্তন ঘটাব পাৰে। বিকিৰণৰ প্ৰভাৱত তেজৰ শ্বেত-ৰক্ত কণিকাৰ মুঠ সংখ্যা কমে। তেজৰ শ্বেত-ৰক্ত কণিকাৰ মুঠ কমাৰ ফলস্বৰূপে বীজাণুৱে সহজে আক্ৰমণ কৰিব পাৰে। তেজত থকা আন এবিধ কণিকা হ'ল ৰক্তবিম্বাণু ( blood platelets )। ইহঁতে তেজ গোট মৰাত সহায় কৰে। বিকিৰণৰ প্ৰভাৱত ৰক্তবিম্বাণুৰ সংখ্যা প্ৰথমে কমি পাছত বাঢ়ি যায়। লোহিত ৰক্তকণিকা ঘাইকৈ হাড়ৰ ৰঙচুৱা মজ্জাত তৈয়াৰী হয়। শ্বেত-ৰক্তকণিকা হাড়ৰ মজ্জা, লসীকা গ্ৰন্থি, টনচিল আৰু প্লীহাত উৎপন্ন হয়। হাড়ৰ মজ্জা, লসীকা গ্ৰন্থি, প্লীহা আদি ঠাইবোৰ বিকিৰণে সহজে আক্ৰমণ কৰিব পাৰে কাৰণে তেজৰ উপাদানবোৰৰ পৰিবৰ্তন ঘটে। এই একে কাৰণে চকুৰ লেন্স, প্ৰজনন তন্ত্ৰ আদি বিকিৰণ সুবেদী। আন হাতে পেশীৰ পুৰঠ কোষ, কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ, হাড় আদি ঠাই বিকিৰণৰোধক। ছাল যকৃত, হাওঁফাওঁ আদি মধ্যম ধৰণৰ ঠাই।

# কবিতা

## মই জ্যোতিপ্ৰসাদে কৈছোঁ……

শ্ৰীহৰেন্দ্ৰ কেওঁট

এন্ধাৰৰ প্ৰাচীৰ ভাঙি
তোমালোক ওলাই আহা,
নাশ কৰি কালৰাত্ৰিৰ বিভীষিকাবোৰ
উলটি চোৱাৰ আয়োজন নাই।
কৰা কেৱল পূজাৰ আয়োজন
আই-মাতৃৰ চৰণ যুগলত;
মুক্তহস্তে কৰা পুষ্প দান
প্ৰজ্বলিত কৰা আলোক বন্তি,
তোমালোকৰ বাবে আকৌ আহিছোঁ
মই জ্যোতিপ্ৰসাদে কৈছোঁ।
সেই লুইত আছেনে এতিয়া ?
যাৰ বিস্তীৰ্ণ বুকুত
হাজাৰ-বিজাৰ বন্দী সন্তানে
চমক খুৱালে অসীম বীৰত্বেৰে,
যাৰ বুকুত নবীয়া পাটীৰে
পৰাস্ত কৰিলে মোগল সেনাক
মহাবীৰ সেই লাচিত ফুকনে;
সাক্ষী হৈ আছেনে এতিয়াও সেই লুইত ?
মই তোমালোকৰ বাবে আকৌ আহিছোঁ
মই জ্যোতিপ্ৰসাদে কৈছোঁ।
অতীতৰ সেই গৌৰৱবাজি আছেনে বাজি ?
শ্যামল বননি মুখৰিত কৰি
কলা-সংস্কৃতি, গীত-মাত-নাচ
আছেনে অসম সজীৱ কৰি ?
পাৰিছে যদিও ম্লান
ভাষাৰ ভেটিটো গঢ়িবলৈ
দিয়া মন প্ৰাণ।
মই মৰি মৰিও জী আছোঁ
মই জ্যোতিপ্ৰসাদে কৈছোঁ।
ডেকা গাভৰুৰ মন উতলা কৰা
মানস পটত নতুন জোৱাৰ তোলা
সেই বিহু আছেনে আজিও ?
ঢোল-পেপাঁ, শিঙা-গগণা
বাজেনে আজিও
মুক্ত আকাশৰ তলত
মুক্ত পথাৰত ?
ছাঁটে শুকোৱা মুঠিতে লুকুৱা
মুগা বিহা চেলেংখনি
পিন্ধেনে আজিও গাভৰুহঁতে ?
তোমালোকৰ জয় অনিবাৰ্য্য,
লুইত যেতিয়ালৈ বব
তোমালোকো তেতিয়ালৈ থাকিবা।
মই তোমালোকৰ বাবেই চিঞৰিছোঁ
মই জ্যোতিপ্ৰসাদে কৈছোঁ।

# দুটি দেশপ্ৰেমৰ কৱিতা

শ্ৰীধৰ্ম্ম কান্ত বৰুৱা

## মই মাটিৰ প্ৰেমত বন্দী ঃ--

কপৌৰ কণত সাৰ পাই উঠিছিল
মোৰ ছয় ৰিপু
ঝিলিৰ মাতত ৰোমাঞ্চিত হৈছিল
গোটেই দেহ
আইক ভাল পোৱাৰ অপৰাধত
মোৰ সোঁহাতৰ তৰ্জ্জনী আঙুলিটো
সিহঁতে কাটি দিলে
তথাপিও মই হতাশ হোৱা নাই
ধনুত গুণ লগাই
দাঁতেৰে কামুৰি ধৰি আছো মই।
শব্দভেদী কাড় নিক্ষেপ কৰাৰ
দক্ষতা মোৰ আছে।
সিহঁতৰ নোদোকা শৰীৰ দেখি
মই ভয় খোৱা নাই
কঠিন দিন বোৰত বাস্তৱতাৰ সন্মুখীন হবলৈ
মই ভয় কৰা নাই
মোক মাটিৰ প্ৰেমে বলীয়া কৰিছে
বৈ থকাৰ যে আৰু
সময় নাই।

## মুক্তিৰ বাবে ঃ—

বোঁ-বোঁৱাই বৈ আছে
মোৰ শৰীৰৰ প্ৰতি টোপাল তেজ
জীয়াই থকাৰ আশাত, মুক্তি বিছাৰি
বিস্তীৰ্ণ আকাশৰ বুকুলৈ
প্ৰসাৰিত কৰো দুখনি হাত
বুকুৰ গভীৰ প্ৰদেশৰ পৰা ওলাই আহে
মোৰ কবিতাৰ ভাষা
বিপ্লৱৰ গীত
স্বাধীনতাৰ নামত কাৰাৰুদ্ধ কৰি ৰখা
মানুহৰ মুক্তিৰ বাবে
নতুন স্বদেশ গঢ়ি
স্বাধীনতা ঘূৰাই অনাৰ আয়োজন
এয়া মোৰ অন্তৰৰ বাহিৰে-ভিতৰে
আৰু শুনিছো চৌদিশে
একেই প্ৰতিধ্বনি -আমাৰ বাবে মুক্তি
সেয়ে মুক্তিৰ বাবে আমি একেটি লক্ষ্যতে
আগবাঢ়ো আহা
প্ৰৱল ধুমুহাৰ গতিৰে..... .....।

# "অপেক্ষা"

শ্ৰীঅৰি নাৰায়ণ শৰ্ম্মা

আহত হলেও—
মানুহবোৰ ক্ষুব্ধ
মনবোৰ ঘূৰ্ণীবতাহ যেন,
ইন্দ্ৰ জালৰ মেৰ পেচত আবদ্ধ !
তথাপি সিহঁত শান্ত।
নেভাবিবাচোন.... .... .... ....

অজলা-অৰলা সিহঁতক বুলি,
কুটিল বিদ্ৰূপৰ হাঁহিবোৰ
সিহঁতে সোপা দিব জানে।
তথাপিয়ো সিহঁত শান্ত—

চকা-চমাকাকৈ ভাবতৰ,
এটি কোনত উদিত বঙা সুৰযটো ।
নেভাবিবাচোন.... .... ....

তহঁতৰ সাৰ্থক জনম বুলি,
তথাপিয়ো সিহঁত শান্ত ।
অপেক্ষা মাথো সেই দিনটিৰ ।

## ৰোমন্থন ঃ

## দুখৰ দিনৰ

মুঃ বজলুল হক

হে শ্বহীদ সকল
আজি আমি মুক্ত
তোমালোকৰ বীৰত্বত
আমাৰ পনত ।
বিগত ছয়টি বসন্ত
তোমালোকৰ ৰক্তেৰে
বঞ্জিত হৈছিল
শ্যামলী অসমীৰ আঁচলখনি ।
তোমালোকৰ শোণিত বণ্যাই
কঢ়িয়াই অনা দোক-মোকালি
বেদনাবিধুৰ সহস্ৰ হিয়াত
আশা-ভৰষাৰ জন্ম যন্ত্ৰণাৰ চট্‌ফটনি ।
হে সতীৰ্থ বন্ধু সকল ;
তোমালোকৰ মৃত্যু
অনাৰ্য্য পুৰুষৰ বাবে
কঠিন শিলত খোদিত ভাস্কৰ্য্য ।
হে স্বৰ্গগামী শ্বহীদ সকল
তোমালোকৰ স্মৃতিৰ বুকুত
জাক জাক ডেকাৰ মিছিল
যুৱতীৰ বিবস্ত্ৰ শৰীৰ বন্দুক ষ্টেনগানৰ
ধূসৰিত ঘৰবাৰীবোৰ ।
আমি তোমালোকক সুঁৱৰি আহিছো
সুঁৱৰি থাকিম—
তোমালোকৰ সুবাসে আৱৰা
অসমী সন্তানে ।

# বিষ্ণুৰাভা

শ্ৰীহৰেন্দ্ৰ ৰাজবংশী

তুমি বিষ্ণুৰাভা
অসম দেশত জন্মলভা
নতুন যুগৰ সাহিত্য সৃষ্টিত
আছে বহু আশা।

বনে বনে ঘূৰি
সাহিত্য ঠগাত
বিকশাই আলোক-প্ৰপঞ্চ,

হাঁহি কন্দা ধেমালীৰে
গীতৰ লহৰে লহৰে
নাচোনৰ চেও মিলাই
মুখৰিত কৰি দিয়া
ত্ৰিভূবন মঞ্চ।

তোমাৰ জ্যোতিয়ে মোৰ জ্যোতি
আনৰ জ্যোতিয়ে মোৰ
উৰ্দ্ধগামিনী প্ৰগতি গতিক
কৰি দিয়ে অধোগতি

তুমিয়েই গীতিকাৰ
তোমাৰ গীতত আছে
সুৰৰ ঝংকাৰ

তুমিয়েই শিল্পী কাৰকাৰ
তোমাৰ তুলিকাৰ আগত ভাঁহে
মহান প্ৰতিভা ৰূপকাৰ

আহিছা নতুন দেশলৈ
নতুনৰ গান গাবলৈ
সুৰৰ ঝংকাৰ তুলি
অন্তৰৰ বীণ বজাবলৈ
ফুৰা তুমি মাজে মাজে
আলিয়া-বলিয়া হৈ
অন্তৰত বহু আশা লৈ।

মোৰ তুলিকাই আঁকে
গ্ৰাম সংগ্ৰামৰ
বিভীষিকাৰ চিত্ৰ:
যাৰ চিত্ৰই মোৰ মন
মনোমোহা ৰূপেৰে
কৰি দিয়ে বিচিত্ৰ।

লিখি যোৱা কাপোৰ
আঁকি যোৱা তুলিকাৰে
কোমল হাতৰ পৰশ বুলাই

গাই যোৱা সুৰেৰে
স্বৰৰ লগে লগে তাল মিলাই
অন্তৰৰে বীণ বাই
নিজকে দিয়া বিলাই।

বজা, বজা, বজা তুমি
অন্তৰৰ বীণ খনি
গোৱা, গোৱা, গোৱা তুমি
সুৰৰ প্ৰতিধ্বনি
মিছা, মিছা, মিছা মোৰ
সকলোৱেই মিছা
অন্তৰেৰে যিটো ভাবো মই সঁচা
সিও আজি মিছা

মান অভিমান
গৰ্ব অহঙ্কাৰ
যত আছে মোৰ কাব্য-সম্ভাৰ
সকলোৱেই মিছা।

তুমি বচা গানবোৰে
মোৰ হিয়া ব্যৰ্থ কৰে
মোৰ দুখত কাৰ
চকুলো সৰে
তোমাৰ গীতৰ সুৰবোৰে
ঘূৰি ফুৰে দূৰে দূৰে
কৰে মোৰ অন্তৰ ম্লান
তুমিয়েই সৰ্বশ্ৰেষ্ঠ মহান।

শিল্পী তুমি
তুমি শিল্পী
এন্ধাৰৰ সঁতে যুঁজি যুঁজি
লুইতৰ পাৰে পাৰে বীণ বাই যোৱা
গাৱেঁ ভূঞে চহৰে-নগৰে
প্ৰতি অসমীয়াৰ ঘৰে ঘৰে
নতুন যুগৰ নতুন চাকিটি জ্বলোৱা।

প্ৰাণ তোমাৰ অখণ্ড
পোহৰৰ বাটে বাটে গোৱা
বীক্ত মনৰ সিক্ত ব্যৰ্থাক
বৈচিত্ৰ্যময় অনন্তধ্যানী শক্তিয়ে
মোৰ হিয়াৰ হেজাৰ স্বপ্নক
কৰি দিয়ে লণ্ড-ভণ্ড
প্ৰাণ তোমাৰ অখণ্ড।

লক্ষ লক্ষ[১] শিল্পী প্ৰাণে
তোমাৰ শিল্পী সত্বাক
তোমাৰ অন্তৰৰ প্ৰতিভাক
চিৰ স্মৃতিৰে দিলে কপালত আভা
নতুন যুগৰ
নতুন আশাৰ
তুমিয়েই বিষ্ণুৰাভা।

তুমি বিষ্ণুৰাভা
তোমাৰ কপালত জ্বলে
শত গৌৰৱৰ আভা
তুমি সৃষ্টিকাৰ, কাৰুকাৰ
নাট্যকাৰ গীতিকাৰ
তুমিয়েই মনোমোহা
শিল্পীকাৰ।

তোমাৰ গীতৰ সুৰত মই মতলীয়া
তোমাৰ সুৰত বলীয়া
জাগ্ৰত কৰি দিয়ে তোমাৰ গীতৰ সুৰে
মোৰ হিয়াৰ ছন্দে-ছন্দে
জাগি উঠে মহাপ্ৰলয় ভয়ঙ্কাৰী
সুৰৰ ঝংকাৰ
বিশ্ব মহানন্দে ।

ভাঙ্ ভাঙ্, ভাঙ্ ভাঙ্
তোমাৰ গৰ্ব অহঙ্কাৰ ভাঙ্
ব'ল, ব'ল, ব'ল, ব'ল
ব'ল আগুৱাই ব'ল
দেহক আকৌ নতুন ৰূপত
গঢ়াৰ সময় হ'ল
ব'ল আগুৱাই ব'ল ।

বিষ্ণুবাভা বিষ্ণুবাভা
তুমি দিছিলা আমাক
কলা-সংস্কৃতিৰ আভা
তুমি আজি নাই
আছে মাথো তোমাৰ
স্মৃতিৰ পাপৰিবোৰ

তাকেই থাকিম আমি গাই
নুমুৱা সংস্কৃতিৰ চাকিটি জ্বলাই
সাহিত্য ঠগাত
মান ৰাখিম
তোমাৰ স্মৃতি উজ্বলাই
তোমাৰ সুৰৰ গীত গাই গাই
নতুন পুৱাৰ ছবিটি চাওঁ,
মহামানৱৰ মহান জতানেৰে
পৃথিৱী সভালৈ যাওঁ ।

বিষ্ণুবাভা !
তুমি আকৌ আহিবা
আমাৰ মাজলৈ
নতুন যুগৰ
নতুন সাহিত্য ৰচিবলৈ

ৰৈ ৰৈ আমি
চাম তোমাৰ আগমন
হে মোৰ চিৰ আৰাধ্য দেৱতা
তোমাক স্বাগতম্
তোমাক স্বাগতম্
তোমাক স্বাগতম্ ।

# প্রে ৰ ণা

★

মিচ্ মিণুৱাৰা বেগম

সেই দিনবোৰৰ
ৰঙীন মূহুৰ্ত্তবোৰ
স্মৃতিৰ সৌধ হৈ
থুপ খাই আছে।
সেই যে কৃষ্ণচুড়াৰ
ছায়াত বহি
তুমি মই কোৱা
মিঠা মিঠা কথাবোৰ
তোমাৰ জানো মনত নাই ?
কুলু কুলু নিজৰাই
দুটি মন এটি কৰি
তোমাৰ মোৰ সেই
মহাকাব্য ৰঁচি
গুণ গুণাই গাই
নিৰৱে গুছি যোৱা
নপৰে নে তোমাৰ মনত এবাৰো ?
কলিজাৰ তেজেৰে সজা বালিঘৰবোৰ ?
সেয়ে—
তুমি গুছি যোৱা
পথৰ খোজবোৰেই হওঁক
মোৰ জীৱনক জীয়াই
ৰখাৰ প্ৰেৰণা।

# হে নতুন !

শ্ৰীজীবেন্দ্ৰ মোহন দেৱ শৰ্মা

তোমাৰ বিশ্বস্ত দৃষ্টিত—
সেইকুৰা জুইনে আন কিবা ?
যেন নিমিষতে ভস্ম কৰি দিবা
দৃশ্যপট !

নে সম্ভাৱনাপূৰ্ণ এটুকুৰা—
ঘন ঘোৰ কলীয়া ডাৱৰ ?
যেন সজীব কৰি তুলিবা
বোৱাই বৃষ্টিধাৰ
হে নতুন !!

বুকুত তোমাৰ সেয়া—
আগ্নেয়গিৰি ! সুপ্ত নে জাগ্ৰত ?
প্ৰয়াস যেন ওফৰাই দিয়াৰ
কলুষতা, কপটতা, চেকা, কালিমা……

নে জলপ্ৰপাত ? প্ৰতিশ্ৰুতি লৈ
শুকান ডালত বসন্ত অহাৰ
হে নতুন !!

# দুটি কবিতা

শ্ৰীসংগ্ৰাম ডেকা

## প্ৰেৰণা –

তোমাৰ অপলক দৃষ্টি
মোৰ বাবে অপাৰ্থিৱ প্ৰেৰণা
তুমি চতিয়াই দিয়া এমুঠি প্ৰেৰণাতে
মই পাওঁ
সৃষ্টিৰ চেতনা।
তোমাৰ জোনালী হাঁহি
মোৰ অন্তৰ ওপচি পৰা সৃষ্টিৰ
এটি মৃদু তৰঙ্গ।
সেই তৰঙ্গত মোৰ মনৰ
জাঁজিবোৰ উটি যায়
ডেউকা কোবাই উৰি যায়
মন আকাশেৰে এজাক শৰালি
দিগন্ত চুবলৈ – ।

## প্ৰকাশ —

আকাশ ফুটি তৰা ওলায়
নিশাৰ নিবিড় নিৰৱতাত।
মাটি ফুটি শইচ ওলায়
ক্ষুধাৰ অপূৰ্ণতাত।
তিমিৰ ভেদি পোহৰ ওলায়
জ্যোতিৰ দৈন্যতাত
অন্তৰভেদি বেদনা ওলায়
দুখৰ মূৰ্চ্ছনাত
নতুন আশাৰ সঞ্চাৰ হয়
পোহৰৰ সূচণাত।

# ※ মুক্তি সমাগত ※

শ্ৰীমুকুল বৰুৱা

মোৰ আজন্ম উকথাঁ পঁজাত বহি
তৰাজ্বলা প্ৰতিটো সন্ধিয়া
মই বৈ আছোঁ—
মৌন হৈ
এক সোণালী দিনৰ প্ৰতীক্ষাত !
বাৰিষা-আকাশৰ ডাঠ ঘণ মেঘখিনি
কেতিয়া নামি আহিব পৃথিৱী-বুকুলৈ
কেতিয়া সেউজী হব (?)
মোৰ দেশৰ নীঃৰস পথাৰ ।

মাজনিশা সাৰ পাই
বহুদিন শুনিছো—
মোৰ আইৰ নীৰন্ন সন্তানৰ
ভোকে-মৰা ক্ৰন্দন ।
তুমি শুনিছানে বন্ধু ?
অগনণ মৃত্যু-সমাধিত
শতাব্দীৰ চিঞৰ !

নতুন দিনৰ প্ৰাত্যহিকতাত
মই শুনিছো -
নিষ্পেষিত কণ্ঠত
প্ৰাচীৰ ভঙাৰ গান ;
মুক্তি সমাগত ! আজি
মই তাৰেই প্ৰতীক্ষাত ।

★

# কক্ষচ্যুত নক্ষত্ৰ

ডঃ মহেন্দ্ৰ প্ৰসাদ বৰুৱা
অধ্যাপক

আই তোৰ কোলাত
ক্ষত-বিক্ষত সিহঁত
কক্ষচ্যুত নক্ষত্ৰ
কাচিখন হাতত লৈ
সিহঁতে
জোনটি নাকাটে
সিহঁতে
চিলাৰ নাজানে
সিহঁতৰ জোখৰ চোলাটো
ক'ত জলাশয় ?
সিহঁতৰ পুৰণা চোলাটো
শুধ বগা কৰিবলৈ
জলাশয় ক'ত ?
আচলতে

আচলতে
সিহঁতৰ পুৰণা চোলাটো
উৰলিল যে
উৰলিলেই।

# 'ব্ৰহ্মপুত্ৰ'

জামালুদ্দিন আহমেদ
আৰবী বিভাগৰ প্ৰবক্তা

নীলা আকাশলে তাৰ
বৰ মৰম
আকাশক বুকুত পালে
পাহৰি যায় সি,
দুপাৰৰ কেঁচা মৰম।
নামি আহে আকাশ,
বুকুত তাৰ
আনন্দৰ উচ্ছাস,
উচ্ছাসত উঠে জোৱাৰ,
জোৱাৰত উথলে সাগৰ
খহি পৰে
দুপাৰৰ চহৰ নগৰ।
আকাশলে জাগে তাৰ
মিঠা মৰম,
মৰমত লাগিলে জগৰ
জয় সি
প্ৰলয় সাগৰ
পাহৰি পেলাই
সৰগ সপোন
দুপাৰৰ কেঁচা মৰম।

★

# আই কিয় কৰিছা ক্ৰন্দন

শ্ৰীজিতেন হাজৰীকা

আই কিয় কৰিছা ক্ৰন্দন
আমি, নোৱাৰো সহিব আই
দেখি তোৰ মলিন বদন।
কেশ সব আছা মেলি
শৰীৰত ধূলি বালি
মুখত নাই চিন উলাহৰ।
দেহত নাই ভাল বস্ত্ৰ
নহবা আই বিবস্ত্ৰা
দেখো তব দেহ হ'ল ক্ষীণ।
নোখোৱা আহাৰ পানী
নামাতা পুত্ৰ পুত্ৰ বুলি
নাই দেখো আনন্দৰ চিন ॥
তোমাৰ ক্ৰন্দনৰ গুৰি জানো আই
মৰা পুত্ৰৰ শোকে খুলি খায়
নিজৰো বিলুপ্তিৰ চিন্তা আই।
ইকালে শ্বতৰুৱে ললে আহি
তোমাৰ ৰব ঘৰতে ঠাই
দেখি তোৰ নসহে হৃদয় ॥
নিজৰ ঘৰতে হই পৰ
তাৰ চিন্তাত হৈছে জ্বৰ
সেয়ে তুমি কৰিছা ক্ৰন্দন।

ভাবিছা পুত্ৰৰ হব বিখিনি
নিমিলিব ভাত পানী
অচিৰেই হব যে মৰণ ॥
এনেবোৰ চিন্তাত তুমি কৰিছা ক্ৰন্দন
শুনা আই তযু পুত্ৰই
বাহু তুলি কৰো জীৱন পণ।
ৰাখিম নিজৰ নাম
জগতত জিলিকাম
তোমাৰ এই মলিন বদন ॥
তুমি হয়তো ভাবিছা কত পুত্ৰ হেৰুৱালো
নিজৰ অস্তিত্ব ৰাখিবলৈ বজায়,
কিন্তু পৰা নাই এতিয়াও।
কিন্তু শত সহস্ৰ পুত্ৰ তোৰ
আহিছো ওলাই আই
ৰণ ধ্বনি দিবলৈ বজায় ॥
খৰ্গেশ্বৰ মুকুণ্ড আৰু যে কত
তাৰ বাবে নকৰা ক্ৰন্দন,
(কাৰণ) সেয়ে আমাৰ আদৰ্শৰ পথ।
তাঁহাতৰ পথে পথে আমিও অগ্ৰসৰ
অস্তিত্বৰ সংগ্ৰাম কৰিম,
লই হয়, হস্তী আৰু মহাৰথ ॥

শত্ৰু যদিও আহিছে আগুৱাই
দিম তাক ওফৰাই,
কিয় তুমি কৰিছা ক্ৰন্দন ।
দিয়া মাথো যাত্ৰাদেশ
শত্ৰু কৰো নিঃশেষ,
উজ্জ্বলাওঁ তব মলিন বদন ॥
তোমাৰ কোলাতে উপজিল কত
পুৰাণ ভাৰত খ্যাত লোক,
নৰক আদি কত বীৰ ।
ৰাখিছিল যশ যেনেকৈ তোমাৰ
শকতি আছে আমাৰো,
মাথো তুমি নহবা অথিৰ ॥
হয়তো তুমি ভাবিছা আই
নাই আমাৰ সাহস একতা,
কিম্বা বল পৰাক্ৰম ।
তেনেদৰে নাভাবিবা আই
সকলো শত্ৰুক ধ্বংসি,
গঢ়ি তুলিম সোণৰ অসম ॥
ৰাখিম জগতত নাম জিলিকাই
থাকে মানে চন্দ্ৰ দিবাকৰ,
নাভাবিবা দুৰ্ব্বল পুত্ৰ তোমাৰ ।
"শত্ৰু যদিও দুৰ্নিবাৰ
কৰি পেলাম ছাৰখাৰ"
শত্ৰু হব পেলনীয়া জাবৰ ।

দিয়া মাথো যাত্ৰা দেশ
শত্ৰু কৰো নিঃশেষ.
থকা কিয় ধৰি ক্ৰন্দন ব্ৰত ।
নিজ হাতে খৰ্গ ধৰি
শত্ৰুক নিধন কৰি
ৰাখো তযু নাম যশস্যাক ॥
সদায় জানিবা আই
প্ৰকৃত পুত্ৰে নাথাকে ৰই
মাতৃৰ ক্ৰন্দন ধ্বনি শুনি ।
যদি আমি সুপুত্ৰ হওঁ
একতিলো নিজিৰাওঁ,
বজাওঁ এতিক্ষণে ৰণ ধ্বনি ॥
সেয়ে তুমি আই নকৰা ক্ৰন্দন,
নহয় তোৰ অস্তিত্বৰ স্খলন,
আছো সহস্ৰ পুত্ৰ গণ ।
মাথো, তুমি ধৈৰ্য্য ধৰা
পুত্ৰক চাই শোক এৰা
আই. তুমি নকৰা ক্ৰন্দন ॥
আই তুমি কিয় কৰিছা ক্ৰন্দন
নাকান্দিবা আই· পৰিহৰা ক্ৰন্দন
তযু নাম কৰিম উজ্জ্বল
প্ৰফুল্লিত কৰা তযু মন বদন
আই, তুমি নকৰা ক্ৰন্দন ॥
!※※!

গল্প

# স্মৃতিৰ সঁফুৰা



শ্ৰীগীতালী ডেকা

মৰমৰ ৰাকেশ,

মৰম লবি, মোৰ চিঠি পাই তই হয়তো আচৰিত হবি। হোৱাতো স্বাভাৱিক। আশা কৰোঁ তোৰ মঙ্গল। আমাৰ গাৱঁৰ সকলোৰে ভাল। তোৰ বা-বাতৰি জানিবলৈ ইচ্ছা থাকিলেও জানিব নোৱাৰো। তই কিয় গাওঁলৈ নহা হলি ?

সিদিনা গুনদা মাহীৰ ঘৰলৈ যাওঁতে মাহীয়ে ক'লে তই হেনো বিয়া পাতিলি অলপতে। ছোৱালী হেনো ডাঙৰ মানুহৰ ঘৰৰ। বাপেক হেনো ডাঙৰ অফিচাৰ। যৌতুকৰে তোৰ ঘৰ ভৰি পৰিছে ? গাড়ীও এখন দিছে বোলে। হয়নে কথাবোৰ ? আৰু বহুত কিবা-কিবি তোৰ কথা ক'লে। তই ডাঙৰ মানুহ হৈ গাওঁৰ কথা একেবাৰে পাহৰি পেলালি। যোৱা বাৰিষাত গ্ৰহণী হৈ আমাৰ গাৱঁৰ বহুত মানুহ ঢুকাল। গাওঁবুঢ়া ৰৰদেউতাই তোলৈ টেলিগ্ৰাম কৰিছিল। হয়নে ? তোৰ হেনো সময়েই নহ'ল আহিবলৈ। গায়ন দাইটিয়ে কৈছিল "ৰাকেশ আজি কালি বৰ নাম কৰা ডাক্তৰ। সি যদি গাওঁলৈ আহে তেনেহলে বেমাৰ লগে লগেই ভাল হব।" কিন্তু তই নাহিলি ৰাকেশ। আমাৰ খুৰাহঁতৰ জিলিজনীও তোৰ নাম লৈয়ে মৰিল। তাইৰ বহুত

আশা থাকি গ'ল। তই অহা হলে নিশ্চয় কিজানি ···· ···· ···· ···· ···· ···· ···· ···· ····। এবা, ভালেই কৰিলি গাৱঁলৈ নাহি। তইতো জানই আমাৰ গাৱঁৰ মানুহবোৰ কিমান দুখীয়া। ডাক্তৰবোৰে আজি কালি টকা নহলে ৰোগী নাচায়। আমিনো তোক ক'ৰ পৰা টকা দিলোহেঁতেন।

তোলৈ লিখি থাকোতে শৈশৱৰ কিছুমান টুকুৰা ছবি মোৰ চকুৰ আগত ভাহি উঠিছে। তই হয়তো আমাৰ আগৰ কথাবোৰ ভাবিবলৈ অৱকাশেই নাপাৱ। তয়ে ময়ে যে কিমান খেলিছিলো। আমি যে দৰা কইনা খেলিছিলো। এবাৰ যে তয়ে ময়ে মইনা পাৰিজাতৰ পৰা দেৰিকৈ আহোতে দুয়োটাকে মাৰিছিল। তোৰ মনত পৰেনে। এবাৰ মাছ মাৰিবলৈ যাওঁতে মোক যে কাঁইটে বিন্ধোতে তই মোক উঙিয়াই দিছিলি। তোৰ হয়তো এইবোৰ কথা মনতেই নাই। আৰু এদিনৰ ঘটনা এটাই মোক কেতিয়াবা বৰ আমনি লগায়। বহাগ বিহুৰ দিনা ৰাতিপুৱা নতুন ফ্ৰকটো পিন্ধি তোৰ ওচৰলৈ যাওঁতে, তই মোক দেখি দৌৰি আহিছিলি। আৰু তেতিয়া তই মোক বননিত বহাই দি ফিটাৰে গাঠি মাৰি খোপা বান্ধি তাত তই আগদিনা নি থোৱা কপৌ ফুল পাহ মোৰ খোপাত মেৰিয়াই দিছিলি। তেতিয়া মই অবাক হৈ লাজ লাজ ভাৱেৰে তোলৈ মাথো চাইছিলো। তাৰ পাছত মোৰ চুলিখিনিত আলফুলকৈ চুমা এটা খাইছিলি। তাৰ পাছত কৈছিলি "ডাঙৰ হলে মই তোক বিয়া কৰাম তবা" মই তোক সাবটি ধৰি তেতিয়া কৈছিলো 'সচা'? সেই মুহূৰ্ত্তত মোৰ সৰু হৃদয়খনে বুজি পাইছিল মৰম কি বস্তু? সেইদিনা ঘৰলৈ আহি মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিলো ৰাকেশ যেন চিৰ জীৱন মোৰ কাষতে থাকে। কিন্তু ভগৱানে মোৰ কথা নুশুনিলে। তই বহুত দূৰলৈ আঁতৰি গলি। আঁতৰাই পেলালি মোক তোৰ মনৰ মাজৰ পৰাওঁ। তই দিয়া কপৌফুল পাহ মই আইতাৰ কাঠৰ পেৰাটোত সুমুৱাই থৈছিলো। এতিয়া কপৌ ফুল পাহ লেৰেলি শুকাই গলেও এতিয়াও বহন কৰি আছে মোৰ পুৰণা স্মৃতি। কিয় জানো ৰাকেশ সেইদিনাৰ পৰা তোক মোৰ আৰু বেছি ভাল লগা হৈ পৰিল। লাহে লাহে আমি দুয়ো শৈশৱ এৰি যৌৱনত ভৰি দিলো। অলপ সংকোচ কৰা হলি মোৰ লগত কথা কবলৈ আৰু ময়ো যেন লাহে লাহে তোৰ পৰা আঁতৰি থাকিবলৈ আৰম্ভ কৰিলো। কিন্তু সঁচাকৈয়ে জানো আঁতৰিছিলো তোৰ পৰা? মোৰ মনটো অনবৰতে তোৰ কাষতে আছে। মানুহৰ চকুত বেয়া হওঁ বুলিয়েই অভিনয় কৰি তোৰ পৰা আঁতৰি ৰৈছিলো। আমাৰ লৰালিৰ হাঁহিবোৰ, চাৱনিবো আৰু কথাবোৰ যেন পৰিবৰ্ত্তন হল। লাজ লাজকৈ তোলৈ চাইছিলো, হাঁহিছিলো ভয় ভয়কৈ তই কিজানি বেয়া পাৱ। তোৰ আমনি নল-গাকৈ সকলোবোৰ জুখি জুখি কৈছিলো।

দশম মান শ্রেণীলৈ প্ৰথম হোৱাৰ দিনা তই মোক বহুত কথা কৈছিলি, মানে ভৱিষ্যতৰ কথা, গাৱঁৰ উন্নতিৰ কথা। গাওঁখন ভাল কৰাৰ কাৰণে তই বহুত কথা ভাৱিছিলি। সকুৰে পৰা ডাক্তৰ হোৱাৰ কল্পনা কৰি তই স°চাকৈ ডাক্তৰ হলি। মইহে প্ৰফেচাৰ হব নোৱাৰিলো। আমাৰ নিচিনা সৰু মানুহে লক্ষ্যত উপনিত খুউব কমেহে হয়। যাৰ ছবেলা ছমুঠি খাবলৈ হাঁহাকাৰ, পিন্ধিবলৈ হাঁহাকাৰ সি জানো লক্ষ্যত উপনিত হব পাৰিব। ১ম বিভাগত প্ৰৱেশিকা পাচ কৰিও পঢ়া জীৱন ইয়াতে সমাপ্ত কৰিব লগা হ'ল। এবাৰ তই গাওঁলৈ আহিছিলি, মই তোক দেখি খুউব কান্দিছিলো। তই মোক কৈছিলি— "ডাক্তৰী পাছ কৰি আহি মই তোক কলেজত পঢ়াম"। তই পুনৰ কৈছিলি "মই তোক সমাজৰ বান্ধোনেৰে নিজৰ কৰি লম, তেতিয়া তোৰ দুখৰ ওৰ পৰিব। তাৰ পাছত জানো কিবা আপত্তি থাকিব পাৰে?" তোৰ স্পষ্টবাদিতাৰ বাবে মই সেইদিনা আচৰিত হৈছিলো। কিন্তু এইবোৰ কথা তেনেদৰে স্মৃতিৰ পাতত উৰঁলি গ'ল। ডাক্তৰ হৈ তই ডিব্ৰুগড়লৈ গুছি গলি। মই তোৰ বাবে সদায়ে বাট চাওঁ। মোৰ সেই সপোন, সপোন হৈয়ে থাকিল। তই এদিনলৈও গাৱঁলৈ নাহিলি। সিদিনা খন তোৰ খুৰীয়েৰে তই দিয়া চিঠি এখন মোক দেখুৱাইছিল। মই বৰ আগ্ৰহেৰে চিঠিখনত কিবা এটা পোৱাৰ আশাৰে পঢ়ি গৈছিলো। কিন্তু নাই, তৰাৰ বাবে তাত অকণো ঠাই নাই। 'তৰা' নামৰ শব্দ এটা যে পৃথিৱীত আছে এই কথা তই পাহৰি গৈছিলি। তই মোৰ খবৰ লবলৈ আহৰি নাপালেও মই এইয়া লিখিছো মোৰ খবৰ, মই গাৱঁৰে এল. পি স্কুল এখনত কাম কৰোঁ। ইমান কম শিক্ষাৰেনো আৰু কি কৰিব পাৰিম? কলেজৰ মুখেই দেখিবলৈ নাপালো। গতিকে প্ৰফেচাৰ ক'ৰ পৰা হ'ম? মাৰ বৰ্ত্তমান অসুখ, বিচনাৰ পৰা উঠিবই নোৱাৰে। ডাক্তৰক দেখুৱাৰ কথা ভাবিবই নোৱাৰো। বহুত টকা লাগে। মোৰ এই কেইটা পইচাৰে যেনে তেনে খাবলৈ আতেহে। গাৱঁলীয়া ঔষধকে খুৱাইছো। তাতে আমাৰ নিচিনা দুখীয়া মানুহৰ অসুখ নাচায়। বহুত লিখিলো। তই হয়তো আমনি পাইছ ···· ···· ···· বহুত মৰমেৰে ········· ········· ।

তোৰ তাহানিৰ —

" তৰাজনী "

# অনুতপ্ত

॥ শ্ৰীৰমেশ চন্দ্ৰ শৰ্ম্মা ॥
( কলা )

'Hrishikesh ফাৰ্ম্মাচী' ৰ পৰা ওলাই আহি বকৰা কাঁহি কাঁহি ৰাস্তা পালেহি। ছাটিটো মেলি কান্ধত পেলাই ললে। জেঠ মাহ। প্ৰখৰ ৰ'দ। তাতে আকৌ গুৱাহাটী মহানগৰীৰ কথা। গাড়ীবোৰৰ বৰ ভীৰ। তাতে ঘোঁৰা গাড়ী, ৰিক্সা, ঠেলা, অটো, এইবোৰৰটো সীমা সংখ্যা নায়েই। অহা আহিছে, যোৱা গৈছে। তাৰ মাজেদি নিজকে এৰাই বকৰাইয়ো অলপ বেগাই খোজ দিলে।

অলপ যোৱাৰ পিচত বকৰাৰ কাঁহটোৱে আকৌ উক দিলে। কাঁহি কাঁহি মানুহজনে তৎ নোপোৱা হ'ল। কাঁহ ক্ৰমে বেছিৰ পিনেহে ঢাল খালে। শেষত তেখেতে কাঁহৰ ভমকতে ৰাস্তাৰ কাষৰ পৰা প্ৰায় মাজ পালেগৈ। তেনেতে হঠাতে কোনোবাই পিছ পিনৰ পৰা চিঞৰা যেন পালে। কাঁহি কাঁহিয়ে তেওঁ পিছ পিনে চালে। এখন টেক্সি তেওঁৰ পিছত বৈছেহি আৰু তাৰ পৰা ড্ৰাইভাৰজন নামি আহি চিঞৰিছে।

'অ'ই বুঢ়া- তই আৰু মৰিবলৈ ঠাই নাপালি নহয়। এতিয়াই দেখোন মৰিলি হয়। যা, ৰাস্তাৰ কাষৰ পিনে যা।' তেখেতক উদ্দেশ্য কৰি কোৱা বুলি জানি বকৰাই বৰ দুখ আৰু লাজ পালে। নিজৰ ভুলৰ কাৰণে বকৰাই নিজকে দোষী সাব্যস্ত কৰিলে। লাহে লাহে তেওঁ ৰাস্তাৰ কাষ চাপি আহিল। এনেতে তেওঁক আকৌ কোনোবাই বকৰা, বকৰা সম্বোধন ধৰি মতা যেন পালে। মাতটো বুজিব নোৱাৰি বকৰাই ঘুৰি চালে। এজন মানুহ সেই গাড়ী খনৰ পৰা নামি আহিছে। ওচৰ পোৱাত বকৰাই চিনি পালে। কলেজত একেলগে অধ্যাপনা কৰা শইকীয়া।

বকৰা, আপুনি এইপিনে ক'ত আহিছিল? শইকীয়াই প্ৰথমতে মাত লগালে। ইতিমধ্যে বকৰাৰ কাঁহটো কিছু সাম কাটিছিল। সেয়েহে তেখেতে সেঁহাই ক'লে—অলপ Hrishikesh ফাৰ্মাচীৰ পিনে আহিছিলো। অসুখটো আকৌ উক দিছে। শইকীয়াই কথা বঢ়াবৰ ইচ্ছা নকৰিলে।

আহক বৰুৱা, আপোনাক ঘৰত নমাই থৈ যাম। এইখন মোৰেই গাড়ী। বৰুৱা থমকি উঠিল। শইকীয়াই গাড়ী কিনিছে? মনতে ভাবিলে তেওঁ, অথচ ............। শইকীয়া, গাড়ী ড্ৰাইভাৰ আটাইৰে ওপৰেৰে ক্ষীপ্ৰ গতিত বৰুৱাৰ চকুহুটা বাগৰি গ'ল। তেওঁৰ গাড়ীত যাবলৈ ইচ্ছা কৰা নাছিল যদিও অৱস্থাতোলৈ চায় তেওঁ গাড়ীৰ ফালে আগবাঢ়িল। গাড়ীত উঠোতে তেওঁ লক্ষ্য কৰিছিল তেওঁক ধমক দিয়া মানুহজনে দৰ্জাখন মেলি ধৰিছে।

গাড়ীখন লগে লগে যাবলৈ ধৰিলে। বৰুৱাই তেওঁৰ দুৰ্ব্বল দেহটো গাড়ীৰ কোমল চিটৰ ওপৰত এৰি দিলে।

বৰুৱা আপোনাৰ কেনেকুৱা অসুখ হে?

বৰুৱাই শইকীয়াৰ মুখৰ ফালে চালে। দুয়োজনে একেলগে চাকৰিত ভৰ্ত্তি হৈছিল, আৰু একেলগে অৱসৰো লৈছিল। অথচ শইকীয়া তেওঁতকৈ বহুখিনি শকত আৰু উজ্জ্বল হৈ আছে। "কিন্তু বৰুৱা" তেখেতে নিজৰ কথা ভাবি চমক খাই উঠিল। তেখেত চ'ত মাহত লৰেলি যোৱা দুবৰি বনৰ দৰে॥

"অসুখ মানে তেনেকুৱা বিশেষ অসুখ নাই। পিছে এই কাঁহটোৱে মোক আতিয়াবা খুব জুলুমত পেলায়।"

"ভাল ঔষধ খাইছে নে নাই?"

"ভাল ঔষধ?" নকৰ খুজিও বৰুৱাই পেলালে "ভাল ঔষধ কেনেকৈ খাম? আজি ডাক্তৰে মোক যিটো ঔষধ দিলে, কিনিবলৈ ভালেখিনি পইচা লাগে। মোৰ কাৰণে ইমান পইচা খৰচ কৰাটো অসম্ভৱ।"

শইকীয়াই কিবা অলপ ভাবি আকৌ শুধিলে— "ঘৰৰ খবৰ ভালটো?"

কিছু সময় নিৰৱতাৰ পিছত বৰুৱাই এটা হুমুনিয়াহ কাঢ়ি কলে—"ভাল বেয়ানো কি কম শইকীয়া? আপুনিতো মোৰ ঘৰৰ কথা ভালদৰেই জানে? কোনোমতে আছো আৰু।"

শইকীয়াই দুনাই আৰু একো নুসুধিলে বৰুৱাক। তেওঁ জানে বৰুৱাক। বৰুৱাৰ খবৰ নৰখা নহয়। সাতজনকৈ ল'ৰা-ছোৱালী। সিহঁতক খুৱাই বুৱাই ডাঙৰ দীঘল কৰোতেই বৰুৱাৰ চাকৰি জীৱন শেষ হ'ল। কিন্তু প্ৰকৃততে এজন ল'ৰা বা এজনী ছোৱালীক উপযুক্ত কৰি গঢ়ি তুলিব নোৱাৰিলে। সেই টোৱেই বৰুৱাৰ জীৱনৰ আটাইতকৈ চৰম পৰাজয়। সেয়ে তেখেতৰ দুখ আৰু চিন্তা। চিন্তাই পালে মানুহক আৰু কি লাগে?

বিভিন্ন কথা বতৰা ভাব চিন্তাৰ মাজতে বৰুৱাৰ ঘৰৰ ওচৰ পাওঁ পাওঁ হ'লহি। ড্ৰাইভাৰক ইংগিত দিয়াৰ লগে লগে ড্ৰাইভাৰে গাড়ীখন বৰুৱাৰ পদুলি মুখত ৰাখি দিলে।

"বৰুৱা এইখিনি লওঁক।"

শইকীয়াৰ পিনে বৰুৱাই ঘূৰি চালে। কিয়? ঔষধটো কিনি আনিব; লগত থকা হলে আৰু অলপ দিলোহেঁতেন।

বৰুৱাই শইকীয়াৰ মুখৰ ফালে আৰু টকা কিটাৰ ফালে এবাৰ চাই ললে।

"নালাগে শইকীয়া আপোনাৰ পিছত অসুবিধা হ'ব।"

"মোৰ একো অসুবিধা নহয়, আপুনি এই সামান্য..........." শইকীয়া বৈ গ'ল।

বৰুৱাৰ নিজকে আৰু দুৰ্ব্বল যেন লাগিল। লওঁ নলওঁকৈ টকা কিটা হাত পাতি লৈ সেমেকা সেমেকিকৈ ক'লে -

'শইকীয়া আপোনাক বেজাৰহে দিলো।'

'নাই নাই, তেনেকৈ নকব বৰুৱা।'

বৰুৱা গাড়ীৰ পৰা নামোতে আকৌ ড্ৰাই-ভাৰজনে দৰ্জাখন খুলি সহায় কৰি দিলে। বৰুৱা লাহে লাহে নামি আহিল।

'যাওঁক তেনে শইকীয়া।'

গাড়ী লৈ শইকীয়া গুচি গ'ল।

শইকীয়াক নিজৰ ঘৰলৈ মাতিব খুজিও বৈ গ'ল কিবা ত্ৰুটা ভাবি নামাতিলে। গাড়ীখন যোৱাৰ পিনে অলপ চাই বৰুৱা লাহে লাহে ঘৰলৈ আগবাঢ়িল। পদুলি মুখৰ গেটখন খুলি ভিতৰ সোমাই গ'ল। বাৰান্দাত উঠাৰ লগে লগে ডাঙৰজনী ছোৱালী মনি মালাই মাত দিলে।

'দেউতা আহিলে নেকি?'

বৰুৱাই জীয়েকৰ মুখৰ পিনে চাই চকু দুটা নমাই আনিলে।

'ওঁ আহিলো মা।'

ছুয়ো ঘৰৰ ভিতৰত সোমাই গ'ল। মনিমালাই দেউতাকৰ পাঞ্জাৱীটো খুলি দিলে।

"দেউতা ধুতিখন খোলক" বুলি কৈ মালা কোঠাটোৰ পৰা ওলাই আহিল। বৰুৱাই ধুতিখন খুলি অইন এখন পিন্ধি বাৰান্দাৰ চকী খনত বহি পৰিল।

এই মনিমালা বৰুৱাৰ ২য় সন্তান। স্নাতকলৈ পঢ়িছিল পিছে পইচাৰ অভাৱত পৰীক্ষাৰ ফৰম্ ফিলাপ কৰিব নোৱাৰিলে। চাকৰি বিচাৰিছিল। টাইপটোও শিকি থৈছিল- কিন্তু বহু চেষ্টা কৰিও মালাই চাকৰি এটা যোগাৰ কৰিব নোৱাৰিলে। আনপিনে বিয়াও দিব পৰা নাই। বিয়া দিবৰ সামৰ্থ্যও নাই দেউতাকৰ। অৱশ্যে দৰাও অহা নাই। সেয়ে তাই ঘৰতে আছে। বিদ্যুৎ চালিতৰ দৰে তাই ঘৰৰ ভিতৰতে মাকক আপদাল ধৰে, দেউতাকক পৰিচৰ্য্যা কৰে। সেই খিনি-তেই তাইৰ চৰম আনন্দ।

তাই জীৱনৰ পৰিপক্কতা খিনি সময়ত হেৰাই যায়। তাইৰ অন্তৰে কান্দি উঠে। আনে বুজি নাপালেও দেউতাকে বুজে। তেখেতে বহুতো লক্ষ্য কৰিছে।

"দেউতা হাত মুখ ধোৱক" মালাই পানী এবাটি আৰু গামোচা এখন দেউতাকৰ ওচৰত থৈ যায়।

বৰুৱাই মালাৰ পিনে অলপ স্থিৰ দৃষ্টিৰে চালে, তাৰ পিচত লাহে লাহে উঠি গৈ হাত

মুখ ধুই আকৌ চকীখনত বহি পৰে। ধোৱা হ'লত মালাই আহি খালি ঘটিটো আৰু গামোচাখন দেউতাকৰ ওচৰৰ পৰা লৈ গ'ল। বৰুৱাই জীয়েক যোৱাৰ পিনে কিছু সময় চাই থাকিল।

"বৰুৱা এটা কথা হ'লহে"! জিৰণি সময়ত কলেজ কেন্টিনত চাহ খাবলৈ যাওঁতে শইকীয়াই ক'লে।

কি হ'ল ?

'আমাৰ তেওঁক যোৱা কালি অপাৰেচন কৰা হ'ল।' "কাক অপাৰেচন কৰিলে? কি হৈছিল?"

আমাৰ তেওঁক মানে পৰিবাৰক। একো হোৱা নাছিল। পিছে জন্ম বোধ কৰিবৰ কাৰণেহে অপাৰেচন কৰা হ'ল।

বাঃ জন্মবোধ কৰিবৰ কাৰণে অপাৰেচন॥

শইকীয়াৰ কথা উকৰাই দি বৰুৱাই ক'লে। শেষত শইকীয়াই বৰুৱাক কথাটো প্ৰত্যয় নিয়াবলৈ ভালকৈ বুজাই দিলে। কলে—

মোৰ এজন বন্ধু আছে। তেওঁ ডাক্তৰ আমাৰ দুয়োজনৰ মাজত মাজে মাজে কিবাকিবি আলোচনা হয়। এদিন আলোচনাৰ মাজতে দেশৰ জন-সংখ্যাৰ বৃদ্ধিৰ সমস্যাটো ওলাই পৰিল। আলোচনাৰ অন্তত তেওঁ ক'লে -- "আজি কালি জন্মবোধ কৰিব পাৰি। বিজ্ঞানে তাৰ সমিধান উলিয়াইছে। গতিকে দেশৰ সমস্যালৈ চাই আৰু নিজৰ সন্তানৰ ভবিষ্যৎ মঙ্গলৰ কাৰণে প্ৰত্যেকেই জন্মবোধ ব্যৱস্থা হাতত লোৱা উচিত। উপযুক্ত সন্তান এটা বা দুটা হলেই যথেষ্ট। শেষত মোবো পৰিবাৰৰ জন্ম-ৰোধ কৰিবলৈ বন্ধু ডাক্তৰ কলিতাই টানি অনুৰোধ জনালে। মই ঘৰত গৈ সন্ধিয়া ভাত পানী খাই কথাটো পৰিবাৰক কলো হে'ৰা আমাৰটো দুজন ল'ৰা-ছোৱালী হলেই, গতিকে তুমি জন্মবোধ কৰিবলৈ সক্ষম হবানে, তেওঁ দেখোন জন্মবোধ কৰিবলৈ সক্ষম হ'ল। সেয়ে যোৱা কালি কৰি পেলালে।

বৰুৱাই অন্য মনস্ক হৈ সুধিলে—

এতিয়া আপোনাৰ ল'ৰা-ছোৱালী কিমান?

দুটা, এজন ল'ৰা আৰু এজনী ছোৱালী। হাঁহি হাঁহি শইকীয়াই ক'লে।

চাওঁক বৰুৱা, আমি যদি এপাল ল'ৰা-ছোৱালী জন্ম দি সিহঁতক ঠিকমতে খুৱাব নোৱাৰো, পিন্ধাব নোৱাৰো, পঢ়াই-শুনাই উপযুক্ত কৰি গঢ়ি তুলিব নোৱাৰো, তেতিয়া হলে জন্ম দিলেই বা লাভ কি? সেইটো নকৰি যদি আমি এটা বা দুটা সন্তান জন্ম দি সিহঁতক উপযুক্ত কৰি গঢ়ি তুলিব পাৰো সেয়ে যথেষ্ট, তাতেই আমি সন্তুষ্ট হোৱা উচিত। এটা বা দুটা ল'ৰা-ছোৱালী জন্ম দিয়েই যদি আমি জন্মৰোধ কৰো, তেনেহলে ল'ৰা-ছোৱালী হালৰো মঙ্গল আমাৰো মঙ্গল। আপোনাৰ বোধহয় ছাৰিটা ল'ৰা-ছোৱালী। গতিকে আৰু বেছি আশা নকৰি পৰিবাৰক অপাৰেচন কৰি আনক। শইকীয়াই বৰুৱাক উৎসাহজনক বুজনি দি কলে—

বৰুৱাই কিন্তু শইকীয়াক অইন ধৰণে বুজালে। শইকীয়া— মানুহৰ জন্ম-মৃত্যু ভগবানৰ হাতত। আৰু পালনো কৰে ভগবানে। তেনেস্থলত জন্মৰোধ কৰি কি লাভ? তাৰোপৰি ভাগ্যত যি আছে সেয়া হ'বই।

বৰুৱাৰ কথাত শইকীয়া সন্তুষ্ট নহ'ল। দুনাই সেই বিষয়ে একো নকৈ শইকীয়া বৰুৱাৰ ওচৰৰ পৰা আতঁৰ হ'ল।

.... .... .... এইয়া আছিল বাইশ বছৰ আগৰ কথা। তেতিয়া বৰুৱাই শইকীয়াৰ কথাত গুৰুত্ব দিয়া নাছিল। জনসংখ্যা বৃদ্ধিৰ কথা আওঁকান কৰিছিল। সংসাৰৰ জটিলতাও বুজা নাছিল। পিছে এতিয়া বুজিছে। প্ৰত্যেক খোজতে উপলব্ধি কৰিছে, শইকীয়াৰ সেই ২২ বছৰ আগৰ উপদেশ মূলক উক্তি জন্ম-ৰোধৰ কথা।

জন্মৰোধ কৰাৰ কাৰণেই শইকীয়াই আজি নিজকে সুখী বুলি প্ৰতিপন্ন কৰিব পাৰিছে। দুখ কি, নাটনি কাক কয় তেওঁ হয়তো উপ-লব্ধিয়েই কৰা নাছিল। চিন্তা কি, ভাবনা কাক কয়, হয়তো শইকীয়াই নাজানেই। শইকীয়াৰ ল'ৰা জনে ওচৰৰে স্থানীয় কলেজ এখনত অধ্যাপনা কৰে, নাম শ্ৰীবাবুল শইকীয়া। ছোৱালী জনীৰ নাম তৰুলতা, ঘৰত বন্তি বুলি মাতে. তাইক বি, এ পাছ কৰাৰ পিছত উলি-য়াই দিছে, কোনোবা এজন ভাল ডেকালৈ। নিজৰ থকা ঘৰ কেইটা বেছ ধুনীয়াকৈ বান্ধিছে। এতিয়া গাড়ীও কিনিলে। নিজৰ স্বাস্থ্য অটুট ৰাখিছে। এতিয়া তেওঁ মহা সুখেৰে দিন নিয়াব লাগিছে। সেয়ে তেওঁ ধন্য।

কিন্তু বৰুৱা .... .... ....। বৰুৱা যে নিজেও সুখী হব পৰা নাই আৰু আনকো সুখ দিবলৈ অক্ষম। সাতটাকৈ ল'ৰা ছোৱালী জন্ম দি কি পাইছে এতিয়া তেওঁ। ভগবানে সকলো কাম সমাধা নকৰে। অভাৱ অনাটনে জুৰুলা কৰা সংসাৰত বৰুৱা ভাগৰি পৰিছে। যি পিনে চায় সেই পিনে পৰিলক্ষিত হয় এক ভয়া-বহ অন্ধকাৰ। বৰুৱা নিৰুপায়। তেখেত যেন পোতাশালৰ বন্দীহে।

এটা এটাকৈ ৭টা ল'ৰা ছোৱালীৰ তেখেত দেউতাক হ'ল। প্ৰথম অৱস্থাত ভালদৰে পৰিয়ালটি চলাইছিল যদিওঁ শেষত যেতিয়া আটাইকেইজন ডাঙৰ হ'ল, বৰুৱা সমস্যাত পৰিল। সংসাৰ ধৰ্ম্মৰ প্ৰতি তেখেতৰ বিৰাগ ভাব উপজিল। জীৱন সমুদ্ৰত তেওঁ উটিবুৰি ফুৰিব ধৰিলে। কোনো এটা কামেই তেওঁ নিয়াৰিকৈ কৰিব নোৱাৰা হ'ল।

ডাঙৰ ল'ৰা প্ৰবীণে H, S, S. L. C, পাছ কৰিয়েই এৰিলে। এৰাল নিদিয়া গৰুৰ দৰে কিছুদিন অ'ত ত'ত ঘুৰি ফুৰি শেষত সি খাটি খুটি ওচৰৰে এম্ ভি স্কুল এখনত চকিদাৰি কৰিলে। দৰমহা মাত্ৰ ১০০'০০ টকা (এশ টকা)। দ্বিতীয় সন্তান মনি মালাই স্নাতক-লৈ পঢ়িছিল কিন্তু শেষ পৰীক্ষা দিব নোৱাৰিলে।

পোহৰৰ প্ৰতি তাইৰ বিতৃষ্ণা উপজিল এন্ধাৰহে ভাল পোৱা হ'ল তাই। দিনক দিনে মালা শুকাই যাব ধৰিলে ।

তৃতীয় সন্তান চক্ৰই মেট্ৰিক পাছ কৰিব নোৱাৰি ডাঢ়িয়ে গোফে ভোবোকাৰ হৈ যলৈ তলৈ যাব ধৰিলে। ক'ত খায় ক'ত থাকে তাৰ একো ঠিকনা নাই। চতুৰ্থ ল'ৰা সেৱক সিওঁ মেট্ৰিক দিব নোৱাৰি মহানগৰীৰ চাহ হোটেল এখনত জোঠা গিলাচ, কাপ ধোৱাকৈ থাকিবলৈ ললে। পঞ্চম ছোৱালী জনীয়ে দশম মান শ্ৰেণীতে পঢ়া শেষ কৰি নাৰ্চিং শিকিবলৈ গৈ নাৰ্চ হ'ল। তাইৰ নাম জোনালী। ষষ্ঠ-সপ্তম দুজনে পঢ়ো-নপঢ়ো, যাওঁ নাযাওঁকৈ স্কুললৈ অহা-যোৱা কৰি আছে ।

ডাঙৰ ল'ৰা জন অৱশ্যে বৰ বুজন ল'ৰা। সি কিবা কিবিকৈ ঘৰখনক মৃত অৱস্থাৰ পৰা মুক্ত কৰিবৰ চেষ্টা কৰিছে। তাৰো পৰি নাৰ্চ কাম কৰা তৰুইয়ো, জোনালীয়ো ১০/২০ টকা দি সহায় কৰি আছে ।

"দেউতা চাহ খাওঁক"

মালাৰ মাতত বকুৱাই চকু দুটা ওপৰলৈ তুলি মালাৰ মুখলৈ চালে। কিছু সময় মালাৰ মুখৰ ফালে চাই থাকি বকুৱা যেন থমকি উঠিল। বকুৱাই যেন আজি এটা নতুন কথা উপলব্ধি কৰিলে। তেওঁৰ প্ৰাণে হাহাঁকাৰ কৰি উঠিল, মালাৰ চুলিটাৰি আৰু ফটা ব্লাউজ পিন্ধি থকা যেন দেখি। বকুৱাৰ অন্তৰাত্মাই কান্দি দিলে। চকু দুটা জীয়েকৰ মুখ মণ্ডলৰ পৰা নমাই আনি তেওঁ বহাৰ পৰা উঠিল। লাহে লাহে কাপোৰ থোৱা আলনা ডালৰ ওচৰ চাপি পাঞ্জাবীটোৰ জেপত হাতখন সোমাই শইকীয়াই ঔষধ কিনিবলৈ দিয়া টকা বিশটা উলিয়াই আনিলে। তেওঁ মালাৰ আগত সেই টকা বিশটা দাঙি ধৰিলে।

"মা এই পইচা খিনি ল।"

দেউতাকে অৱসৰ লোৱাৰ প্ৰায় এবছৰ মান পিচৰ পৰা মালাক তেখেতে কোনো দিন পইচা যঁচা তাইৰ মনত নাই। মালা আচৰিত হৈ—

'দেউতা, পইচা খিনি কি কৰিম ?'

বকুৱাই মালাৰ ভিতৰৰ মানুহজনীক ভাল দৰে চিনি পায়, আৰু বুজে— ॥

"তই এটা ব্লাউজ আৰু নাৰিকল তেলৰ টেমা এটা কিনি লবি মা।" বকুৱাৰ মাতটো অলপ কঁপিছিল ।

মালাই এবাৰ দেউতাকৰ পিনে এবাৰ টকা খিনিৰ ফালে চালে। ইতিমধ্যে তাইৰ চকু দুটা সেমেকি উঠিছিল। শেষত তাই কঁপা কঁপা হাতখনেৰে পইচা খিনি লৈ একে কোবেই দেউতাকৰ ওচৰৰ পৰা আতঁৰি গ'ল। তাই গৈয়েই বিচনা খনত পৰি গাৰু এটা মুখত লৈ কান্দিব ধৰিলে ।

বকুৱাই জীয়েক যোৱাৰ পিনে চাই থাকিল। তেখেতৰ কাঁহটোৱে আকৌ উক দিলে। কাঁহি কাঁহি মানুহজন অস্থিৰ হৈ পৰিল। স্থিৰেৰে থাকিব নোৱাৰি তেওঁ কোনোমতে আকৌ চকীখনত বহি পৰিল। ※●※

# উদ্ঘাটন



শ্ৰীপৰমানন্দ ৰাজবংশী
(প্ৰাক্তন ছাত্ৰ)

চকুপচাৰতে চোতালৰ দাঁতিৰ বাঁহৰ তাঁৰত মেলি দিয়া শুকোৱা গামোছাখন লৈ আছাৰ আলিয়ে খোজ ললে।

কিছু সময় ধৰি ব্যতিব্যস্ত কৰা মুছলিম পাৰাৰ জুমটোৱে মন্ত্ৰমুগ্ধ সাপৰ দৰে আছাৰ আলিৰ পিছে পিছে আহি থাকিল। মন্দিৰত শঙ্খ-ঘণ্টা ধ্বনি বাজি উঠাৰ পিছত বিৰাজ কৰা নিস্তব্ধতাৰ দৰে গাওঁখনিৰ মানুহবোৰে যেন নিতাল মাৰিলে। কোনো-কোনোৱে নিজৰ ঘৰৰ পদুলি মুখলৈ আগবাঢ়ি আহি সমুখেৰে পাৰ হৈ যোৱা জুমটোলৈ কৌতুহলেৰে চালে।

জুমটোৰ প্ৰত্যেকৰ হাতে হাতে হুলাবাৰী, বাংকা, দা-কুঠাৰ, লাঠী-জোং আদিৰ এবিধ নহয় এবিধ। ডাঠ সেউজীয়া লুঙী, বগা গেঞ্জী আৰু কান্ধত গামোছাখন মাত্ৰ লৈ আছাৰ আলিয়ে ধীৰ পদক্ষেপেৰে আগুৱাই গৈ থাকিল। চাবোনৰ ফেনৰ দৰে পকা দাড়ি-চুলি, পিতলৰ ফ্ৰেম লগোৱা চশ্‌মা আৰু কান্ধত গামোছাখনেৰে তেওঁৰ স্বভাৱজাত ব্যক্তিত্ব আপোনা-আপুনি ফুটি উঠিছে।

অলপ আগবাঢ়িলেই দলনিৰ পথাৰখন। পথাৰখন পাৰ হলেই তিনি আলি চ'কটো। এই চকতেই ঘটিছে ঘটনাটো।

ঃ বুইছ খবীৰ, এইদৰে সম্প্ৰীতি-চম্প্ৰীতি সহ্য কৰি থাকিলে নহব। ছুচমন পালেই হালাল কৰি দিব লাগে।

আছাৰ আলিয়ে বাওঁপিনে ঘূৰি চালে। আৰিদে কথাখিনি কৈয়েই বাটৰ কাষতে থকা ওখ কঁচু কেইডালমান হাতৰ দা-খনেৰে কাটি পেলালে। ফট্-ফট্ শব্দ কৰি সেই ঠাইৰ পৰা কিবা উৰি গ'ল। বোধহয় ফৰিং। আছাৰ আলিয়ে ধাৰণা কৰিলে।

দলনিব এই সৰু পথাৰৰ সোঁমাজৰ পৰা বহমৎ আৰু কলিমুদ্দিনে নিজৰ নিজৰ ধান কাটি নিয়াত পথাৰখন মাজত চুলি নথকা সৰ্ব্বানন্দ মাষ্টৰৰ মূৰটোৰ দৰে লাগিছে। ধান বোৰ ভালদৰে পকিব নোপাওঁতেই সিহঁতে ধান কাটি চপালে। উপায়ো নাই সিহঁতৰ। এসাজ খাই আন সাজ লঘোণে থকা পেটে সহ্য নকৰে। তেনেদৰে ধান কাটি নি মৰণা মাৰি ধানবোৰ সিজাই ব'দত মেলি দি চাউল কৰিব। এইদৰেই পেটৰ খজুৱতি মাৰিব। কেঁচা নৰানি বাবে আছাৰে বাতিপুৱাই ঘৰৰ গৰুহালক দৰৱ দিবলৈ আহিছিল। উদ্বিগ্নচিত্তে ঘৰলৈ উভতি আহি পুঁৱতী নিশা ঘটি যোৱা দুৰ্ঘটনাটোৰ বিষয়ে ভাবি থাকোতেই মুছলিম পাৰাৰ এই উত্তেজিত জুমটো তেখেতৰ ঘৰ পাইছিলহি। ঘটনাটোৰ বাবে হিন্দুপাৰাৰ মানুহখিনিৰ ওপৰত বিহিত ব্যৱস্থা নললে পৰিস্থিতি বেয়া হব। এয়া জুমটোৰ হুম্‌কি।

আছাৰ আলিয়ে মন কৰিলে জুমটোৱে প্ৰকাৰান্তৰে তেওঁক তাচ্ছিল্য কৰিবৰ বাবে, ব্যংগ কৰিবৰ বাবেহে যেন আহিছে। তেওঁ ধৈৰ্য্যৰে সিহঁতৰ কথাবোৰ মন দি শুনিলে। ছবছৰ ধৰি সিহঁতে বহুত সহ্য কৰিছে। এইবাৰ নসহে। বিধৰ্মী বুলি হেন্দুই কিয় তেনে ঘটনা ঘটাব। যোৱা নিৰ্ব্বাচনৰদৰে এইবাৰো মুছলমানক বধ কৰিবলৈ পাঙিছে। সিহঁত কাফেৰ নহয়। একমাত্ৰ আছাৰ আলিৰ বাবেহে হিন্দুপাৰাৰ মানুহখিনি ইমান দিনে পাত্তা পাই আছে। কেৱল সম্প্ৰীতি কৰি থকা আছাৰ আলিয়ে এইমুহূৰ্ত্তে নিজে গৈ চাই আহিব লাগে ঘটনাটো। আৰু এই ঘটনাৰ বাবে হিন্দু পাৰাৰ মানুহখিনিৰ ওপৰত বিহিত ব্যৱস্থা হাতত নললে মহাসমৰ হব। এক্‌নাই হেন্দু থাকিব এই ঠাইত, নহলে সিহঁত থাকিব।

মাজ চোতালতে থিয়ৈ-থিয়ৈ আছাৰে কথাখিনি শুনিলে। ভাত খাবলৈ মাতিবলৈ বুলি আগবাঢ়ি অহা একমাত্ৰ জী ফাতেমাই হঠাৎ মানুহৰ জুমটো দেখি পিছুৱাই গৈ বৰঘৰৰ বাৰান্দাৰ খুটা এটিত কুচি-মুচি সাৰুটি সংশয়-নেত্ৰে তেওঁলৈকে চাই আছে। মুখেৰে কোনো শব্দ উচ্চাৰণ নকৰি আছাৰ আলিয়ে চকুৰ পচাৰতে চোতালৰ বাঁহৰ তাৰত মেলি দিয়া শুকুৱা গামোছাখন টান মাৰোতে বহি থকা বগা পাৰ চৰাইটো নিজ বাঁহলৈ বুলি খপজপ্‌কৈ উৰি গ'ল। পাৰটোলৈ এবাৰ চাই আছাৰ আলিয়ে খোজ লৈছিল।

ৰাতিপুৱা গৰু দৰৱ দিবলৈ আহি হিন্দু পাৰাৰ কোনো এজনকো লগ নাপাই আছাৰ আলিয়ে ঘটনাৰ প্ৰতিক্ৰিয়াৰ গভীৰতা বুজি পাইছিল। কালি পুৱা এই ঠাই ডোখৰতেই গৰু দৰৱ দিবলৈ অহা সৰ্ব্বানন্দ মাষ্টৰ, যজ্ঞোৰাম আৰু সনাতনক পাইছিল এইবেলি নিৰ্বাচনত কাক ভোট দিব লাগিব, এই সময় চোৱাত যাতে কোনো কপটিয়াই বেয়া পৰিস্থিতিৰ সৃষ্টি

কৰিব নোৱাৰে, অঞ্চলটোৰ সকলোবোৰ মানুহেই যাতে ভোট দিবলৈ আহে, কোনো দলে যাতে আগৰ দৰে টকা, কম্বল যঁাচি ভোট কিনিব নোৱাৰে ইত্যাদি কথাবোৰ আছাৰ আলিয়ে সিহঁতকৰ লগত আলোচনা কৰিছিল। আবেলিও একেদৰে দলনিৰ আহঁতৰ তলত বহি সৰ্ব্বানন্দ মাষ্টৰৰ লগত নিৰ্বাচনৰ কথাকে পাতিছিল।

মাজতে ৰাতিটো। দোভাগ ৰাতি কোনোবাই ঘটালে অঘটনটো। মুছলিমপাৰাৰ মানুহে হিন্দুপাৰাৰ মানুহখিনিক সন্দেহ কৰিবই। কাৰণ ঘটনাটো ঘটিছে হিন্দুপাৰাত থকা মুছলমানৰ দোকানত। কেইটামান চাহপাতৰ বাকচত চেনী, চাহপাত, দালি আদি অত্যাৱশ্যকীয় যৎ-সামান্য বয়-বস্তুৰে বদৰুদ্দিনে দোকানখন আৰম্ভ কৰিছিল। দোপতদোপে বুধিয়ক বদৰুৱে দোকানৰ মোট সলাই পেলালে। টিনৰ চালি ঘৰ, প্ৰকাণ্ড আলমাৰী, ৰেক আদিৰে বিভিন্ন লাগতিয়াল সামগ্ৰী ঠাহ খুৱাই পেলালে। ওচৰৰ চহৰলৈ গৈ জীৱন বীমা নিগমত দোকানখন অন্তৰ্ভুক্ত কৰালে। তাৰ দোকানতেই ঘটিছে ঘটনাটো।

পথাৰখন কিবা উকা উকা যেন লাগিছে। বতৰটোও বৰ পৰিষ্কাৰ নহয়। ডাঠ ধোঁৱাৰ দৰে মেঘবোৰে বেলিটোক দিগদাৰ দি আছে। এজাক সেৰেঙা বতাহ আছাৰ আলিৰ গাত লাগিল। নাতিদূৰৈৰ বাকৰণিত গাই এজনীয়ে বলধ এটাৰ গলধন চেলেকি মৰম কৰি আছে। দৰখ দিয়া গাইজনী বকুতুল্লৰ, বলধটো সনাতনৰ।

ঘটনাস্থলি পাবলৈ আৰু মাত্ৰ আধা ফাৰ্লংমান বাকী। আছাৰ আলিয়ে দেখিলে এতিয়াও সেই ঠাই টুকুৰাৰ পৰা পাতলকৈ ধোঁৱা ওলায়েই আছে। তেওঁ পোনে পোনে খোজ ললে। হঠাৎ সমুখত সাপ দেখি থমকি ৰোৱাৰ দৰে ঘটনাস্থলিৰ কাষতে সৰ্বানন্দ মাষ্টৰ সমথিতে হিন্দুপাৰাৰ জুমটো দেখি আছাৰ আলি খন্তেক বৈ পুনৰ খোজ ললে। ইঞ্জিনটো বৈ যোৱাৰ পিছত ৰেল গাড়ীৰ পিছৰ ডবাবোৰো অনুক্ৰমে একো-একোটা শব্দ কৰি থমকি ৰোৱাৰ দৰে আছাৰ আলিৰ লগতে মুছলিম পাৰাৰ জুমটোৱে খন্তেক বৈ পুনৰ খোজ দিলে। সমুখত সৰ্বানন্দ মাষ্টৰ আৰু জুমটোলৈ দৃষ্টি পেলায় আছাৰ আলিয়ে এবাৰ উভটি চালে। পিছে পিছে আহি থকা জুমটোৰ প্ৰত্যেকৰে যেন হাতৰ মুঠি টান হৈছে।

সৰ্বানন্দ মাষ্টৰৰ পিছে পিছে হিন্দুপাৰাৰ জুমটোও ক্ৰমাৎ আগুৱাই আহিছে। মুছলিম পাৰাৰ জুমটোৰ ইটোৱে-সিটোৰ মুখলৈ প্ৰশ্নবোধক দৃষ্টিৰে চাই সমুখৰ জুমটোলৈ এক অগ্নি—দৃষ্টি নিক্ষেপ কৰি ক্ৰমাৎ আগুৱাই আহি থাকিল।

ঃ ভায়া !

সৰ্বানন্দ মাষ্টৰৰ সম্বোধনত আছাৰ আলি পুনৰ থমকি ৰ'ল।

যেন নিস্তব্ধ হৈ থকা পুখুৰীৰ পানীত কোনোবাই গধুৰ বস্তু দলিয়াই দিলে।

ঃ আমি তোমালোকে বাটচাই আছোঁ। হিন্দুপাৰাৰ মানুহখিনিয়ে এই ঘটনাৰ বাবে চৰম আঘাত পাইছে।

সৰ্বানন্দ মাষ্টৰ খৰখেদাকৈ আগবাঢ়ি ওচৰ চাপিল। আছাৰ আলিয়ে একো প্ৰত্যুত্তৰ নিদিলে। তেওঁ চিধাই ঘটনাস্থলিলৈ আগবাঢ়িল।

এক অস্বাভাৱিক গোন্ধ আটাইৰে নাকত লাগিল। গেলামালৰ দোকান বাবেই এই গোন্ধৰ সৃষ্টি হৈছে। আছাৰ আলিয়ে তন্ন-তন্নকৈ ঘটনাস্থলিৰ বিভিন্ন দিশ নিৰীক্ষণ কৰিলে। দুই এডাল কাঠৰ আঙঠাৰ পৰা পাতল ধোৱা ওলাইয়েই আছে। আলমাৰী, ৰেক আদিত ঠাহ খাই থকা বস্তুবোৰেবে জুই-কুৰা হঠাৎ নুবাব নেলাগিছিল। ইতিমধ্যে হিন্দুপাৰাৰ মানুহখিনিয়ে অশেষ কষ্ট কৰি দোকানৰ জুই আধাতে নুমাইছে। পোৰাৰ চিন নথকা দোকানৰ কিছুমান বস্তুৰ অভাৱ দেখি আছাৰ আলিয়ে ক্ৰমাৎ এফালৰ পৰা দৃষ্টি নিক্ষেপ কৰিলে। হঠাৎ আন এঠাইত তেওঁৰ দৃষ্টি স্থিৰ হৈ বৈ গ'ল। বদৰুদ্দিনে তললৈ মুৰ কৰি থিয় হৈ আছিল। ওচৰতে মুছলিম পাৰাৰ কেইজনমান লোক। আছাৰ আলিলৈ আটায়ে লক্ষ্য কৰিলে। বদৰুদ্দিনেও সংকোচ ভাৱেৰে চালে। দেখিলে আছাৰ আলিয়ে তাৰপিনেই চাই আছে। সি ভয়ে ভয়ে আগবাঢ়িল

ধীৰ অথচ গভীৰস্বৰে আছাৰ আলিয়ে কলে, ঃ তই মোৰ লগত আহি থাক।

অনুসন্ধিৎসুভাৱে ইটোৱে সিটোৰ মুখলৈ চাই মুছলিমপাৰাৰ জুমটো, পৰিশেষত সিহঁতৰ পিছে পিছে হিন্দুপাৰাৰ জুমটোৱে আছাৰ আলিক অনুসৰণ কৰিলে।

এটা কেঁকুৰি পাৰ হলেই বকুল গছ জোপা। তাৰ দাঁতিতেই বদৰুদ্দিনৰ ঘৰটো। চিধাই বদৰুদ্দিনৰ ঘৰৰ চোতালত আহি আছাৰ আলি থিয় হ'ল। বেঙে মুতা গৰুৰ দৰে বদৰুদ্দিনৰ অৱস্থা। ৰৰঘৰৰ দুৱাৰ খন বাহিৰৰ পৰা লাহেকৈ ঠেলি দি আছাৰ আলিয়ে খন্তেক সময় ভিতৰলৈ জুমি চালে। তাৰ পিছত দুৱাৰখন ভালদৰে মেলি দিলে।

চোতালৰ পৰা ৰাইজে দেখিলে বদৰুদ্দিনৰ ঘৰৰ ভিতৰ চিনাকী আলমাৰী, ৰেক আৰু অন্যান্য বয়-বস্তুৰে ঠাহ খাই আছে।

দুৱাৰ মুখৰ পৰাই আছাৰ আলিয়ে ৰাইজলৈ চাই কলে, এই বদৰুৰ প্ৰতি মোৰ আগৰে পৰাই সন্দেহ আছিল। পোৰা ঠাইত আলমাৰী, ৰেক আদিৰ চিনচাব নেদেখি এই সন্দেহ দৃঢ় হ'ল। ই কোনোবা ৰাজনৈতিক দলৰ দালালৰ টকা খাই নিজৰ দোকানত নিজে জুই দিছে।

যেন ওখ গছৰ পৰা এটা প্ৰকাণ্ড কঠালহে চিঙি পৰিল।

আছাৰ আলিয়ে নিজৰ ভৰি পথানলৈ চাই দেখিলে জৱাই কৰিবলৈ অনা গৰুটোৰ দৰে হাত দুখন পিছপিনে বন্ধাৱস্থাত বদৰুদ্দিন উবুৰি খাই পৰি আছে।

ক্ৰমাৎ বদৰুদ্দিনক লক্ষ্য কৰি ওচৰ চাপি অহা মুছলিমপাৰাৰ জুমটোৰ প্ৰত্যেকৰে হাতত থকা দা-কুঠাৰ, হুলাবাৰী, বাংকা, লাঠী, জোং-বোৰ হঠাৎ দাংখাই উঠিল আকাশৰ ওপৰলৈ।

—ঃ ✳ ঃ—

# আৰোহণ

শ্ৰীগজেন্দ্ৰমোহন দেৱ শৰ্ম্মা
প্ৰাক্তন ছাত্ৰ

এই এই উঠিল, উঠিল............নাঃ একেবাৰে তললৈ সৰি পৰিল। বেচমৰ দৰে মিহি সূতাডাল চিঙিয়েই থাকিল নেকি! আকৌ সেই একে কথাৰে পুনৰাবৃত্তি। অলপ উঠে, অলপ নামে। সকলো শক্তিৰে যুঁজিছে মকৰাটোৱে।

কাজলে চাই থাকিব নোৱাৰিলে, মকৰাটো ক্ৰমাৎ ওপৰলৈ গৈ থাকিলে কিবা ভাল লাগে, কিন্তু লক্ষ্যস্থান এই পায় এই পায় অৱস্থাত যেতিয়া তললৈ সৰি পৰে অসহ্য লাগে, বুকুখন তাৰ মোচৰ খাই উঠে। দুৰ্ভগীয়া মকৰাটোক নিজৰ স'তে তুলনা কৰি চায় সি। আৰু কেইটামান দৃশ্যৰ দৰে এই দৃশ্যটোও সি চাই থাকিব নোৱাৰে।

চাহ-দোকানখনৰ চুকটোৰ পৰা সি চকু আঁতৰাই আনিলে। সমুখত ব্যস্ত পথ, দ্ৰুত-গতিত পাৰ হৈ যোৱা অগণন যান-বাহন, আৰোহীৰ মুখাবয়বৰ কিছুমান তাৎক্ষণিক পাৰ্শ্বীয় ছবি, একাধিক শব্দ-তৰংগযুক্ত হৰ্ণ একেলগে বাজি উঠা এক কৰ্কশ শব্দ, গেলা গৰম, সূৰ্য্যটো যেন খহি পৰিছে। ঠিক তাৰ চকুৰ আগৰ ষ্ট'পেজত ৰৈ যোৱা চিটিবাছৰ ফুটবৰ্'ডত ওলমি এজাক ল'ৰাৰ লৰা-ঢপৰা, হেন্দিমেনৰ দুই-এটা কাণফলা চিঞৰ, ভিতৰত যাত্ৰীৰ ঠেলা-হেচা, হৈ চৈ, খিৰিকীৰ কণমান স্থকভাৱে দৃশ্যমান কোনো দণ্ডায়মানা ভদ্ৰ মহিলা, মুখমণ্ডলত বিৰক্তিৰ ছাপ সুস্পষ্ট, নাকত ৰুমাল, বোধহয় ঘামৰ আৰু প্ৰসাধনৰ মিশ্ৰিত এক অস্বস্তিকৰ গোন্ধ বাছৰ ভিতৰত বিয়পি পৰিছে, বহিবলৈ সুবিধা পোৱা তপামুৰীয়াজনৰ বাহিৰলৈ চাই থকা নিৰ্ভাৱ মুখ, যেন এই অসহ্য পৰিস্থিতি তেওঁৰ সম্পূৰ্ণ অজ্ঞাত।

মকৰা এটাৰ এনেকুৱা ঘটনাকে দেখি কোনোৱা বজাই সেনাপতিয়ে মনোবল ঘূৰাই আনি হেৰোৱা ৰাজ্য শত্ৰুৰ কবলৰ পৰা উদ্ধাৰ কৰিছিল হেনো। হাঁহি উঠে তাৰ— বহুতো বন্ধু, আত্মীয়ই যেতিয়া সেইডাল উদাহৰণকে শুনাবলৈ আহে। কৰ্ম-সংস্থান নথকা মানুহ মাত্ৰকেই অজ্ঞ বুলি ধৰি লোৱাটো বহুতৰ এটা অভ্যাসত পৰিণত হৈছে। আনকি সাধাৰণ ভদ্ৰতাখিনিবো কৃপণালি কৰে। মোটা

উপাৰ্জন থকা সকলৰ ক্ষেত্ৰতহে তেখেতসবে ভদ্ৰতা নামৰ আপুৰুগীয়া বস্তুটো বিনিময় কৰিব খোজে।

এজাত উপকাৰী প্ৰাণীয়ে আকৌ হিতাকাংখী চেলাই তাৰ অভিব্যক্তি লক্ষ্য নকৰাকৈ কেৱল গাই যায়, যেন তেওঁলোকে নিজহাতেৰে তাক ডাঙিহে ধৰি আছে। উপদেশবোৰ থু ওলাই অহাকৈ তিতা লাগে তাৰ। তেওঁলোকে নিজে যি কৰে কৰি থাকক, আনৰ শান্তিকণ ব্যাহত কৰিবলৈ কিয় আহে বুজা নাযায়, সিতো কাৰো ব্যক্তিগত কথাত হাত দিবলৈ যোৱা নাই।

ইকাষৰ পদপথেৰে পাৰ হৈ যোৱা এদল ল'ৰা-ছোৱালীৰ, বোধহয় কলেজীয়া, মুখৰ পৰা সৰি বৈছে উত্তাল হাঁহিৰ টুকুৰা, কাৰ্ডবৰ্ডত সজাই লটাৰী টিকেট বেচি ফুৰা বঙালী কোৱা ল'ৰাটোৱে চিকাৰী চুচকুৰে ইফাল সিফাল কৰিছে, তিৰবত চাবোন কাঠৰ বাকচ এটাৰ ওপৰত দিয়া তামোল-পানৰ দোকানত ওলোমাই থোৱা ৰচীৰ জুইত চৈধ্য কি পোন্ধৰ বছৰীয়া ল'ৰা এটাই মুখৰ চিগাৰেট গুজিছে।

সিফালৰ পদপথত খোজকাঢ়ি জীৰ্ণ ধুতি-কামিজেৰে ক্ষীণকায় লেংলেঙীয়া এজন যুৱক, পাছে পাছে কপাহী মেখেলা-চাদৰ পৰিহিতা কপালত ডাঙৰকৈ সেন্দুৰৰ ফোঁটটিৰে এজনী তিৰোতা, সম্ভৱ ঘৈণীয়েক, এহাতত কাপোৰেৰে মেৰিওৱা এটা টোপোলা ইহাতৰ এটা আঙুলিত ধৰি ছয় সাত বছৰীয়া এটা পেটুৱা ল'ৰা, তাৰ হাত এখন পট্‌লুঙটো অনবৰত কঁকালৰ ওপৰলৈ টানি ধৰাত ব্যস্ত, সি তিৰোতাগৰাকীক কিজানি মাক, কিবা এটা সুধি গৈছে। মাক অন্য মনস্কা, দৃশ্যপটত পিতৃ-পত্নী-পুত্ৰৰ যেন খাপছাড়া আবিৰ্ভাব।

আনে তাক উপদেশ দি ঘৰিয়ালৰ চকুপানী টোকাৰ কোনো প্ৰয়োজন নাই সি বহুত কাহিনী পঢ়িছে, সংস্থানহীন যুৱক-যুৱতীৰ মানসিক অন্তৰ্দ্বন্দ্বৰ বৰ্ণনাৰে বহুত দেশী-বিদেশী গল্প উপন্যাস হজম কৰিছে, বাস্তৱত দেখিছে, উপলব্ধি কৰিছে, আটাইতকৈ ডাঙৰ কথা সি এটা দীৰ্ঘদিনীয়া বেকাৰ, সি নিজেই এটা গল্প বা এখন উপন্যাস।

চাহ দিব নেকি চাহ দোকানৰ ল'ৰা অপুৱে অপ্ৰয়োজনীয়ভাবে এবাৰ সুধি গ'ল।

হোটেলৰ ভিতৰত গিলাচ-পিৰিচ-পিয়লা-চামুচৰ ঘৰ্ষণৰ ফলত উদ্ভৱ হোৱা টুং-টাং এক চিনাকী বিজতৰীয়া শব্দ, মেনেজাৰ অক্ষয় দাসৰ ৰেডিঅ'ত হাই ভলিউমেৰে অষ্ট্ৰেলিয়া বনাম ভাৰত ক্ৰিকেট টেষ্টৰ চলন্ত বিৱৰণী, সেই শব্দক অতিক্ৰম কৰি তেওঁৰ নিৰ্দ্দেশজাতীয় দুই এটা চিঞৰ এই সকলো কোলাহল মিলি এক ভীষণ নৈশব্দ, য'ত কাজলে কোনো মুছাফিৰৰ দৰে নিজকে উটাই দি কিছুসময়ৰ বাবে হলেও নিৰ্লিপ্ত অনুভৱ কৰিছে।

হেই ফিল'ছফাৰ কি কৰিছ ?

কাজলে মূৰ তুলি চালে। তাৰ ফালে আগুৱাই আহিছে ফ্রেন্স কায়দাত ৰখা দাড়িৰে হাঁহিপূর্ণ এখন মুখ। মুখখন আৰু ওচৰ চাপিল, হাঁহিৰ ঢৌ কিছু মাৰ গৈছে, ঠিক তেতিয়াই কাজলে চিনি পেলালে।

আৰে তুহিন! অস্পষ্ট দুটা শব্দ কাজলে উচ্চাৰণ কৰিলে। আজি সি তাক পেঞ্চিল বুলি মাতিব নোৱাৰিলে, সিহঁত গোটেইকিটাৰ ভিতৰত আটাইতকৈ খগী আছিল বাবে মৰমতে দিয়া নাম, বহুদিনৰ বিৰতিৰ বাবে জন্মা কিবা এটাই বাধা দিলে, বোধহয় সৌজন্যবোধ। খীণ যদিও তুহিনে বৰ চোকেৰে কথা কৈছিল। দুর্নীতিৰ বিৰুদ্ধে কওঁতে তাৰ চকুদুটা অসম্ভৱ ৰঙা পৰি গৈছিল, শোষিত-দৰিদ্ৰ মানুহৰ কথা কৈ থাকোতে চকুহালে কান্দো কান্দো কৰিছিল।

কাজলে তাৰ ফালে চালে। গোটেই গাটো মঙহেৰে ভৰি পৰিছে। তাহানিৰ পেঞ্চিল। দামী কাপোৰ পিন্ধিছে। বৰ ধুনীয়াকৈ হঁহিছে।

তুহিন যোগান বিভাগৰ চাকৰিত সোমাইছিল। সি চাহৰ অৰ্ডাৰ দিলে।

দৰ্মহাৰ পইচাকেটা মাৰ গুলী, বাহিৰা বেছি। সি কথাৰ মাজতে ক'লে।

তই বৰ খীণাইছ বে। বদ্ধ বয়সীয়া দেখাইছে। কি চিন্তা কৰি থাক ধূৎ। মোৰ তালৈ যাবি।

সি তাৰ ঘৰৰ অবস্থানটো বুজাই দি উঠি ক'লে—মস্ত ঘৰ লৈছোঁ। টি, ভিতো বাদেই, ব্লু চাৰ পাবিবি। যি মন যায় ড্রিংক কৰিবি।

অ' তই······ ······ ······ঠিক আছে, অভ্যাস কৰিবি। এনজয় কৰিব লাগে বুজিছ। দেওবাৰে যাবি। প্ৰতি দেওবাৰে নতুন নতুন নীলা স্বৰ্গ। অকলে থাকোঁ, বুজিছাতো?

যি বেঁকাকৈ হাঁহিলে ঠিক আগৰ দৰেই হাঁহিটো, মাত্ৰ মুখত মঙহ বেছি হোৱাৰ বাবে কেইডালমান ৰেখা অলপ বেলেগ হৈছে। ৰহস্য থাকিলে সি এনেকৈ হাঁহে।

অলপ এনজয়মেণ্ট তয়ো লৈ আহিবি। তুহিন গুছি গ'ল। কাজলে ভাবিলে ল'ৰাটো বৰ ভাল আছিল, মাৰ্ক্সবাদৰ কথা কৈছিল।

বিশ্ববিদ্যালয়ে ডিঙিত আঁৰি দিয়া ভালুকৰ সাঙি ডিগ্ৰীটোৰে সিহঁত আছিল একোটা বেকাৰ। দিনটোৰ এটা সময়ত এই হোটেল-খনত আটাইকেজন লগ হৈছিল, ভাব বিনিময় কৰিছিল, ইজনে সিজনৰ দুখত গলাগলি কৰিছিল, আলোচনাৰ বিষয়ৰ শেষ নাছিল।

ট্ৰেজাৰী চালান নে পোষ্টেল অৰ্ডাৰ?

দহ টকাৰ? বাবা বে!

মুঠ তিনিটা পোষ্টৰ এটা বিজাৰ্ভড্।

পাচ বছৰৰ অভিজ্ঞতা? ধূৰ চাল্লা।

ডিৰেক্টৰেই মা-বাপ।

খুৱাব যা, ডিৰেক্টৰ নামতহে, কাম কৰিব নিনিষ্টাৰে।

এইবোৰ বৰ গতানুগতিক, দিনত দুবাৰকৈ গুৰু খাদ্য খোৱাৰ দৰে প্ৰাত্যহিক। যি

দৰে উকীল বুলিলে তেওঁ যে কাছাৰী-মোকৰ্দমা আচামী-ফৰিয়াদী আদিৰ এটা আবেষ্টনীৰ লগত জড়িত বুলি কোৱাটো নিষ্প্ৰয়োজন, বেকাৰ বুলি কলেই এইবোৰ সামৰি লয়।

মানুহবোৰৰ কি হ'ল? এই যে আত্ম-বিস্মৃত হৈ দৌলতৰ পিচত দৌৰিছে, ইজনক লেং মাৰি বগৰাই সিজন আগবাঢ়িব খুজিছে. ধস্তাধস্তি, ধৰ্মঘট, ধৰ্ণা, অগ্নিসংযোগ; ধৰ্মৰ বাবে ইজনে সিজনক গুলীয়াইছে ভাষাৰ বাবে এটা দল জপিয়াই পৰিছে আন এটা দলৰ ওপৰত।

সিদিনা অমুক চৌধুৰী হাতেলোতে ধৰা পৰিল।

সেই যে বুঢ়াজন?

জানো, জানো কাষৰ ভাড়াঘৰত থাকে দীঘল-নাকী ছোৱালীজনী।

হয় হয় ইণ্টাৰেষ্টিং বুইছ স্ক্ৰীণত খলনায়িকাৰ ৰূপত চৌধুৰীৰ পৰিবাৰ হাজিৰ হাতত উদ্যত বঠি!

চৌধুৰী শিক্ষক। চাকৰি কাল দুই কি তিনি বছৰ বাকী। যিকোনো ল'ৰা-ছোৱালীয়ে কথা পাতিলেই তেওঁ সন্দেহজনক গোন্ধ পায়। অবিবাহিত ডেকা-গাভৰুৰ মাজত যে নিৰ্বিশেষ বন্ধুত্ব থাকিব পাৰে সপোনতো ভাবিব নোৱাৰা বিধৰ লোক। নিজৰ স্বভাৱৰ ত্ৰুটি লব বাবে আনকো তেনে বুলিয়ে ভাবে।

দুৰ্গাপূজাৰ দশমী দেখিলি?

বাপ্ ৰে কি মানুহ!

ৰহ, মানুহ নহয়, চাউল।

অ' মূৰ্ত্তি লৈ ফুৰা গাড়ীবোৰৰ পৰা যে মানুহৰ গালৈ ছটিয়াইছিল।

গুৱাহাটীতে অলেখ টন গোটেই অসমত? ভাৰতত?

পূজা বুলিলেই প্ৰবল জনস্ৰোত: সৰস্বতী পূজাৰ বেদীৰ সমুখত মাইকৰ হিন্দী বা ইংৰাজী হিট গানৰ তালে তালে ছাত্ৰ বা অছাত্ৰৰ ডিস্ক' নে ফিস্ক' জাতীয় নাচোন। আধ্যাত্মিকতা? বিষ্ণুৰাভা সোঁৱৰণী সংগীত সন্ধিয়াত বাপেক, জীয়েক কলা বা বোবা হৈ থাকিবলগীয়া অশ্লীল চিঞৰ। চিনেমাৰ টিকেট কিনাৰ সময়ত মাৰপিট দেখিলে, পূজা-পৰবত ভিৰ দেখিলে মনতে নপৰে এইখন দেশতো আধাপেটী শুদাপেটী কোনোবা যে আছে। মানুহবোৰ ক'লৈ গৈ আছে?

খেতিৰ পথাৰত পানীৰ সলনি শুকান দলিচপৰা, শস্য গোটাবৰ সময়ত বানপানী এটা মহৰ কামোৰত মানুহ সিপুৰীলৈ গৈছে পৃথিৱী ধ্বংসৰ আশংকাসত্বেও নিতে নব পাৰ-মাণবিক গবেষণাত বিজ্ঞানীবোৰে আত্মনিয়োগ কৰিছে. গ্ৰহান্তৰ যুদ্ধৰ অবিৰাম আখৰা চলিছে. যিকোনো মুহূৰ্ত্তত কোনোবা চাৰ্চিল বা হিটলাৰৰ আবিৰ্ভাব হৈ যাব পাৰে. দ্ৰব্যমূল্য দিনক দিনে বাঢ়িছে গাণিতিক হাৰত বাঢ়িছে দুৰ্নীতি, অথচ মানুহবোৰৰ ফূৰ্ত্তি তামাচাৰ প্ৰকোপ চৰিছেহে, যেন তেওঁলোক বতাহত ওপঙি ফুৰিছে। কি হ'ল মানুহবোৰৰ?

ৰামানন্দ সাধাৰণ যোগালী। মিস্ত্ৰীৰ হাতত চিমেণ্ট-বালি-পানীৰে বনোৱা মচলাৰ থালীটো, ইটাটো তুলি দিয়ে। সিও বিশ্বকৰ্ম্মা পূজা কৰে। প্ৰভাকৰ দত্তয়ো কৰে। অফিচতো, ঘৰতো। দত্ত পি, ডব্লিউ, ডিৰ ইঞ্জিনিয়াৰ। বিশ্বকৰ্ম্মাক সন্তুষ্ট কৰা এইখন দেশৰ কাৰীকৰি অগ্ৰগতি আমেৰিকা, ৰাচিয়া, জাপান আদি দেশৰ লগত তুলনা কৰক। আহমেদৰ ডিঙিত কোনোবা বাবাই দিয়া বশীকৰণী তাবিজ ছলি থাকে। আহমেদ মেডিকেল কলেজৰ ডাক্তৰ-প্ৰফেচাৰ।

অমুকীৰ কি হ'ল জাননে নাই ?

ফৰেষ্ট অফিচাৰ অমুকৰ বাংলাতে যে থাকেহি তাই।

থ দে, ভাই মেটাৰনিটি ৱাৰ্ডত।

নহয় অ', তাৰ পিচৰখিনি।

চিপজৰী ললে নেকি ?

ধেৎ, হেভি কনচ'লেচন, অমুকে নিজৰ অফিচতে এল, ডি, এ কৰি ৰাখি থলে।

কথা পাতিবলৈ আজি কালি কোনো নাই। সি অকলে কেতিয়াবা বহেহি। অক্ষয় দাসৰ কেতিয়াবা পুতৌ, কেতিয়াবা বিৰক্তিৰ চাৰনি সি হজম কৰে। হঠাৎ তুহিনক লগ পাই আগৰ কথাবোৰ মনত পৰিছে। প্ৰণামীলৈও মনত পৰিছে তাৰ।

অতি সহজভাৱে প্ৰণামীয়ে তাক কব পাৰিলে তাই কাজলক ভাল পায়, কিন্তু বিয়া কৰিব গোঁহাই চাৰক, সিহঁত পঢ়া কলেজখনৰ ইংৰাজীৰ অধ্যাপকজনক. সি যেন তাইক বেয়া নাপায়, প্ৰেম আৰু বিয়া হেনো একে নহয়। কথাকিটা কওঁতে তাইৰ মাতটো এবাৰলৈও কঁপি নুঠিল। সিদিনা সি একো বুজা নাছিল। এইবোৰ কলেজীয়া জীৱনৰ কথা।

এতিয়া বুজিছে। বয়সে, বেকাৰ জীৱন-টোৱে তাক বহুত কথা নতুনকৈ শিকাইছে। ধাৰণাবোৰ দ্ৰুতগতিত সলনি হব ধৰিছে। বহুত কলেজীয়া ছোৱালীয়ে একাধিক সহপাঠী চেঙেলীয়া যুৱকক আছন্ন কৰি ৰাখে, পিছে সিহঁতে চকু ৰাখে বিবাহযোগ্য আন বিত্তবান বা সুদৰ্শন ডেকাৰ ওপৰত, দৃষ্টি, দেহৰ সঞ্চা-লন সকলো মিলি এডাল লেহুকা লতা হৈ যেন মেৰিয়াই ধৰিবগৈ। দুই এজনীয়ে সিহঁতৰ ৰূপৰ জুইত কিমান ছগাই জাহ দিলে বা দিবলৈ ওলাইছে তাৰ এটা হিচাপো ৰাখে। সেইটো কৰি এক জঘন্য তৃপ্তি পায়। কলে-জীয়া দুৰ্ভগীয়া ল'ৰাজাকে সেইটোৰ গমকে নাপায়। উতনুৱা ডেকা, উটি ভাঁহি যায়। প্ৰণামীয়ে তাৰ বুকুত ভাল কামোৰ এটা মাৰি থৈ গ'ল।

হোটেলৰ পৰা উঠি আহিবৰ মন গ'ল কাজলৰ। কিন্তু ক'লৈ যাব ভাবি বহিয়েই থাকিল।

ঘৰলৈনো কি যাব, জোতা নোখোলা-কৈয়ে ভৰি দুখন ওলোমাই ৰাখি কৰ্কালৰ

পৰা ওপৰতোৱা তাৰ বিচনাত ধপচ্‌কৈ পেলাই দিব। মাক বান্ধনিঘৰত থাকিব, দেউতাক পিছফালৰ বাৰান্দাত খবৰ কাগজত ব্যস্ত সি অনুমান কৰিব।

কাষৰ কোঠাত একেবাৰে সৰুটো ভায়েক সাগৰে যেঁহাই যেঁহাই একেডাল বিৰক্তিকৰ ইংৰাজী কবিতাকে পঢ়ি থাকিব— ট্ৰাই ট্ৰাই এগেইন্‌। সি এইটত পঢ়ে, পঢ়াত ভোদা, সিয়েই যে কাজলক অলপ মানি চলে, ভয় কৰে।

কলেজত পঢ়া ভনীয়েকজনীয়ে তাইৰ কোঠাত নতুনকৈ চাকৰিত সোমোৱা এচিষ্টেণ্ট ইন্‌জিনিয়াৰ হিমুৰ লগত ফুচফুচাই কথা পাতি থাকিব। সিহঁতৰ অনুচ্চ কথা-বতৰা, দুই এটা হাঁহিৰ টুকুৰা কাজলৰ কানত পৰিব। কেইবাদিনো কাজলে সিহঁতক অসংযত অৱস্থাত দেখিছে। আগবদৰেই সিহঁতহাল তাৰ আগেদি পাৰ হৈ যাব, পচুলিত হিমুৱে কব গুড্‌নাইট্‌, ভনীয়েকে কব ছি ইউ, স্কুটাৰ ষ্টাৰ্ট কৰাৰ শব্দ হব। যি নিশ্চল হৈ পৰি ৰব এটুকুৰা শুকান কাঠৰ দৰে। ধূলিস্যাৎ হৈ যাব যেন সমস্ত পৌৰুষ। উত্তেজনাত সি কঁপিব।

"সৰুবাপ্‌"-- সি ডাঙৰকৈ চিঞৰিব।

সাগৰ তাৰ সমুখত ভয়ে ভয়ে থিয় হবহি। কাজলে বহুত সময় তাৰপিনে নির্নি-মেষ চাই থাকিব। তাৰপিছত সাগৰক এবাৰ সাৱটি ধৰিবলৈ ইচ্ছা হব। অথচ সি বিচনাৰ গাৰুটোকেই বুকুঁৰ মাজত হেঁচি ধৰিব।

কাজলে গম পালে টেবুলত খালী হৈ পৰি থকা গিলাচ এটা সি সজোৰে খামুচি ধৰিছে। সি চকু মুদি দিলে। দীঘলকৈ এবাৰ উশাহ টানি এৰি দিলে।

তাৰ এবাৰ মকৰাটোলৈ চাবৰ মন গ'ল। চকু দুটা কিন্তু নেমেলিলে। তেনে-কৈয়ে সি দেখিলে মকৰাটো যেন সোঁ সোঁৱাই একেবাৰে ওপৰলৈ উঠি গৈছে।

"সাহসী ডেকাহঁত, মনত বিশ্বাস ৰাখিবা যে তোমালোকে মহৎ কাৰ্য্য সাধনৰ বাবে জন্ম লৈছাহঁক। তোমালোকে কুকুৰ পোৱালীৰ ভুক্‌-ভুকনিত হে নালাগে আকাশত হোৱা বজ্ৰপাতৰ ভীষণ শব্দতো ভয় নাখাবা-- শিৰ উচ্চ কৰি কাম কৰি যোৱা।"

— স্বামী বিবেকানন্দ

# সৰু ভাইটিৰ জোতা

শ্ৰীজয় শৰ্ম্মা, এম্ এচ্ চি, বি-টি

এটি শৰতৰ স্নিগ্ধ ৰাতিপুৱা। নিয়ৰৰ টোপালবোৰ দুবৰি বনৰ আগবোৰত তেতিয়াও ৰৈ আছে। পদূলিমুখত সৰি পৰি থকা শেৱালী বোৰৰ সুবাসে তেতিয়াও শৰতৰ গৌৰৱ বহন কৰি আছে। দিপ্তীমান সূৰুজৰ কিৰণে নিয়ৰৰ টোপালবোৰৰ ওপৰত পৰি হাঁহিছে। মই আগচোতালত চকী এখনত বহি আছোঁ। সেইদিনটো আছিল মহান দূৰ্গাপূজাৰ মহানৱমী। পূজাৰ হুলস্থূল শেষ হোৱাই নাই। আলহীৰ সমাগম, বজাৰ-সমাৰ, ল'ৰাহতৰ পূজাৰ কাপোৰ-কানি, জোতা-মোজা আৰু আগদিনাৰ ঘটনাই মনটো আগুৰি আছে। পূজাৰ নানা তৰহৰ দৃশ্য আৰু কথাবোৰ বোলছবিৰ ঘটনাৰ দৰে অবিৰাম অহাযোৱা কৰিছে মোৰ মানস পটত। তেনে এটা সময়তেই আমাৰ ডাঙৰ ল'ৰাজনে পদূলিৰ ফালৰ পৰা আহি কলে—"দেউতা, ভাইটিৰ জোতাজোৰ দেখা পালোঁ। হিমেনে পিন্ধি আছে।" মই তাক প্ৰায় খঙৰ সুৰতেই কলোঁ—"হেৰোৱা জোতাজোৰ ক'ত পাবি? হিমেনে তাৰ নিজৰ জোতা পিন্ধিছে। জোতাৰ নিচিনা জোতা থাকে নহয়।" মোৰ পৰা আৰু নেপাই সি গুছি গ'ল। মাকৰ আগত নিশ্চয় কলেগৈ। মই বুজি পোৱাত পলম নহ'ল যে সেই জোৰ নিশ্চয় সৰু ভাইটিৰেই জোতা। হিমেনৰ বাপেকৰ তেনেকুৱা এজোৰ জোতা কিনিবলৈ সামৰ্থ্য নাই। আমি ইফালে সিফালে যাওঁতে হয়তো হিমেনে জোতাজোৰ চুৰ কৰিছে। তথাপি এই বিষয়ে কোনো কথা আগবাঢ়িবলৈ নিদিলোঁ। আজি মহানৱমী পূজা। এনেকুৱা এটা দিনত ওচৰ-চুবুৰীয়াৰ লগত কাজিয়া কৰা ভাল নহব। আনে শুনিলে কি ক'ব? এজোৰ সাধাৰণ জোতাৰ বাবেই মানুহজনে ইমান কাজিয়া কৰিব পাৰে বুলি কব। তাৰোপৰি পূজা চাবলৈ অহা আলহীৰে ঘৰ ভৰি আছে। তেওঁলোকেও নিশ্চয় এই ৰাতিপুৱাই তেনেকুৱা এটা পৰিবেশ ভাল নাপাব। সেয়ে মনে মনে থাকিলোঁ। শ্ৰীমতীয়ে জোতাজোৰৰ বিষয়ে

অলপ তর্জন-গর্জন কৰিছিল। তথাপি মোৰ একো হোৱা নাই ভাব দেখা পাই তেওঁ মনে মনে থাকিল।

হিমেন আমাৰ প্ৰতিবেশীৰ ল'ৰা। সৰু ভাইটিৰ লগত বয়সত সমনীয়া। স্বাস্থ্য-পাতিও প্ৰায় একেই। দুয়োজনে খেলা-ধূলাৰ লগৰীয়া। সি প্ৰায় আমাৰ ঘৰতেই থাকে। ভাত খাবৰ সময়ত বা তাৰ মাক আঁতৰৰ কৰবালৈ ফুৰিবলৈ গলে মাকৰ লগত থকা সময়খিনিৰ বাহিৰে সি প্ৰায়ে আমাৰ ঘৰতেই ভাইটিৰ লগতে থাকে। মাজে মাজে আমাৰ ঘৰতো সি গাখীৰ-পানী, বিস্কুট আদি খায়। দুয়োটাৰ মাজত কেতিয়াবা খেলাখেলিও লাগে। দুই এদিনমান ভাইটিৰ লগত খেলা বন্ধ হৈ যায়। আকৌ লাহে লাহে সি আহে। ভাইটিৰ লগত খেলা-ধূলা আৰম্ভ কৰে। সিহঁতৰ খেলানো কি? এডাল কোমল বাঁহৰ চিকনিৰ আগত এটা চকাৰ নিচিনাকৈ ঘূৰণীয়াকৈ লৈ দুয়োজনে চকাযুক্ত চিকনিডালত উঠি ঘোঁৰা চলাই ফুৰা বা সেই চকাটোকে সিহঁতৰ গাড়ী বুলি ধৰি মুখেৰে গুম্‌গুম্‌কৈ অঙ্গী-ভঙ্গী কৰি জোৰেৰে বা লাহে লাহে অহাযোৱা কৰা যদিহে কেতিয়াবা চকাটো বান্ধি লোৱা কলৰ আঁহডাল চিঙি যায় তেন্তে চকাৰ ওচৰত থকা ড্ৰাইভাৰ জনে পিছত থকা যাত্ৰীজনৰ চৰ-ভুকু খায় আৰু লগে লগে খেলা বন্ধ হয়। অৱশ্যে সিহঁতে এই খেলটোহে খেলে নেকি বুলি কোনোবাই প্ৰশ্ন কৰে তেন্তে নই সিহঁতৰ আৰু কিছুমান খেলৰ কথা কম। বাঁহৰ চাবিডাল কোমল চিকনি বা খৰি চাৰি চলা হলেও সিহঁতৰ ঘৰৰ খুটা হৈ যায়। এই খৰি চাৰি চলাৰ ওপৰত আৰু দুই চলা খৰি দি তাৰ ওপৰত এখন কলপাত দিলেই সিহঁতৰ ঘৰৰ কাম শেষ।

হিমেনৰ দেউতাক, মাক আৰু আঠৈ বছৰীয়া ভনীয়েককলৈ এটি সৰু পৰিয়াল। নদীৰ খহনীয়াত মাটি-বাৰী সকলো হেৰুৱাই পিছত কোনোমতে একঠা মাটি কিনি আমাৰ ওচৰত থিতাপি লৈছে। বাপেকে দিন হাজিৰা কৰে। গতিকে দিনটো বাহিৰতে কাটি যায়। মানুহজন কামত ভাল। সেয়েহে হাজিৰা কামো প্ৰায়েই পায়। অৱশ্যে বৰষুণ বতৰত প্ৰায়ে লঘোনে থাকিব লাগে। মাকজনীয়েও ইঘৰ-সিঘৰত ফুৰি কাৰোবাৰ কাপোৰ ধুই বা ঘৰ-দুৱাৰ, সাজ-বাচন পৰিষ্কাৰ কৰি দুই এটকা আনে। নগৰৰ ওচৰত ধানবনা কাম প্ৰায়েই পোৱা নেযায়। দহ কেজি ধান বানিবলৈ মিললৈহে নিয়ে। সেয়ে কোনোবাই মাতিলে আঠৈ বছৰীয়া ছোৱালীজনী লৈ হিমেনৰ মাকে আনৰ ঘৰত কাম বন কৰেগৈ আৰু সি সৰু ভাইটিৰ লগলৈয়ে আহে।

পূজাৰ দুদিনমান আগতেই ল'ৰাহঁতে স্কুলস্কুল লগাই দিলে। ওচৰ চুবুৰীয়াৰ প্ৰায় ল'ৰা-ছোৱালীৰেই পূজাৰ কাপোৰ, জোতা-মোজা আনিলেই। সিহঁতৰ হে অনা নাই সেয়ে সিহঁতক লৈ নগৰৰ বজাৰলৈ যাব লগা হ'ল। শ্ৰীমতীকো কিবা কিবি লাগে। তেওঁও ওলাল। বজাৰলৈ যাবলৈ প্ৰায়ে ভয় লাগে। তাতে

সস্ত্ৰীক ওলালোঁ। বজাৰত কাপোৰ-কানিব যিহে জুই-চাই দাম। দোকানীয়ে যি কয় সেয়ে ব্ৰহ্মবাক্য।

প্ৰথমতে কাপোৰৰ দোকান এখনত সোমালোঁ। বৰ উৎসাহেৰে দোকানী কেইজনে মাতিলে। আমি যেন মকৰাজালতহে পৰিব ধৰিছো। সিহঁতক ফান্দ পাতি থকা মকৰা যেন লাগিল। ল'ৰাহঁতৰ পোচাক-পাতি চাওঁতে চাওঁতে প্ৰায় এঘণ্টামান গ'ল। কোনোবা এজোৰ সিহঁতৰ পচন্দ হলে আকৌ শ্ৰীমতীৰ পচন্দ নহয়। শ্ৰীমতীয়ে পচন্দ কৰিলে সিহঁতৰ পচন্দ নহয়। আকৌ দাম বেছি যেন দেখিলে মোৰ পচন্দ নহয়। এনেকৈ থাকোতে দোকানীয়ে কি বুজিলে জানো আৰু পোছাক-পাতি দেখুৱাবলৈ ইচ্ছা নকৰা হ'ল। আমিও উপায় নেদেখি পচন্দ নোহোৱা বুলি কৈ সেইখন দোকানৰ পৰা ওলাই আহিলো। বাটত সৰু ভাইটিয়ে মনে মনে কলে—"দেউতা, হিমেনৰ বাবেও এজোৰা চোলা-পেণ্ট কিনিবানে ? তাৰ চিঙা চোলা-পেণ্ট এজোৰাৰ বাদে আৰু নায়েই। সি আমাৰ ঘৰলৈ খেলিবলৈ আহিলে মোৰ চোলা-পেণ্টৰ ফালেহে চাই থাকে।" মই কলোঁ "চাওচোন তাৰ জোখৰ চোলা-পেণ্ট ইয়াত পাওঁনে নেপাওঁ।" এইবাৰ অন্য এখন ডাঙৰ কাপোৰৰ দোকানত সোমালোঁ। দোকানীয়ে বৰ আগ্ৰহেৰে মাতি নি চোলা-পেণ্ট আদি দেখুৱালে। দুজোৰ চোলা-পেণ্ট মোৰ খুব পচন্দ হ'ল। দাম আগৰ দোকানখনতকৈ বহু কম। ল'ৰাহঁতৰ বা শ্ৰীমতীৰ ভালদৰে পচন্দ নহ'ল। তথাপি বহুত পলম হোৱাৰ অজুহাত দেখুৱাই চোলা-পেণ্ট কেইজোৰ লোৱা হ'ল শ্ৰীমতীয়েও কিবা কিবি কিনিলে। সৰু ভাইটিয়ে আকৌ হিমেনৰ বাবে চোলা-পেণ্টৰ কথা কোৱাত অন্য এখন সৰু দোকানৰ পৰা এজোৰ চোলা-পেণ্ট কিনিলোঁ। সৰু ভাইটিৰ চোলা-পেণ্ট জোৰত যিমান দাম পৰিছিল তাৰ আধাতকৈও কম দামত হিমেনৰ চোলা-পেণ্ট জোৰ পোৱা দেখি ডাঙৰ ল'ৰাটোৱে কলে— "দেউতা, সৰু সৰু দোকানবোৰত খুব কম দামতে চোলা-পেণ্ট পোৱা যাই নহয় ? আমাৰ কাৰণেও ইয়াৰ পৰা নললা কিয় দেউতা ? আঁচল কথা ওলাই পৰে বুলি ভয় খায় তাক কলো যে সৰু সৰু দোকানীবোৰ খুব মৰমীয়াল। সিহঁতে খুব কম দামতে কাপোৰ-কানি বিক্ৰী কৰে। এইবাৰ আটাইকেইজনে এখন জোতাৰ দোকানত সোমালোঁ। "দেউতা" সৰু ভাইটিয়ে কলে - ইমান জোতা আছে। বহুত চোৱা-মেলা কৰি সিহঁতৰ ভৰিত পিন্ধাই চাই দুজোৰ জোতা ললোঁ। লগতে দুজোৰ মোজাও লব লগা হ'ল। আগৰ মোজা দুয়োজনৰে দুজোৰ আছেই। নললেও হয় দেখোন বুলি মই কলেও শ্ৰীমতীয়ে নেমানিলে। এশ টকীয়া নোট এখন দি বচিদ খন আৰু দুটকামান লৈ ওলাই আহিলোঁ। ল'ৰালি কালত পিন্ধা কাঠৰ খৰম আৰু ফনী বোৰলৈ মনত পৰিল। কেনে মজবুত আছিল

সেইবোৰ ? যিমানে শক্তিশালী কাঁইট নহওঁক কিয় বিন্ধিব পৰা নাছিল। কিন্তু আজি-কালিৰ জোতাবোৰ সাধাৰণ কাঁইটেও ফুটাই পেলায়।

দোকানৰ পৰা ওলাইয়েই বিক্সা ললোঁ। কাৰণ খোজ কাঢ়ি আহিলে আৰু বা ক'ত কি লেঠা লাগে ? ইফালে জেপত পইচাও মাথোন কেইটকা মানহে আছে। ঘৰ পাই-য়েই বিক্সাৱালাটোক বিদায় দি এখন চকীত বহি পৰিলোঁ। গাটো অৱশ লাগিল। কিন্তু ল'ৰাহঁতৰ ওলোটাটোহে হ'ল। ওচৰ চুবুৰীয়া ল'ৰা-ছোৱালীহঁতক সিহঁতৰ চোলা-পেণ্ট, জোতা-মোজাবোৰ দৌৰা-দৌৰিকৈ দেখুৱাত সিহঁত ব্যস্ত হৈ পৰিল। কোন দোকানত কি 'ডিজাইনৰ' চোলা-পেণ্ট পোৱা যায়, কোন দেকানত কেনেকুৱা 'মডেল'ৰ জোতা পোৱা যায় এই বিষয়ে সিহঁতৰ মুখত অৰ্নগল কথাবোৰ ওলাই আহিবলৈ ধৰিলে। সৰু ভাইটিয়ে হিমেনৰ ঘৰলৈ গৈ তাক চোলা-পেণ্ট জোৰ দিলে। অৱশ্যে তাৰ চোলা-পেণ্ট আৰু জোতা জোৰ দেখুৱাবৰ বাবে তাক মাতি আনিবলৈ নেপাহৰিলে। সি খুব মনোযোগেৰে লিৰিকি বিদাৰি জোতাজোৰ চালে আৰু একো নোকোৱাকৈয়ে ঘৰলৈ লৰ দিলে। এজোৰ নতুন চোলা-পেণ্ট পোৱাৰ আনন্দতে সি ঘৰলৈ লৰ মাৰিছে বুলি ভাবি অলপ অহঙ্কাৰেই হ'ল।

পূজাৰ দিনাখন পুৱা হিমেন নাহিল। অন্যদিনা হলে সি ৰাতিপুৱাই হাজিৰ হয়। "এই মানুহবোৰৰ ল'ৰা-ছোৱালীবোৰ এনে-কুৱাই। কিবা বস্তু পালে সিহঁতে পাহৰি যায়। কৃতজ্ঞতা কি বস্তু সিহঁতে নেজানে" - মই ভাবিলোঁ। মাজতে সৰু ভাইটি হুবাৰ মান সিহঁতৰ ঘৰলৈ গৈছিল। তাৰ মনটোও বৰ উজ্জল দেখা নেপালোঁ। অলপ পিছতে হিমেনে কন্দা শুনিলোঁ। বাপেকে তাক মাৰ-ধৰ কৰিছে। কাৰণ পূজাত পিন্ধিবলৈ তাক এজোৰ নতুন জোতা লাগে। নহলে সি পূজা চাবলৈ নেযায়। দিন হাজিৰা কৰি দহ টকা পাওঁ। তাৰে তহঁতকে খুৱাও নে জোতাহে কিনো। আনৰ ল'ৰা-ছোৱালীয়ে নতুন জোতা ললে বুলিয়েই তহঁতকো কেনেকৈ আনি দিম। এই ভুখন হাতেৰে মই আৰু কিমান কৰিম। "হিমেনৰ বাপেকৰ উক্তি শুনা গ'ল। ঘৈণীয়েক আৰু প্ৰতিবেশীক শুনাই কোৱা কথা।" আপুনিহে ঘৰ-সংসাৰ কৰিছে। আনে আৰু ল'ৰা-ছোৱালী ডাঙৰ-দীঘল কৰাই নাই ? এনেহেন পূজাত একমাত্ৰ ল'ৰাটোকো এজোৰ কাপোৰৰ জোতা আনি দিব নোৱাৰিলে ! মোকটো একো নিদিলেই। ভাগ্যে এওঁলোকে (আমাৰ ফালে দেখুৱাই) তাক চোলা-পেণ্ট জোৰ দিলে বুলিহে। বাপেকটো হৈ আনৰ পৰা অলপ ধাৰলৈও লব নোৱাৰিলেনে ? ঘৈণী-য়েকৰ মাতত কান্দোনৰ সুৰ। চোলা-পেণ্ট জোৰৰ কথা উনুকিওৱা দেখি ভাল লাগিল। যাহক এজনীয়ে হলেও কৃতজ্ঞতা প্ৰকাশ কৰিছে।

আবেলি পূজা চাবলৈ যোৱাৰ ধূম-ধাম লাগিল। আলহীবোৰ হয় পূজা চাবলৈ নহয় আন মিতিৰৰ ঘৰলৈ গ'ল। শ্ৰীমতীয়ে ল'ৰাহঁতৰ হাত ভৰি ধূৱাই দিলে আৰু নিজেও প্ৰসাধনত ব্যস্ত হৈ পৰিল। ডাঙৰ ভাইটিয়ে তাৰ চোলা-পেণ্ট আৰু নতুন জোতা-মোজা পিন্ধি ওলাল। সৰু ভাইটিৰ চোলা-পেণ্ট আৰু জোতা-মোজা পিন্ধোৱাৰ দায়িত্ব মোৰ ওপৰতেই ন্যস্ত হ'ল। চোলা-পেণ্টজোৰ পিন্ধাই দিলোঁ। তাক নতুন জোতাজোৰ আনিবলৈ কোৱাত সি ঘৰৰ ভিতৰলৈ সোমাই গ'ল। মই বাহিৰতেই বৈ থাকিলোঁ। তাৰ জোতা অনাত পলম হোৱা দেখি মইও ঘৰৰ ভিতৰলৈ সোমাই গ'লো। জোতা বিচাৰি নেপাই সি বেলুন ফুলাই আছে। "জোতাজোৰ ক'ত থৈছিলা, সৰু ভাইটি ?" মই সুধিলো। ইয়াত জোতাজোৰ নাই, দেতা বুলি কৈয়েই সি আকৌ বেলুন ফুলাবলৈ ধৰিলে। বিচনাৰ তলত, আলনাৰ তলত গাৰুৰ তলত অৰ্থাৎ সম্ভাব্য সকলো ঠাইতে জোতাজোৰ বিচাৰি চলাথ কৰিলোঁ। কিন্তু জোতা নেপালোঁ। শ্ৰীমতীক সুধিলোঁ জোতাজোৰ কৰবাত থৈছে নেকি বুলি। "আপোনাৰ যে কথা— ঘৰত থকা জোতাজোৰ বিচাৰি ল'ৰাজনক পিন্ধাব নোৱাৰে। মই হাতত তুলি নিদিলে আপুনি একো বস্তুকেই বিছাৰি নেপায়।" তেওঁ ব্যঙ্গ কৰি কলে। তেওঁ খৰধৰকৈ মই বিছৰা ঠাই বোৰতেই বিছাৰিবলৈ ধৰিলে। সেইবোৰত জোতাৰ মুখ নেদেখি এইবাৰ আলহীবোৰৰ প্লাচটিকৰ বেগ, কাপোৰৰ মোনা আদিত তেওঁৰ হাত পৰিল। চাৰিটা চকুৰ সুতীক্ষ্ণ দৃষ্টিত এটা প্লাচটিকৰ বেগত এটি কাগজেৰে মেৰিওৱা টোপালা ধৰা পৰিল। "নিশ্চয় সৰু ভাইটিৰ জোতাজোৰেই হব"—মই ভাবিলোঁ। "আলহীবোৰ যে আৰু। কাকো বিশ্বাস কৰিব নোৱাৰি।" শ্ৰীমতীয়ে একে টানে টোপালাটো খুলি পেলালে। দহ-বাৰটামান নাৰিকলৰ লাড়ু আৰু সাত-আঠখন মান লুচি কেউফালে চিটিকি পৰিল। এই সকলোবোৰ শ্ৰীমতীয়ে নিজে তৈয়াৰ কৰা তেওঁ কোন আলহীৰ বেগ সেইটো হব পাৰে চিন্তা কৰিবলৈ ধৰিলে। তেওঁৰ খঙে মূৰৰ চুলি পালেগৈ। পূজা চাবলৈ যোৱাৰ আশা এৰি তেওঁ বিছনাতহে বাগৰ দিলেগৈ। ইফালে ডাঙৰ ভাইটিয়ে পদূলি মুখৰ পৰা আমাক মাতিয়েই আছে। আৰু পলম হলে সি অকলেই পূজা চাবলৈ যাব বুলি ভয় দেখুৱাইছে। মই বৰ বিমোৰত পৰিলোঁ। বছৰৰ মূৰত পূজাটো আহিছে, সিও পণ্ড হৈ যাব এতিয়া। অগত্যা যোৱা বছৰৰ পুৰণা জোতাজোৰকেই সৰু ভাইটিক পিন্ধাই দিলোঁ। সিও একো আপত্তি নকৰিলে। তাৰ হতুৱাইয়েই শ্ৰীমতীক মতালোঁ। প্ৰথমতে আপত্তি কৰিছিল যদিও কিবা ভাবি তেওঁ ওলাই আহিল। বাটত তেওঁ এষাৰো কথা নকলে। জোতা হেৰোৱাৰ বেদনাই তেওঁক কষ্ট দিছিল। নতুন চামৰাৰ জোতা হয়তো

কৰবাৰ চুৱা-চেলেকা কুকুৰেই লৈ গ'ল এই বুলিয়েই মই সান্ত্বনা লভিলোঁ। ল'বাহঁতে বেচ আনন্দ মনেৰে পূজা চোৱাত লাগিল। জোতা-জোৰ হেৰুৱাৰ বাবে যিখিনি দুখ পাব লাগিছিল তাৰ অলপো আভাষ সৰু ভাইটিৰ চকুত দেখা নেপালোঁ। এবাৰ মানুহৰ ভিৰৰ মাজত দূৰৰ পৰাই হিমেনক তাৰ মাক-দেউতাকৰ লগত আনন্দ মনেৰে পূজা চাই থকা দেখিলোঁ। সৰু ভাইটিয়ে দূৰৰ পৰাই হিমেনক মাতিছিল। সি নেমাতিলে। হয়তো সি নুশুনিলে। ভিৰৰ মাজত সিহঁত হেৰাই গ'ল। কিন্তু সময় পূজা চোৱাৰ পিছত আমি ঘৰলৈ ঘূৰি আহিলো।

হঠাৎ সৰু ভাইটিৰ উপস্থিতিয়ে মোৰ চিন্তাত বাধা জন্মালে। সি কলে—"দেতা যোৱা কালি জোতা নোহোৱাৰ বাবে হিমেনে খু-উ-ব কান্দিছিল, জানা? তাক হেনো মোৰ জোৰৰ নিছিনা নতুন জোতা লাগে। জোতা কিনি দিব নোৱাৰি দেউতাকে তাক খুব মাৰিলে। শেষত মোৰ নতুন জোতা জোৰকে তাক দিলোগৈ। তাৰ যে কিমান হাঁহি, দেতা।"

※—※

※

ঈশ্বৰৰ নাম বহুত আছে। কিন্তু তাৰ ভিতৰত অন্বেষণ কৰিলে এটি মাত্ৰ নাম পায়—সত্য আৰু সৎ। সেই কাৰণে সত্যই হে ঈশ্বৰ।

- মহত্মাগান্ধী।




শ্ৰীমতিৰাম মেধি
প্ৰবক্তা, ভূগোল বিভাগ ।

শৰতৰ স্নিগ্ধ জোনালী নিশা আকাশৰ হাজাৰ-বিজাৰ তৰকাৰাজিৰ মাজত প্ৰণীতাৰ দৃষ্টি নিবদ্ধ হৈ ৰ'ল। ঠিক এটি স্তম্ভৰদৰে থিয় হৈ থকা তাইৰ ওঁঠ দুখন বতাহত কঁপি উঠা কলপাতৰ দৰে কঁপিব ধৰিলে। আঠু-লৈকে বৈ পৰা কিচ্‌কিচীয়া ক'লা চুলিখিনি আউলী-বাউলী হৈ তাইৰ মুখমণ্ডল ঢাকি পেলালে। সুবিশাল আকাশৰ নীলা দিগন্তই যেন তাইক হেঁচি ধৰি নিঃস্ব কৰি পেলালে। তাইৰ মনটোই হাহাঁকাৰ কৰি উঠিল। বুকুখনত সজোৰে খামোচ মাৰি ধৰি গুমৰি উঠা বেদনা খিনিক মাথো বাৰে বাৰে উপশম কৰিব বিচাৰিলে। অমাৱস্যাৰ ঘোপমৰা ৰাতি সুদূৰত জ্বলি থকা এগছিবন্তিৰ দৰে তাইৰ মাথো মুকুতা-বুলীয়া দাঁত দুপাৰি স্পষ্ট হৈ থাকিল। আধাফুলা কলিটিৰ দৰে তাই হাঁহিব চেষ্টা কৰিছে।

পাঠশালাত পঢ়া দিনৰে পৰাই ৰাংঢালী প্ৰণীতাজনীক অঞ্চলটোৰ সকলোৱে চিনি পায়। এটি অশান্ত মনক শান্ত কৰি ৰাখিব পৰা তাইৰ মানসিকতাক সকলোৱে বুজি পায়। সুন্দৰক আৰাধনা কৰি কৰি বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলো দুখ-বেদনা অতদিনে তাই মুৰ পাতি সহ্য কৰি আহিছে ; সমস্ত পঞ্জীভূত দুখ-বেদনাই হাবিয়ে

বননিয়েও যেন প্ৰতিধ্বনিত হৈ আছে। প্ৰেম পীৰিতিৰ নামত বহুতো ৰঙীন সপোন তাইৰ বগীদেহটোত কাহানিবাই পৰশ বুলাই গৈছে, কিন্তু বয়সে আচোঁৰ দি যোৱা তাইৰ শৰীৰৰ বিভিন্ন অঙ্গত বৰ্ত্তমানে সেইবোৰ অপাংক্তেয়, অস্পষ্ট। টলষ্টয়ৰ গল্প পঢ়ি এতিয়াও তাইৰ মুৰ দোঁ খায়, হৃদয়ত দোলা দি যায়। কিন্তু বাৰিষা দুয়োকূল উপচি উবুৰি খায় পৰা নদীৰ দৰে যৌৱনৰ সকলো বাসনা তাইৰ গাৰ ওপৰেদি পাৰ হৈ গ'ল। সজাৰ বন্ধ পখীৰ দৰে তাইৰ সাৱলীল ভাৱমূৰ্ত্তিবোৰ শিলাময় হৈ গৈছে। ..... ..... .....তুলসীৰ গুৰিত চাকি জ্বলাই প্ৰভু-ভগৱন্তৰ ওচৰত মাক-দেউতাকে সিহঁতৰ মঙ্গলৰ বাবে কৰা প্ৰাৰ্থনা আজি তাইৰ বৰকৈ মনত পৰিছে। হাজাৰ দুখ বেদনাইও যেন সেইখিনি কোনোদিনে কোনোকালে ম্লান কৰিব পৰা নাই।

"তহঁত ডাঙৰ মানুহ হোৱা"—মাঘবিহুৰ মেজি পুৰি আহি গোসাঁইঘৰৰ থাপনাত বন্তি জ্বলাই প্ৰণীতাই দেউতাকৰ ভৰি চুই সেঁৱা লওঁতে কোৱা কথাষাৰি তাইৰ মনত আছে। দেউতাক উমাৰামৰ আদৰ্শবোৰ তাইৰ আজি বৰকৈ মনত পৰিছে। সিহঁতক মানুহ কৰি-বলৈ কৰা দেউতাকৰ আপ্ৰাণ চেষ্টাবোৰ তাই আজিও মৰ্মে মৰ্মে উপলব্ধি কৰে। লোকৰ ঘৰত হাজিৰা কৰি, বিভিন্ন ঠাইৰ বজাৰত বেপাৰ কৰি দেউতাকে সিহঁতক ডাঙৰ কৰি-বলৈ কৰা সংগ্ৰামক তাই সদায়ে শ্ৰদ্ধা কৰি-বই লাগিব। দুবেলা দুমুঠি মিলাবৰ বাবে হাড়ভগা পৰিশ্ৰম কৰি দেউতাকে সিহঁতহালক লৈ অমৰাৱতীৰ সপোন দেখিছিল। কিন্তু নিষ্ঠুৰ নিয়তিয়ে সিহঁতৰ সেই সুখৰ সংসাৰখন চুৰমাৰ কৰি দিলে মহামাৰীত মাক দেউতাক দুয়োৰো মৃত্যু হ'ল। প্ৰণীতা আৰু একমাত্ৰ ভায়েক ৰতনে এটি যুগৰ অৱসান ঘটালে। জীৱন বাটৰ সুন্দৰ প্ৰগতিৰ কাঁইটে দুয়োকো বিন্ধি থৰকা-সৰকা কৰিলে। দুয়ো ভাই-ভণী ঘাট মাউৰা হ'ল। পৃথিবীত সিহঁতক চোৱা-চিতা কৰিবলৈ, চকু দিবলৈ যেন কোনোৱে নাই। সিহঁতৰ মুৰত ভগবানে জাপি দিলে মেটমৰা বোজা। তথাপিতো তাই দেউতাকৰ কথাবোৰ পাহৰি যাব নোৱাৰে "তহঁত ডাঙৰ মানুহ ............"।

জুইৰ ধোঁৱাৰ লগৰ কুঁৱলীৰ দৰে সিহঁ-তৰ চিন্তা কল্পনাবোৰ বায়ুমণ্ডলত মিহলি হৈ গ'ল। প্ৰণীতাৰ দায়িত্ব দুগুণে বাঢ়িল। তাইৰ দুচকুত হেজাৰ স্বপ্ন, বুকুত এবুকু মৰম আৰু অন্তৰত অফুৰন্ত চেনেহে সমগ্ৰ পৃথিৱী-খনকে যেন আপোন কৰি পেলালে। দূৰবী-নেৰে লক্ষ্য মাইল দূৰৰ গ্ৰহ নক্ষত্ৰ চোৱাৰ দৰে বাটে পথে, যানে বাহনে প্ৰণীতাৰ গতি বিধি পৰ্য্যবেক্ষণ কৰা মানুহৰ অভাৱ একেবাৰে নহ'ল। দৰিদ্ৰতাৰ সুযোগ লব খোজা তাইৰ সন্তীয়া বন্ধুবোৰক তাইৰ স্মৃতিৰ কাৰাগাৰত বন্দী কৰিলে। বেদনা আৰু সহিষ্ণুতাই প্ৰণী-তাৰ মন ক্ষুব্ধ কৰি তুলিলে। তাইৰ মনৰ বাসনা ভায়েক ৰতনৰ ভবিষ্যতৰ বাবে নিবদ্ধ

কৰিলে । এটি জীয়া জুৰিৰ ঘাটত বহি প্ৰণীতাই উপন্যাস ৰচনা কৰিলে । তাই টিউচন আৰম্ভ কৰিলে । ল'ৰা-ছোৱালীহঁতক মানুহ কৰাৰ সপোন দেখিলে ।

আনন্দপুৰ গাৱঁৰ প্ৰণীতা হাজৰিকাক সকলোৱে এতিয়া জানে । পিতৃ-মাতৃহীনা, মৰম আকলুৱা প্ৰণীতাই আজিকালি সকলোতে সমাদৰ পায় । সকলোৰে সহায়ত তাই জীয়াই আছে ভায়েক ৰতনৰ বাবে । শৰতৰ ভেটফুলে বিলখালত শোভা বঢ়োৱাৰ দৰে জকাইচুকীয়া আনন্দপুৰ গাৱঁত শোভা বঢ়ালে প্ৰণীতা হাজৰিকাই । ৰতন ডাঙৰ হলে চাকৰি কৰিব, ঘৰ বান্ধিব, বোৱাৰি আনিব— ধূপৰ সুবাসৰ দৰে সুন্দৰ চিন্তাবোৰে প্ৰণীতাৰ মন ভৰাই তুলিলে । তাইৰ অনুকম্পা, আকাঙ্ক্ষাবোৰে ভায়েক ৰতনৰ বাবে বিসপিল গতিৰে আগবাঢ়ি গ'ল । ভালেমান সাক্ষাৎকাৰত হাজিৰ হৈয়ো চাকৰিৰ বাবে অনুপযুক্তা হোৱা তাইৰ মনটো হতাশ হৈ যোৱা নাই । কঠিন লোহা এটুকুৰাৰ দৰে তাইৰ মনটো হাজাৰ দুখেও টলাব পৰা নাই ।

........ সেইদিনা ৰাতিপুৱা তাই বিচনা নেৰোতেই ৰতন বাহিৰ হৈছিল ঘৰৰ পৰা অস্পষ্ট ভাষাৰে মাত্ৰ তাইক কৈ গ'ল "বাইদেউ আজি পিকেটিং আছে ৰাতিপুৱা ছয়বজাৰ আগতে পাবলৈ লাগে । তই চিন্তা নকৰিবি মই আকৌ ৰাতি ঘূৰি আহিম" । কিবা এটা উত্তৰ দিবলৈ বুলি প্ৰণীতাই থৰথৰকৈ বিচনা এৰি আহিও ৰতনক ঢুকি নাপালে । সিহঁতৰ ঘৰৰ আগৰ বহল পথাৰখনৰ মাজৰ আলিবাটটোৰ ভাঁজ এটিত এটা সময়ত ৰতন অদৃশ্য হৈ গ'ল । প্ৰণীতাৰ মনটোত হঠাতে এটা অদ্ভুত ধৰণৰ ভয়ৰ সিহঁৰণ বিজুলীবেগে খেলি গ'ল । তাইৰ অন্তৰখনত বেদনাবোৰে আকৌ এবাৰ হেচাঁমাৰি ধৰিলে । তাই হুক-হুকাই কান্দি উঠিল । ........আজি দুবছৰ ধৰি চলি থকা স্বদেশৰ পৰা বিদেশী বিতাৰণৰ দাবী তুলি ৰতনে তাৰ বন্ধুবোৰৰ লগত অবিৰামভাৱে সংগ্ৰাম চলাই আছে । কেতিয়াবা হয়তো ৰাতি, কেতিয়াবা দিনত আৰু হয়তো কেতিয়াবা দিন-ৰাতি চিন নোহোৱাকৈ লঘোণে ভোকে সিহঁতবোৰ ঘূৰি ফুৰিছে দাবী সাব্যস্ত কৰি । তথাপিতো ৰতনক বাধা দিয়াৰ সাহস তাইৰ সমূলি নাই । জাতিৰ অস্তিত্ব ৰক্ষাৰ আহ্বানত ফুলকুমলীয়া ল'ৰা-ছোৱালীবোৰ লগতে তাইবো যাবৰ মন যায় । দেশৰ এই ভবিষ্যৎ বংশধৰ সকলৰ কোমল মনৰ বিশ্বাস আৰু সাহস তাই সদায়ে প্ৰশংসা কৰে । ৰাজনীতিৰ নামত দেশমাতৃক আনৰ ওচৰত বিক্ৰী কৰিব খোজা দালালবোৰক তাই কাহানিও বিশ্বাস নকৰে । সত্যৰ বাবে অহিংসা পথেৰে নিজৰ জননীক বিদেশী শত্ৰুৰ কৰলৰ পৰা ৰক্ষা কৰিব বিচৰা তাইৰ ভাতৃ ৰতনৰ দৰে হাজাৰ বিজাৰ মনৰ দাবীক প্ৰণীতাই শ্ৰদ্ধা কৰে, ভাল পায় । সেয়েহে তাই ৰতনক কোনোদিনে বাধা দিয়া নাই আৰু আজিও বাধা নিদিলে........ ।

সেইদিনা কিন্তু তাইৰ চেনেহৰ ভায়েক পুনৰ ঘৰলৈ ঘূৰি নাহিল। খবৰটি পোৱাৰ পিছত বহু সময় তাই স্তব্ধ হৈ ৰ'ল। প্ৰণীতাৰ মুৰত সৰগ ভাগি পৰিল। তাইৰ অহৈতুক আশা-আকাঙ্ক্ষাবোৰ দুৰ্ব্বাৰ কালে একেবাৰে নিঃশেষ কৰি দিলে। অৱশেষত তাইৰ মৰমৰ একমাত্ৰ ভায়েকেও অকলশৰীয়া কৰি গুচি গ'ল। এজাক ছাত্ৰ-ছাত্ৰীয়ে মৌন সমদল কৰি ৰতনৰ মৃত দেহটো প্ৰণীতাৰ সন্মুখলৈ লৈ আহিল। পিকেটিং কৰিব যাওঁতে "পুলিচৰ গুলিত ৰতনৰ মৃত্যু হৈছে" — তাইৰ মৰমৰ সহোদৰ শ্বহীদ হ'ল।

সেইদিনাৰ পৰাই প্ৰণীতা হাজৰিকা অচলা অটলা। তাই যেন পৃথিবীখনৰ মোহতহে বাছি আছে। মাক-দেউতাক ৰতন এজনকো ভগৱানে জীয়াই ৰখা নাই। হিমালয়ৰ দৰে গম্ভীৰ মনটোই তাইৰ বেদনাবোৰক দিনকদিনে অধিক পঞ্জীভূতহে কৰি তুলিছে। ৰতনে দেশৰ কাৰণে প্ৰাণ দিলে কিন্তু তাইৰ জীৱনজোৰা শ্ৰম, অহোপুৰুষাৰ্থ আৰু ধৈৰ্য্যবোৰ নিঃশ্বাসৰ লগত মিলি দিগন্ত বিয়পি গ'ল। কলেজৰ ২য় বাৰ্ষিকৰ ছাত্ৰ ভায়েক ৰতনৰ কথা মনত পৰিলে তাইৰ হিয়াখন ফাটি যাবৰ উপক্ৰম হয়। তথাপিতো ঘৰুৱা শিক্ষয়িত্ৰী হিচাপে আনৰ কণ কণ ল'ৰাছোৱালীবোৰক মানুহ কৰাৰ বাবে চেষ্টা চলাই থাকিব।

.... .... ....আজি জিলা উপায়ুক্ত কাৰ্য্যালয়ৰ ধনীৰাম পিয়নে দি যোৱা চিঠিখন পাইহে সুদীৰ্ঘ বত্ৰিশ বছৰৰ পিছত প্ৰণীতাই অলপমান হাঁহিব যত্ন কৰিছে। "শ্বহীদ পৰিয়াললৈ চৰকাৰী সাহাৰ্য্য।" কিন্তু বাৰে বাৰে তাইৰ অন্তৰখনে হাঁহাকাৰ কৰিছে—ওঁঠ দুখন কঁপিছে আৰু ঠাইতে থিয়দি একেথৰে আকাশলৈ চাই আছে। তাইৰ দেউতাকে সিহঁতক হিয়া উবুৰিয়াই দিয়া আশীৰ্ব্বাদৰ কথাখিনিৰ বাবে বাৰে মনলৈ আহিছে আৰু মেঘৰ মাজত লুকাই থকা অশৰীৰী দেউতাকক চিঞৰি কবৰ মন গৈছে—"তাইৰ ভায়েক ৰতন সিদিনাই 'ডাঙৰ মানুহ' হৈছে যিদিনাই সি দেশ মাতৃৰ বাবে, জনতাৰ বাবে চিৰদিনলৈ হেৰাই গৈছে।"



কথা কবিতা

# মায়া মৃগৰ সন্ধানত

শ্ৰীশৰৎ কুমাৰ হাজৰিকা

পূবে ধলফাট দিছে।

জোতির্ম্ময়ৰ ৰক্তিম আভাই ধৰিত্ৰী দেৱীৰ বিশাল বুকু সম্পূৰ্ণকৈ উদ্ভাষিত কৰি তোলা নাই।

নিদ্ৰামগ্ন বসুন্ধৰা তেতিয়াও চেতন লোকলৈ অহা নাই।

মই ওলালো সোণৰ হৰিণাৰ সন্ধানত। ক'লৈ যাম তাৰ ঠিকনা নাই। মাথো মোক সোণৰ হৰিণা লাগে। কাৰণ... ... ...

কল্পনা দেৱী। মোৰ সপোন কুঁৱৰী, নয়ণৰ মনি কল্পনা দেৱী। মোৰ জীৱনৰ প্ৰতি পলে পলে তায়েই মোক বাট বুলাইছে। মোৰ হৃদয় মণি কোঠাত তায়েই বন্তি জ্বলাইছে। মোৰ কত আশাৰ, কত হেপাহৰ কল্পনা দেৱী — যাক লৈ মই স্বৰগ কানন ৰচো — সেই কল্পনা দেৱীৰেই অনুৰোধ - "মোক সোণৰ হৰিণ এটি আনি দিয়ানা নহলে মই যে··· ··· ···" নাই তাৰ পিছৰ খিনি আৰু ভাবিবই নোৱাৰি।

• ◦ •

সেই বোৱাৰী পুৱাতেই মায়া নদীত স্নান কৰি মই যাত্ৰা আৰম্ভ কৰিলো। হাতত ধনু-কাড়। কাৰণ সোণৰ হৰিণা ধৰোতে

কোনোবাই বাধাওতো দিব পাৰে। মায়া নদীত স্নান কৰাৰ লগে লগে মোৰ মনটোতো বহুত আশা, বহু আকাংশাই জুমুৰি দি ধৰিলে। মোৰ কানত মাথো এটা কথাই বাজি থাকিবলৈ ধৰিলে—"মোক সোণৰ হৰিণা এটা আনি দিয়ানা.... .... ....

নহলে মই যে.... .... ...."

হাতত ধনু ধৰি মই মায়া নদীৰ পাৰৰ জাবৰি ডবাত প্ৰবেশ কৰিলো। তাৰ সেউজ বুলীয়া বিৰিখবোৰৰ হেজাৰ-বিজাৰ ফুলে কিযে সুবভি সনা মোহনীয়া মালা গাঠিছে! সেই ফুলবোৰৰ পাহে পাহে উৰি ফুৰা পখিলাবোৰে মোৰ মনটোকো কোনো এক অজান লোকলৈ উৰাই লৈ গ'ল।

অদূৰত দেখিলো মুকুতাৰ মনি এটি জিল-মিলাই আছে। ভাবিলো এয়া মোৰ মানস প্ৰতিমালৈ এক সুন্দৰ উপহাৰ হব। মই আগবাঢ়ি গলো আৰু মুকুতা মনিটিলৈ হাত আগবঢ়ালো.... .... .... কিন্তু! কিন্তু !! এয়া কি? মোৰ হাতৰ পৰশ পাই মুকুতা মনিটি যে বিগলিত হৈ মাটিৰ বুকুত মিহলি হৈ গ'ল। উঃ!

নাই, আৰু বৈ থাকিব নোৱাৰি। আকৌ আগ বাঢ়িলো ·... ...।

তাৰ অলপ আগতে চকু চাট মাৰি ধৰা উজ্বল জ্যোতিৰে হীৰা এটুকুৰা পৰি আছে। মই আগবাঢ়ি গলো—তাকেই বুটলিব লাগিব। মই হাত আগবঢ়াই দিলো। · · ··· ··

কিন্তু ক'তা!

মোৰ হেজাৰ মৰম প্ৰত্যাখান কৰি হীৰা টুকুৰা যে শিলা খণ্ডলৈ ৰূপান্তৰ হ'ল।

উঃ নিষ্ঠুৰ দুনীয়া!

দুটোপাল চকুলো মচি মই পুনঃ আগবাঢ়িলো। আঃ। বহু বেলি যে হ'ল। মোৰ এতিয়াও সোণৰ হৰিণাৰ লগত দেখা-দেখি হোৱা নাই। সন্ধিয়াৰ আগতেই উভতিব লাগিব, কিন্তু সুদা হাতে-তো উভতিব নোৱাৰি।

আকৌ আগবাঢ়িলো।

এইবাৰ পালোগৈ এটি স্ফটিক নিৰ্ম্মল সৰোবৰ। সৰোবৰৰ বুকুত ফুলি আছে মোহনীয়া পদুমৰ কলিবোৰ। তাৰ পাৰতেই ফুলিছে হেজাৰ-বিজাৰ ৰঙীণ ফুল। তাৰ অচিন সুবভিয়ে মোক বলিয়া কৰি তুলিলে। এয়া মই ইয়াতো যে একে সপোন ৰাজ্যত।

এনেকৈ কিমান সময় পাৰ হৈ গ'ল মই নাজানো। হঠাতে নিৰ্জনতা ভেদ কৰি অৰণ্যলোকৰ পৰ্বতে প্ৰান্তৰে ঠেকা খাই প্ৰতিধ্বনিত হ'ল— "ওঁম"

মই উচপ খাই ইফালে সিফালে চালো। সামান্য দূৰতেই সৰোবৰৰ পাৰৰ প্ৰকাণ্ড শাঁচী গচজোপাৰ তলত বহি আছে এক ভীমাকায় জটাধাৰী বাবা। ধ্যান মগ্ন বাবাৰ মুখত ফুটি উঠিছে স্বৰ্গীয় প্ৰশান্তিৰ ৰেখা। সৰোবৰৰ

পৰা ওলাই অহা জুৰিটিৰ উজ্জ্বল জল-ৰাশিয়ে বাবাৰ পদযুগল ধুৱাই দিছে। বাবা নির্বিকাৰ।

মই থৰ লাগি চাই ৰলো।

বহু সময়ৰ পিছত বাবাই চকু মেলিলে। তেওঁৰ চকুত যেন সংসাৰৰ সমস্ত জ্যোতিয়ে প্ৰকাশ পাইছে। তেওঁ মোৰ ফালে মূৰ তুলি চালে। ময়ো তেওঁৰ ওচৰলৈ আগবাঢ়ি গৈ এটা ভকতিৰ প্ৰণতি যাচিলো। বাবাই হাত দুখন ওপৰলৈ কৰি ঠিয় হ'ল। ……

হঠাতে বাবাই চিৎকাৰ কৰি উঠিল, "মা নিষাদ…………"

মই সচকিত হৈ মূৰ তোলোতে দেখা পালো বাবাৰ ওচৰতে এটা সুন্দৰ ক্ৰৌঞ্চ পক্ষী শৰবিদ্ধ হৈ পৰি আছে আৰু অলপ আঁতৰত তাৰ যোৰৰ পখীটোৱে নিঃসহায় বোবা দৃষ্টিৰে তাৰ পিনে চাই আছে।

এনে মৰ্ম্মান্তিক দৃশ্য চাই থাকিব নোৱাৰি ময়ো চকু মুদি দিলো।……… ।

বহু সময়ৰ পিছত মই চকু মেলিলো। তেতিয়া বাবাৰ আশ্ৰয়ত হেজাৰ-বিজাৰ সোণৰ হৰিণা ঘূৰি ফুৰিছে। কিন্তু সিহঁত মই প্ৰথমতে বিচাৰি অহা সোণৰ হৰিণাজনীৰ ৰঙৰ নাছিল।………

★

---

[ বিঃ দ্ৰঃ— ১৯৮৬ চনৰ মঙ্গলদৈ মহাবিদ্যালয় সপ্তাহত প্ৰথম পুৰস্কাৰ বিজয়ী কথা কবিতা ]

※

# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি (৮৫–৮৬ চন)



সাহিত্যই জাতীয়ত্বৰ আচল চিনাকি—
বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক ঠগীৰাম চহৰীয়া



শিল্পীৰ তুলিকাত পাষাণ প্ৰতিমায়ো প্ৰাণ পাই উঠে। একেবাৰে
জুবজুবৰ (৮৪-৮৫ / ৮৫-৮৬) সুকুমাৰ কলা বিভাগৰ শ্ৰেষ্ঠ শিল্পী
কাবুল বেজবৰুৱা।



= প্ৰত্যয় তথা সোণালী ভৱিষ্যতৰ প্ৰতীক্ষাত
≡ৰৰ শ্ৰেষ্ঠ আন্তঃদ্বাৰ খেলুৱৈ নাৰায়ণ চহৰীয়া




বছৰৰ শ্ৰেষ্ঠা আন্তঃদ্বাৰ—
খেলুৱৈ হিৰন্ময়ী চহৰীয়া।


# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি — ১৯৮৫-৮৬



বছৰৰ শ্ৰেষ্ঠা গায়িকা—
—নিৰালী শইকীয়া।



শ্বহীদ হৰগোবিন্দ গোস্বামী চলন্ত শ্বিল্ডেৰে বছৰৰ
শ্ৰেষ্ঠ সমাজকৰ্ম্মী—শ্ৰীঠগীৰাম চহৰীয়া।



বছৰৰ [illegible] শ্ৰেষ্ঠ [illegible]—
— কুশল চন্দ্ৰ বেজা।



১৯৮৭ চনত ক্ৰমে ডিব্ৰুগড় নেওঁগ সন্থা আৰু অসম বিজ্ঞান সমিতিৰ দ্বাৰা আয়োজিত সদৌ অসম ভিত্তিক ৰচনা প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে এই মহাবিদ্যালয়ৰ ছাত্ৰী
কুমাৰী ননী মজুমদাৰে।

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

গতানুগতিকতাক পৰিহাৰ নকৰাব মান-সেবেই সম্পাদকীয় নিবন্ধ লিখিবলৈ কাপ দাঙিছোঁ। গণতান্ত্রিক সমাজ ব্যৱস্থা তথা ৰাষ্ট্ৰত বাক শক্তিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। বৰ্ত্তমান বিজ্ঞানৰ চৰম উৎকৰ্ষ সাধনৰ যুগত ৰক্ষণশীল মনোভাৱ ত্যাগ কৰি যুক্তিবাদী মন তথা বিচাৰ-বিবেচনাৰে পৰিচালিত হোৱাৰ সময় আহি পৰিছে। এনে এক মানসিকতা গঢ়ি তোলাত সহায় কৰে বিভিন্ন বিষয় বস্তুৰ ওপৰত পতা আলোচনা চক্ৰ, বক্তৃতামালা, তৰ্ক প্ৰতিযোগিতা আদিয়ে। আমাৰ মহা-বিদ্যালয়ৰ তৰ্ক আৰু আলোচনা চক্ৰৰ জৰিয়তে এনে এক প্ৰচেষ্টাকে হাতত লৈ অহা হৈছে। অৱশ্যে এই প্ৰচেষ্টাক ফলৱতী কৰি তোলাৰ বাঘ জৰীডাল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ হাতত।

কাৰ্য্যভাৰ লোৱাৰ সপ্তাহ চেৰেক নৌ-হওঁতেই মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হয়। মহাবিদ্যালয় সপ্তাহত অন্যান্য কাৰ্য্য-সূচীৰ লগতে তৰ্ক আৰু আলোচনা বিভাগৰ তৰফৰ পৰা তৰ্ক প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু প্ৰশ্নোত্তৰ ( কুইজ ) প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কিন্তু মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰী অনুপাতে প্ৰতিযোগীৰ সংখ্যা আছিল তেনেই নগণ্য। সাধাৰণতে বহিঃদ্বাৰ তথা আন্তঃদ্বাৰ খেল বিলাকত খেলৰ যাৱতীয় সৰঞ্জাম তথা প্ৰশিক্ষণ আদিৰ অভাৱৰ অজু-হাততেই প্ৰতিযোগীৰ সংখ্যা কম তথা খেল নিম্ন মানৰ বুলি অভিযোগ কৰা হয়। কিন্তু সৃজনীশক্তি তথা মানসিক শক্তি বিকাশৰ কাৰণেতো তেনে কোনো বিশেষ সুবিধাৰ প্ৰয়োজন নাই? তথাপি আমাৰ ছাত্ৰ-ছাত্ৰী সকল আগবাঢ়ি নাহে কিয়? নিশ্চয় আমাৰ বৌদ্ধিক বিকাশৰ প্ৰতি অনাস্থা তথা প্ৰতি-যোগিতাৰ প্ৰতি থকা হীনমণ্যতাই ইয়াৰ কাৰণ!

বহু মহাবিদ্যালয় তথা প্ৰতিষ্ঠানৰ পৰা তৰ্ক প্ৰতিযোগিতা আৰু আলোচনা চক্ৰৰ বাবে আমন্ত্ৰণী মূলক চিঠি পাইছিলো যদিও মহা-বিদ্যালয় ছাত্ৰ সন্থাৰ তৰ্ক আৰু আলোচনা বিভাগৰ পুঁজি টনকিয়াল নোহোৱাৰ বাবে

আমাৰ অনিচ্ছা স্বত্বেও প্ৰত্যাখান কৰিব-লগীয়াত পৰে। ইয়াৰ অন্য এটা কাৰণ সীমিত পুঁজিৰে “শ্বহীদ স্মৃতি চলন্ত ট্ৰফী” তৰ্ক প্ৰতিযোগিতাখন সঞ্চালনিকৈ ৰখাৰ প্ৰয়াস। গুৱাহাটী বিশ্ব বিদ্যালয় যুৱ মহোৎসৱত তৰ্ক আৰু আলোচনা বিভাগৰ তৰফৰ পৰা যোগদান কৰা হয়।

মঙলদৈ মহাবিদ্যালয় “শ্বহীদ-স্মৃতি চলন্ত ট্ৰফী” তৰ্ক প্ৰতিযোগিতাখনি ইং ১ / ১২ / ৮৬ তাৰিখে দিনৰ ১১-৩০ বজাত মহাবিদ্যালয় প্ৰেক্ষাপ্ৰকোষ্ঠত মঙলদৈ নগৰ বালিকা উচ্চ-মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মাননীয় শ্ৰীহঁাহিৰাম নাথ এম-এ, বি-টি, এল-এল, বি দেৱৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। বিগত অসম আন্দোলনত বিশেষকৈ তিৰাশীৰ ৰক্তাক্ত নিৰ্ব্বাচনৰ আগে আগে অসমী আইৰ পূজাৰ বেদীত প্ৰাণাহুতি দিয়া আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্বহীদ হৰগোবিন্দ গোস্বামী আৰু শ্বহীদ ডিম্বেশ্বৰ ডেকাৰ স্মৃতি ৰক্ষাৰ্থে ১৯৮৩ চনৰ পৰাই “শ্বহীদ স্মৃতি চলন্ত ট্ৰফী” তৰ্ক প্ৰতি-যোগীতা অনুষ্ঠিত কৰি অহা হৈছে। এনে এক প্ৰচেষ্টাৰ বাবে ৮২-৮৩ চনৰ মহাবিদ্যালয় ছাত্ৰ-একতা সভা তথা তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকক কৃতজ্ঞতা জ্ঞাপন কৰিছো। পোনতে সদৌ অসম ভিত্তিত পতাৰ লক্ষ্য আছিল যদিও বিশেষ অসুবিধা হেতু দৰং জিলা (অবিভক্ত) ভিত্তিত পতা হৈ আহিছে। এইবেলিও সদৌ অবিভক্ত দৰং জিলাৰ সকলো মহাবিদ্যালয়, উচ্চতৰ আৰু উচ্চ মাধ্যমিক বিদ্যালয়লৈ আমন্ত্ৰণী পত্ৰ প্ৰেৰণ কৰা হৈছিল আৰু কেবাখনো মহাবিদ্যালয়, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিযোগীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহন কৰে। উক্ত প্ৰতিযোগিতাত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমূখী বিদ্যালয়ৰ ছাত্ৰ-শ্ৰীমুকুট শৰ্ম্মাই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান অৰ্জন কৰি ‘শ্বহীদ হৰগোবিন্দ গোস্বামী স্মৃতি চলন্ত’ বটা লাভ কৰে। দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিৰ সন্মান অৰ্জন কৰি ‘শ্বহীদ ডিম্বেশ্বৰ ডেকা চলন্ত ট্ৰফী’ লাভ কৰে মঙ্গলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ শ্ৰীমানস কলিতাই আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান অৰ্জন কৰি “মঙলদৈ মহাবিদ্যালয়ৰ শ্বহীদ স্মৃতি চলন্ত ট্ৰফী” লাভ কৰে মঙলদৈ নগৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী শ্ৰীমৌচুমী গোস্বামীয়ে। শ্ৰেষ্ঠ দলৰ ট্ৰফী লাভ কৰে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে। উল্লেখযোগ্য এইবাৰ প্ৰতি-যোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী তথা দৰ্শক উপস্থিত আছিল আৰু বঁটাবিতৰণী সভাখন গীত-মাতেৰে জাক্-জমকভাৱে পতা হৈছিল।

কৃতজ্ঞতা স্বীকাৰ: পোন প্ৰথমতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ এই অভাজনক তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰাৰ বাবে আন্তৰিক ধন্যবাদ

তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই ক্ষেত্ৰত মোৰ লগত ওতঃপ্ৰোতভাৱে জৰিত থাকি সহায়-সহযোগ আগবঢ়োৱা বাবে বন্ধুবৰ শ্ৰীঅচ্যুৎ শৰ্ম্মা বৰুৱা, উত্তম কুমাৰ, নগেন ডেকা, মদন গোস্বামী, হৰেণ ডেকা, সূৰ্য্য ডেকা, তপন বৰুৱা, ভগ্নী প্ৰতিম মিনুৱাৰা বেগম আৰু হৰেশ্বৰ চমুৱাদালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। এই বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীহৰিচন্দ্ৰ ডেকা, গুৰুদেৱে মোক প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়াৰ ওপৰিও মোক হাতে-কামে সহায় কৰি দিয়াৰ বাবে তেখেতৰ ওচৰত চিৰঋণী।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল-ক্ৰটীৰ বাবে ক্ষমা ভিক্ষা মাগি এই বিভাগৰ তথা মহাবিদ্যালয় সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয় আই অসম

শ্ৰীসংৰাম ডেকা,

সম্পাদক, তৰ্ক আৰু আলোচনা বিভাগ

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ প্ৰথম পদক্ষেপতে যিসকল অসমীয়া মহান বীৰ শ্বহীদে নিজ মাতৃভূমি, অসমীয়া ভাষা, সাহিত্য-সংস্কৃতি ৰক্ষাৰ্থে কঠোৰ অঙ্গিকাৰ কৰি বুকুৰ তেজেৰে আইক পূজিলে সেইসকল জ্ঞাত-অজ্ঞাত মহান অমৰ বীৰ শ্বহীদলৈ মোৰ অশ্রু-অঞ্জলী যাচিলোঁ। লগতে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা তথা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰীক শুভেচ্ছা যাচিলোঁ—যিসকলৰ অকৃত্ৰিম মৰম স্নেহৰ বাবে মই মহাবিদ্যলয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে সেৱা কৰিবলৈ নিৰ্বাচিত হৈছিলোঁ।

১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখে 'মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা' ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে দায়িত্বভাৰ গ্ৰহণ কৰি বিগত বছৰটোত মই মোৰ দায়িত্বত কিমানখিনি অবিহনা যোগাব পাৰিছোঁ। সেইটো বিচাৰৰ ভাৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ ওচৰত। যি কৰিব নোৱাৰিলোঁ সেইখিনিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা বিচাৰিছোঁ।

বিদ্যালয়, মহাবিদ্যালয়লৈ আহি অকল পাঠ্য-পুথিৰ জ্ঞান আহৰণ কৰাটোৱে আজিৰ ছাত্ৰ সকলৰ দায়িত্ব ও কৰ্ত্তব্য নহয়। লিখা-পঢ়া, খেল-ধেমালী আদিৰ উপৰিও সাংস্কৃতিক দিশটোও শিক্ষাৰ এটা প্ৰধান অংগ হিচাবে লৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে ইয়াক অধ্যয়ণ কৰা উচিত। যিহেতু সংস্কৃতি হ'ল মানৱ জীৱন পদ্ধতিৰ আধাৰ স্বৰূপ। কলা-সংস্কৃতি বিনে এটা জাতিৰ কোনো অস্তিত্ব নাই। ই জাতিৰ প্ৰতীক স্বৰূপ। মানসিক বস্তু সম্ভাৰ আৰু সুকুমাৰ কলা বস্তুৰ সমষ্টিয়েই হৈছে সাধাৰণতে সংস্কৃতি। এই সংস্কৃতি বিনে এটা জাতি জীয়াই থাকিব নোৱাৰে। সেয়েহে আমাৰ কলা-সংস্কৃতিক জীয়াই ৰাখিবলৈ আমি প্ৰত্যেকেই চেষ্টা কৰা উচিত।

বৰ্ত্তমান যুগটো হ'ল প্ৰতিযোগিতাৰ যুগ। প্ৰতিযোগিতা হ'ল মানুহক আগুৱাই নিয়াৰ এপাট অস্ত্ৰ গতিকে আজিৰ যুগত তাহানিৰ সেই "ছাত্ৰানাং অধ্যয়নং তপঃ" কথাষাৰি ৰজিতা নেথায় বুলি মই ভাবো আজিৰ শিক্ষাৰ উদ্দেশ্য হ'ল বহুমুখী শিক্ষা। গতিকে অধ্যয়নৰ

লগতে সকলো দিশতে সমানে চকু দি এজন উপযুক্ত ব্যক্তি হবলৈ সকলোৱে চেষ্টা কৰাটো কৰ্ত্তব্য। মানুহৰ জীৱনত উন্নতি কৰিবলৈ হ'লে সাহস, মনৰ একাগ্ৰতা তথা সাধনাৰ প্ৰয়োজন। সেয়ে মই আশা ৰাখিলোঁ মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মনৰ একাগ্ৰতা তথা ধৈৰ্য্যৰে অধ্যয়নৰ লগতে সাংস্কৃতিক চৰ্চ্চা কৰি অসমীয়া কলা-সংস্কৃতিৰ উন্নতি সাধি আগুৱাই যাব।

ঃ মহাবিদ্যালয় সপ্তাহ ঃ

নতুন সম্পাদক সকলে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে খুউব তত্তাতৈয়াকৈ মহাবিদ্যালয় সপ্তাহ পাতিব লগীয়া হয়। কাৰ্য্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ লগত সংহতি ৰাখি পাঁচদিনীয়া কাৰ্য্য-সূচীৰে মহাবিদ্যালয় সপ্তাহৰ "সাংস্কৃতিক সন্ধিয়া" অনুষ্ঠিত কৰা হয়। এই সাংস্কৃতিক সন্ধিয়াৰ যোগেদি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা চলাওঁ। উক্ত প্ৰতিযোগিতাসমূহত মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰি প্ৰতিযোগিতা সাফল্যমণ্ডিত কৰি তোলে। তাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

ইয়াৰ উপৰিও মোৰ অগ্ৰজ মনোজ সিং তথা উৎসাহী আৰু সংস্কৃতি প্ৰেমী বন্ধু কেইজন মানৰ উদ্যোগত সৰস্বতী পূজাতো এখনি সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয় আৰু বৰ উলহ-মালহেৰে এই সাংস্কৃতিক সন্ধিয়া চলাই নিয়া হয়। যি সকল সংস্কৃতিপ্ৰেমী, উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি বা উপভোগ কৰি সাংস্কৃতিক সন্ধিয়াখন সাফল্যমণ্ডিত কৰি তুলিলে সেই সকলৰ ওচৰতো মই চিৰকৃতজ্ঞ।

ঃ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ঃ -

১৯৮৫-৮৬ চনৰ "যুৱ মহোৎসৱ"ত আমাৰ মহাবিদ্যালয়ৰ পৰা সংগীত বিভাগত এজন প্ৰতিযোগী আৰু নাট্য দলটিয়ে যোগদান কৰে। মই বৰ দুখেৰে জনাবলগীয়া হৈছোঁ যে ১৯৮৫-৮৬ চনৰ 'যুৱ মহোৎসৱ"ত মহাবিদ্যালয়ৰ অধ্যক্ষ তথা কৰ্ত্তৃপক্ষৰ আকোৰগোজ মনোভাৱৰ কাৰণে প্ৰতিযোগিতাসমূহত যি ভাবে যোগদান কৰিব লাগিছিল সেইভাবে কৰিব পৰা নগ'ল। গতিকে মই আশা কৰো পৰৱৰ্ত্তী কালত অধ্যক্ষ তথা কৰ্ত্তৃপক্ষ মহোদয়ৰ এনেকুৱা আকোৰগোজ মনোভাৱ নাথাকে যেন।

ঃ কৰই লাগিব ঃ

মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ ভিতৰতে উচ্চ শিক্ষাৰ বাবে এখন ডাঙৰ মহাবিদ্যালয়। কিন্তু দুখৰ বিষয় এই মহাবিদ্যালয়খনিত সাংস্কৃতিক বাদ্য-যন্ত্ৰ হিচাবে এযোৰ ঢোলক-তবলাৰ বাহিৰে আন একোৱেই নাই। গতিকে লাগতিয়াল অন্যান্য বাদ্য-যন্ত্ৰ নথকাৰ ফলত কাৰ্য্য-সূচী সমূহ চলোৱাত বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিছোঁ। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ

দৃষ্টিগোচৰ কৰাটো কোনো ব্যৱস্থা নকৰাত সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে মই দুঃখিত হৈছোঁ। সেয়ে মই আশা কৰোঁ তথা এই প্ৰতিবেদনৰ দ্বাৰা অধ্যক্ষ মহোদয়ৰ পুনৰ বাৰ দৃষ্টিগোচৰ কৰো যে পৰৱৰ্ত্তী কালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে যেন এই অসুবিধা ভোগ কৰিবলগীয়া নহয়। গতিকে মহাবিদ্যালয়ৰ এই অভাৱ-অভিযোগবোৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যক্ষ মহোদয়ে চিন্তা কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ।

**ঃ শলাগৰ শৰাই ঃ**

মোৰ কাৰ্য্যকালৰ বিভিন্ন সময়ত বিভিন্ন কামত দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত বিজয় গোস্বামী দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰো-পৰি সকলো দিশতে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে কাৰ্য্যনিৰ্বাহক সদস্য—শিৱ প্ৰসাদ বৰুৱা, মুকুল বৰুৱা, মোৰ অগ্ৰজ দিগন্ত শৰ্ম্মা, বন্ধুবৰ অমূল্য বৰুৱা, উপেন বৰুৱা, জগদীশ বৰা, বিৰাজকৃষ্ণ বক্সিতহঁতৰ ওচৰতো মই চিৰকৃতজ্ঞ।

**ঃ ক্ষমা বিচাৰি ঃ**

কাৰ্য্যনিৰ্বাহকৰ কালছোৱাত সকলো বিলাক অজানিত ভুলৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ ওচৰত সদয়ে ক্ষমা ভিক্ষা প্ৰাৰ্থনা কৰি এই মহান শিক্ষানুষ্ঠানটিৰ সৰ্ব্বোতোপ্ৰকাৰে উজ্জ্বল কামনা কৰি মোৰ ক্ষুদ্ৰ লিখনিৰ মোখনি মাৰিলোঁ।

জয় আই অসম।

শ্ৰীহৰেন্দ্ৰ ৰাজবংশী

সম্পাদক,

সাংস্কৃতিক বিভাগ।



# বছৰৰ
# শ্ৰেষ্ঠ নাট্য দল



নাট—"সাপ আৰু ভেকুলী"

মিতালি শইকীয়া
( শ্ৰেষ্ঠা অভিনেত্ৰী )

সীমান্ত কুসুম শৰ্মা
( শ্ৰেষ্ঠ অভিনেতা )



বহি— ( বাওঁ ফালৰ পৰা ) ঃ জয়ন্ত ডেকা, কৃষ্ণেন্দু ডেকা, সীমান্ত কুসুম শৰ্মা ( শ্ৰেষ্ঠ অভিনেতা ) মণিকঙ্কণ বৰুৱা ।

থিয় হৈ— ( বাওঁ ফালৰ পৰা ): ভাস্কৰ কলিতা ( সাজ পাৰত ), কাবুল বেজবৰুৱা ( শ্ৰেষ্ঠ পৰিচালক ), করুণা ডেকা, ভৱজ্যোতি চহৰীয়া ( ২ বছৰ জুৰি দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা ), মিতালি শইকীয়া ( শ্ৰেষ্ঠা অভিনেত্ৰী ) আৰু ভাস্কৰ কোঁৱৰক ফটোত দেখা হোৱা নাই ।

মহাবিদ্যালয়ৰ একেৰাহে দুবছৰৰ ( ১৯৮৫-৮৬ / ১৯৮৬-৮৭ )
শ্ৰেষ্ঠ কুইজ প্ৰতিযোগী দল ।



বহি— ( বাওঁ ফালৰ পৰা ) : শ্ৰীঠগী ৰাম চহৰীয়া আৰু শ্ৰীবিজয় নাথ ।

থিয় হৈ— শ্ৰীশৰৎ কুমাৰ হাজৰিকা ( দল নায়ক )

উল্লেখযোগ্য যে উক্ত দলটোৱে বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মীৰ সন্মানো লাভ কৰিবলৈ সক্ষম হৈছে ।

# মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় প্ৰতিবেদনৰ প্ৰত্যুষতে সাধাৰণ সম্পাদকৰ মেজৰ পৰা মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ বৈপ্লৱিক অভি-নন্দন জ্ঞাপন কৰিছো। লগতে তেওঁলোকৰ বহুমূলীয়া ভোটেৰে মোক নিৰ্ব্বাচনত জয়যুক্ত কৰি সেৱাকণ কৰাৰ সুবিধা দিয়াৰ বাবে কৃতজ্ঞতাৰে সোঁৱৰিছো।

মঙলদৈ মহাবিদ্যালয়ৰ দৰে পুৰণি অথচ সমস্যা বহুল মহাবিদ্যালয় এখনৰ সাধাৰণ সম্পাদকৰ দায়িত্ব লৈয়েই সাধ্যৰ ভিতৰত থকা সমস্যা সমূহ সমাধানৰ কাৰণে মহাবিদ্যা-লয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা আপ্ৰাণ চেষ্টা কৰিছিলো। এই প্ৰচেষ্টাত কিমান দূৰ সফলতা লাভ কৰিব পাৰিলো সেইটো আপোনা সবৰ বিচাৰ্য বিষয়।

**মহাবিদ্যালয় সপ্তাহ :—** কাৰ্য্যভাৰ লোৱাৰ সপ্তাহ চেৰেক নৌ হওঁতেই মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনৰ যো-যা কৰিবলগীয়াত পৰে। যোৱা ইং ৮/১/৮৬ তাৰিখৰ পৰা ১২/১/৮৬ তাৰিখলৈ ৬ দিনীয়া কাৰ্য্য-সূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। বিভাগীয় সম্পাদক সকলে তেওঁলোকৰ বিভাগৰ অন্তৰ্গত প্ৰতি-যোগিতা সমূহ সফলতাৰে অনুষ্ঠিত কৰে। উল্লেখযোগ্য যে মহাবিদ্যালয় সপ্তাহৰ আগতে খৰতকীয়া ভাৱে হলেও বহুদিন শেলুৱৈ পৰি থকা চৌহদৰ সন্মুখৰ পকীদেৱাল সমূহ ৰং কৰা হয় আৰু শ্বহীদ বেদীতো মেৰামতি কৰা হয়। ১২/১/৮৬ তাৰিখে অনুষ্ঠিত মুকলি অধিবেশন তথা বঁটা বিতৰণী সভালৈ গুৱা-হাটী বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য ডঃ দেৱ প্ৰসাদ বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক, প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী, আৰু সু সাহিত্যিক তথা বিশিষ্ট ঔপন্যাসিক মাননীয় শ্ৰীহিতেশ ডেকাক আমন্ত্ৰণ জনোৱা হৈছিল। উল্লেখিত ব্যক্তি সকলৰ ভিতৰত মাননীয় ডঃ দেৱ প্ৰসাদ বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ সম্পাদক শ্ৰীশশধৰ কাকতি, সু সাহিত্যিক মাননীয় শ্ৰীহিতেশ ডেকা আৰু প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী সভাত উপস্থিত থাকি সাৰুৱা ভাষ-নেৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মুকলি অধি-বেশনত পঠিত সম্পাদকীয় প্ৰতিবেদনত মহা-বিদ্যালয় খনিৰ শৈক্ষিক পৰিবেশৰ ওপৰত আলোক পাত কৰি অঙ্ক, ইংৰাজী, জীৱ বিজ্ঞান আৰু শিক্ষা বিষয়ত 'মেজৰ' ( গুৰু ) পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিবলৈ টানি অনুৰোধ জনোৱা হয়।

**স্মাৰক পত্ৰ প্ৰদান :—** ইংৰাজী ২৮ / ৮ / ৮৬ তাৰিখে অধ্যাপক মাননীয় শ্ৰীখৰ্গেশ্বৰ গোস্বামী দেৱৰ সভাপতিত্বত বহা কাৰ্য্যনিৰ্ব্বাহক সভাই স্থায়ী অধ্যক্ষ, মেজৰ পাঠ্যক্ৰম, ইংৰাজী বিষয়ৰ অধ্যাপক নিযুক্তি, খোৱাপানী, নিয়মীয়া বিজুলী যোগান, অৰ্ধনিৰ্মিত অৱস্থাত থকা প্ৰেক্ষাগৃহৰ নিৰ্মানৰ কাম সম্পূৰ্ণ কৰাকে আদি ১৬ দফীয়া দাবীৰ ভিত্তিত এখন স্মাৰক পত্ৰ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত প্ৰদান কৰা হয়। ইয়াৰ ওপৰিও হঠাতে উদ্ভৱ হোৱা কিছুমান সমস্যা যেনে— প্ৰভাত শাখা আৰু নৈশ শাখাৰ শ্ৰেণী সমূহ নিয়মীয়া কৰা, খৰতকীয়া ভাৱে প্ৰয়োজনীয় ডেস্ক-বেঞ্চ আদিৰ ব্যৱস্থা কৰাৰ বাবে মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ তৰফৰ পৰা ভাৰপ্ৰাপ্ত অধ্যক্ষৰ ওচৰত অনুৰোধ জনোৱা হয় আৰু এই ক্ষেত্ৰত কিছু সুফলো পোৱা হয়।

**উৎসৱ সমাৰোহ আদি পালন :—** মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উদ্যোগত সৰস্বতী পূজা, ফাতেহা-ই-দোৱাজদাহম, ১৪ / ১১ / ৮৬ তাৰিখে 'নৱাগত আদৰণি সভা' আদি পালন কৰা হয়। আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ উদ্যোগত আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ অধিবেশন খনিও মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়।

**শোক সভা :—**

প্ৰয়াত সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কৃত্তি সমালোচক, প্ৰাচ্যতত্ত্ববিদ দাৰ্শনিক পণ্ডিত তীৰ্থ নাথ শৰ্ম্মা, অসমীয়া ভাষা সাহিত্যৰ অন্যতম কৰ্ণধাৰ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰী, মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী অলকা ডেকা আৰু দিপালী দেৱীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোক প্ৰস্তাৱ লোৱা হয়।

**আনুসঙ্গিক :—** অসম আন্দোলনৰ সময়ছোৱাত আমাৰ মহাবিদ্যালয়ৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰী সকলে অৱৰ্ণনীয় দুখ কষ্ট ভোগ কৰিবলগীয়াত পৰিছিল আৰু শৈক্ষিক পাৰিবেশবো কিছু অৱনতি ঘটিছিল। সেয়ে শৈক্ষিক পৰিবেশ তথা চূড়ান্ত পৰীক্ষা সমূহৰ ফলাফললৈ লক্ষ্য ৰাখি শ্ৰেণী সমূহ নিয়মীয়া কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰো। আন্দোলনাত্মক ভূমিকা নলৈ সমস্যা সমূহ যংপৰোনাস্তি আলাপ আলোচনাৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰা হয়। সাম্প্ৰতিক কালত গা-কৰি উঠা ৰেগিং নামৰ ব্যাধিটোৰ নামত যাতে কোনো নৱাগত ছাত্ৰ-ছাত্ৰীক লঘু লাঞ্চনা বা হাৰাশাস্তি কৰা নহয় তাৰ বাবে বিহিত ব্যৱস্থা লোৱা হয়।

**কৃতজ্ঞতা স্বীকাৰ :—** মোৰ কাৰ্যকালছোৱাত যি সকল অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে সহায়-সহযোগ আগবঢ়াই কাম নিয়াৰিকৈ চলাই নিয়াত সহায় কৰিলে তেওঁলোকৰ চিৰকৃতজ্ঞ আৰু ঋণী।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল ত্ৰুটীৰ বাবে ক্ষমা ভিক্ষা মাগি নিবস প্ৰতিবেদনৰ সামৰনি মাৰিছোঁ।

জয় আই অসম

**শ্ৰীপ্ৰসন্ন কুমাৰ শইকীয়া**
সাধাৰন সম্পাদক,
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।
ইং ১২ / ১২ / ৮৬

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মঙলদৈ কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী, শ্ৰদ্ধাস্পদ অধ্যক্ষ, পূজনীয় অধ্যাপক অধ্যাপিকা আৰু কলেজৰ সমূহ কৰ্মীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মই এই ক্ষুদ্ৰ প্ৰতিবেদন লিখিবলৈ আৰম্ভ কৰিছোঁ।

প্ৰথমে ইং ১৯৮৫-৮৬' চনৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ ওচৰত গণতান্ত্ৰিক ভিত্তিত আপোনালোকৰ সেৱা কৰিবলৈ বিনা প্ৰতিদ্বন্দীতাৰে সহকাৰী সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি মোক এনে গুৰুভাৰ অৰ্পন কৰাৰ বাবে মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ নজনাই নোৱাৰিলোঁ। মোক আপোনালোকে নিৰ্ব্বাচিত কৰি আপোনালোকৰ সেৱা কৰিবলৈ দিলে, নেজানো মই তাক কিমানদূৰ পালন কৰিব পাৰিলোঁ।

অতি কষ্টৰ মাজেৰেও মই মোৰ দায়িত্ব পালম কৰিবলৈ যাওঁতে যি সকলে মোক সহায় কৰিলে তেওঁলোক সকলোৰে ওচৰত মই চিৰ ঋণী।

সদৌ শেষত মই সম্পাদক হৈ থকা কাল ছোৱাত জ্ঞাতে অজ্ঞাতে যদি কাৰোবাৰ ওচৰত কিবা দোষ কৰিছিলো তাৰ বাবে ক্ষমা ভিক্ষা মাগিছোঁ।

শ্ৰীকন্দৰ্প চহৰীয়া
সহকাৰী সাধাৰণ সম্পাদক
মঙলদৈ কলেজ।

# সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মঙ্গলদৈ মহাবিদ্যালয়ৰ পৰা অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকল আৰু অসমৰ জ্ঞাত অজ্ঞাত সকলো শ্বহীদলৈ আমাৰ অশ্ৰু ভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈও শ্ৰদ্ধাঞ্জলি তথা আন্তৰিক কৃতজ্ঞতা নিবেদিছো।

আই অসমীৰ এক সংকট কালিণ সময়ত অসীম সাহস বুকুত বান্ধি অসম মাতৃৰ পূজাৰী হিচাবে সুবিধাকণ বিচাৰি মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত ১৯৮৫-৮৬ চনৰ ছাত্ৰ সন্থাৰ "সুকুমাৰ কলা" বিভাগৰ সম্পাদক হিচাবে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ।

বিদ্যালয়, মহাবিদ্যালয়লৈ আহি অকল পাঠ্যপুথিৰ জ্ঞান আহৰণ কৰাটোৱে আজিৰ ছাত্ৰ সকলৰ দায়িত্ব ও কৰ্ত্তব্য নহয়। নিজকে এজন ভাল শিল্পী হিচাপে গঢ় দিয়াটোও ছাত্ৰ সকলৰ দায়িত্ব আছে। এই দৰে এজন ছাত্ৰ বা ছাত্ৰীয়ে নিজকে শিল্পী বুলি পৰিচয় দিব পৰাটোহে এক মহান আদৰ্শ। এইখিনিতে মহাবিদ্যালয়ৰ সমূহ সুকুমাৰ শিল্পীলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**মহাবিদ্যালয় সপ্তাহ :—**

নতুন সম্পাদক সকলে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত খুব ততাতৈয়াকৈ মহাবিদ্যালয় সপ্তাহ পাতিব লগীয়া হয়। ইয়াৰ কাৰণ হ'ল "আন্তঃ মহাবিদ্যালয় সপ্তাহলৈ" প্ৰতিনিধি নিৰ্বাচন কৰা। অইন কেইবছৰৰ দৰে মহাবিদ্যালয় সপ্তাহ উপলক্ষে এইবাৰো 'সুকুমাৰ কলা' বিভাগৰ বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা সমূহ আয়োজন কৰা হয়। শ্ৰেষ্ঠ "সুকুমাৰ শিল্পী" হোৱাৰ গৌৰৱ অৰ্জন কৰে শ্ৰীকাবুল বেজবৰুৱাই।

**আন্তঃ মহাবিদ্যালয় সপ্তাহ :—**

এই বেলি গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় সপ্তাহত আমাৰ মহাবিদ্যালয়ৰ "সুকুমাৰ কলা" বিভাগৰ তৰফৰ পৰা মুঠ তিনিজন সুকুমাৰ শিল্পীক নিৰ্বাচন কৰা হয়। সুকুমাৰ কলা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ পৰা যোগদান কৰি উচ্চমান বিশিষ্ট এই গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত

মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতিযোগী সকলেও সমাদৰ লাভ কৰিছিল ।

**কৃতজ্ঞতা এই সকললৈ :—**

কাৰ্য্যকালৰ আৰম্ভনিৰে পৰা শেষলৈকে সকলো দিশতে দিহাপৰামৰ্শ দি অহাৰ বাবে এই বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীজামালুদ্দিন আহমেদ চাৰ'ৰ ওচৰত মই বিশেষ ভাৱে চিৰ কৃতজ্ঞ । তেখেতৰ উপদেশ তথা ব্যৱহাৰ মই সদায় স্বীকাৰ কৰিব লাগিব । ইয়াৰোপৰি সকলো দিশত সহায় সহযোগিতা আগবঢ়োৱা বাবে সমূহ কাৰ্য্যনিৰ্বাহক সদস্য তথা মোৰ বন্ধু-বান্ধৱী—মদন, ডিম্বেশ্বৰ, দিগন্ত, মঞ্জু, উলূপী আৰু চন্দ্ৰলতাহঁতৰ ওচৰতো মই কৃতজ্ঞ ।

**ক্ষমা বিচাৰি :—**

সদৌ শেষত কাৰ্য্যনিৰ্বাহৰ কালছোৱাত সকলোবিলাক অজ্ঞানিত ভুলৰ বাবে ক্ষমা বিচাৰি এই মহান শিক্ষানুষ্ঠানটিৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি ক্ষুদ্ৰ প্ৰতিবেদনৰ দুৱাৰ বন্ধ কৰিলো ।

জয় আই অসম

**শ্ৰীবকুল বৰুৱা,**

সম্পাদক,

সুকুমাৰ কলা

মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি ১৯৮৫-৮৬ চনৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিছো।

১৯৮৫-৮৬ চনৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে আপোনালোকৰ সেৱা কৰিবলৈ যি কণ সুবিধা দিলে তাৰ বাবে মই আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ। সম্পাদক হিচাবে মই কিমান দায়িত্বশীল হব পাৰিছো তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওচৰত এইটোও ঠিক যে মই জনাত মোৰ কৰ্ত্তব্যক তিলমানো অৱহেলা কৰা নাই।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব লৈয়েই পোন প্ৰথমে মহাবিদ্যালয়ৰ সপ্তাহৰ সম্মুখীন হওঁ। ইং ৮ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত বিভিন্ন খেল সমূহ বিশেষকৈ বেডমিণ্টন, টেবুলটেনিচ, কেৰম ব্ৰীজ, ডবা আৰু নতুনকৈ মিক্সডাবল কেৰম আৰু বেডমিণ্টন আদি খেল সমূহ অনুষ্ঠিত হয়। উক্ত খেল সমূহ বিভিন্ন অসুবিধাৰ মাজেৰে নিয়াৰিকৈ চলাই নিওতে প্ৰত্যেকজন সচেতন ছাত্ৰৰ পৰা পোৱা সহায়, পৰামৰ্শ তথা ত্যাগৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

এইখিনিতে উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাটিৰ বৰ্ত্তমান অৱস্থা শোচনীয়। কাৰণ ছাত্ৰৰ অনুপাতে বিভিন্ন খেল-ধেমালীৰ সজুলি আৰু পুজি পৰিমাণ অতি কম। তদুপৰি কোঠাটিৰ মেৰামতি আৰু অৰ্ধ নিৰ্মিত হৈ থকা বিজুলী যোগান এতিয়ালৈকে হোৱা নাই। মই এই বিলাক অভিযোগ মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিছিলো, কিন্তু তেওঁলোকে তাত বিশেষ মনোযোগ দিছে বুলি মোৰ মনে নধৰে। এইখিনিতে মোৰ কলেজ কৰ্ত্তৃপক্ষ আৰু আগন্তুক ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকলৈ এটি বিশেষ অনুৰোধ যে, তেওঁলোকে যেন মহাবিদ্যালয়ৰ মানদণ্ড চাই ছাত্ৰ জিৰণি কোঠাৰ উন্নতিৰ বাবে যি কাম মই সম্পূৰ্ণ কৰিব নোৱাৰিলো, সেই কাম সম্পূৰ্ণ কৰে।

সামৰণিৰ শেষত মই বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত ঈশ্বৰ শৰ্ম্মা ভৰালীলৈ আন্তৰিক কৃতজ্ঞতা যাছিলো। আৰু মোক বিভিন্ন দিশত সহায় কৰি অহা ছাত্ৰ বন্ধু সকল সৰ্ব্ব শ্ৰী প্ৰশান্ত নাথ, পুলিন ডেকা, শৈলেন্দ্ৰ চহৰীয়া, হেমন্ত ডেকা; নালনী ডেকা, ধ্ৰুৱজ্যোতি চহৰীয়া, কৃষ্ণেন্দু ডেকা, দীপক বৰুৱা, গিৰিশ ভূঞা, মখলে ৰহমান, ৰঞ্জন দাস, সমীৰণ শইকীয়া, জীতেন দত্ত আৰু অনিল নাথলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল ক্ৰটিৰ বাবে ক্ষমা ভিক্ষা প্ৰাৰ্থনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—

**শ্ৰীনাৰায়ণ চহৰীয়া**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
মঙ্গলদৈ মহাবিদ্যালয়।
১৯৮৫-৮৬ চন।

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে মঙ্গলদৈ মহাবিদ্যালয় ১৯৮৫-৮৬ চনৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে মনোনীত কৰা বাবে মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ লগতে মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ মহাবিদ্যালয়ৰ শহীদ সকলক।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আৰম্ভ হৈছিল মহাবিদ্যালয় সপ্তাহ। বিগত বছৰবোৰৰ দৰেই এই বছৰৰো অন্তঃদ্বাৰ খেল সমূহৰ প্ৰতিযোগিতা পতা হৈছিল। ইং ৮/১/৮৬ তাৰিখৰ পৰা ৫ দিনীয়া কাৰ্য্যসূচীৰে ছাত্ৰী জিৰণি কোঠাৰ খেল সমূহ আৰম্ভ হয়। খেল সমূহ চলাই যোৱাত বহুতো অসুবিধাৰ সন্মুখীন হব লগীয়া হৈছিল। তৎস্বত্বেও কেইজনমান ছাত্ৰ বন্ধু আৰু ছাত্ৰী বান্ধৱীৰ সহায় সহযোগত খেল সমূহ নিয়াৰিকৈ চলাব পাৰিছিলোঁ। অতি পৰিতাপৰ বিষয় যে মহাবিদ্যালয়ৰ ছাত্ৰীৰ তুলনাত খেল সমূহত নিচেই কম সংখ্যক ছাত্ৰীয়েহে যোগদান কৰিছিল। সচাঁকৈয়ে ছাত্ৰী সকলৰ খেল-ধেমালিৰ প্ৰতি উৎসাহ উদ্দীপনা তেনেই কম। অতি লাজৰ আৰু দুখৰ বিষয় যে টেবুল-টেনিচ খেলত মাত্ৰ ৩ জনী ছোৱালীয়ে যোগদান কৰিছিল। যিয়েই নহওঁক যিসকল ছাত্ৰীয়ে প্ৰতিযোগিতা সমূহত জয়ী হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। আনহাতে যিসকলে জয়ী হব নোৱাৰিলে তেওঁলোকে যাতে ভৱিষ্যতে অধিক অনুপ্ৰাণিত হৈ খেলত যোগদান কৰে তাৰ বাবে অনুৰোধ জনাইছোঁ।

ছাত্ৰী জিৰণি কোঠাটোৰ বহুতো সমস্যা আছে। সকলোবোৰ সমস্যা একেলগে সমাধান কৰাটো সম্ভৱো নহয়। মোৰ কাৰ্য্যকাল সময়ত যি অলপ সময় পালো সেই সময় ছোৱাতে কিছু সমস্যা সমাধানৰ বাবে চেষ্টাৰ ক্ৰুটি কৰা নাই। তাৰোপৰি Director of Sports Council লৈ মই খেলৰ লাগতিয়াল সা-সামগ্ৰী, বিশেষকৈ টেবুল টেনিচ বৰ্ডৰ বাবে আবেদন জনাইছোঁ। তেওঁলোকে আমাৰ লাগতিয়াল সামগ্ৰী সমূহ যোগান ধৰিবলৈ আশা প্ৰকাশ কৰিছে। যদি মোৰ কাৰ্য্যকাল ছোৱাৰ ভিতৰত সেই সুবিধাখিনি হৈ নুঠে তেতিয়া যেন মোৰ পৰৱৰ্তী সম্পাদিকাই চেষ্টাৰ ক্ৰুটি নকৰে। মহাবিদ্যালয়খনৰ বৃহৎ সংখ্যক ছাত্ৰীৰ তুলনাত ছাত্ৰী জিৰণি কোঠাটো নিচেই সৰু। আনহাতে Latrine আৰু

Urinal রুমৰ ভিতৰৰে সংযোগ হোৱাত রুমটোত জিৰণি লোৱাৰ পৰিবেশ নেথাকে, আৰু জামাদাৰেও জিৰণি কোঠা পৰিস্কাৰ নকৰে ফলত দুৰ্গন্ধত ঠেক রুমটোত জিৰণি লোৱা অসম্ভৱ। তথাপি দূৰৰ পৰা অহা ছাত্ৰীসকলে উপায় বিহীন হৈ সেই অসম্ভৱক সম্ভৱ কৰিবলৈ বাধ্য হয়। অতি দুখৰ বিষয় যে আমাৰ ছাত্ৰী জিৰণি কোঠা-টোৰ খিৰিকীৰ গ্লাচ সমূহ ভাঙা, খিৰিকীত ৰদ নাই আৰু দুৱাৰত তলাৰ ব্যৱস্থা নাই। যাৰ ফলত খিৰিকীত আৰি থোৱা পৰ্দা বিলাক চুৰ হয়। তাৰোপৰি রুমটোত বহি-বৰ কাৰণে ভাল ডেক্স-বেন্স আৰু বিজুলি-পাখা নাই। ছাত্ৰীসকলে বিৰক্তিত প্ৰশ্ন কৰে সম্পাদিকাই কি কৰিছে? কিন্তু কথা হ'ল সম্পাদিকাই কি কৰিব পাৰে? সম্পাদিকাই মাত্ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত আবেদন জনা-বহে পাৰে। যিয়েই নহওঁক রুমটোৰ সমস্যা সমাধান হবলৈ হ'লে অধ্যক্ষ মহোদয়ৰ ছাত্ৰী সকলৰ প্ৰতি সহানুভূতি আৰু আন্তৰিকতাৰ অতিকে প্ৰয়োজন। সেয়েহে মই অধ্যক্ষ মহো-দয় আৰু কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁ যাতে ছাত্ৰীসকলৰ অসুবিধালৈ লক্ষ্য ৰাখিয়ে এটা আহল বহল জিৰণি কোঠাৰ ব্যৱস্থা কৰে।


মোৰ কাৰ্য্যকাল ছোৱাত যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোৰ সকলো কামতে সহায়-সহযোগ আগবঢ়ালে তেওঁলোকক মোৰ আন্তৰিক মৰম আৰু হিয়া ভৰা ওলগ জনালোঁ। বিশেষকৈ মই কাৰ্য্যভাৰ লোৱাৰ আগৰে পৰা কাৰ্য্যভাৰ অৰ্পন কৰালৈকে সৰু ডাঙৰ সকলো কামতে থাকি সহায় কৰা বাবে মোৰ বন্ধু শ্ৰীঅনিল নাথ আৰু মোৰ সহপাঠী বান্ধৱী মিছ অনুপমা দেৱীলৈ মোৰ মৰম আৰু শুভেচ্ছা থাকিল। মোৰ অতিকে শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীবন্দনা গোস্বামী বাইদেৱে মোৰ দায়িত্ব পালনত সকলো কামৰ আগত দিয়া মূল্যবান উপদেশ সমূহৰ কথা শ্ৰদ্ধাৰে সুঁৱৰি তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে যি সকল বন্ধু-বান্ধৱীয়ে মোক সম্পাদিকা হিচাবে থিয় দিবলৈ উৎসাহ উদ্দীপনা দিছিল সেই সকললৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

মোক এইকণ লিখাৰ সুবিধা দিয়া বাবে আলোচনীৰ সম্পাদক শ্ৰীশিৱপ্ৰসাদ বৰুৱা দেৱক ধন্যবাদ জনাইছোঁ।

পৰিশেষত বছৰটোৰ অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰি লগতে মোৰ অতিকে প্ৰিয় মঙ্গলদৈ মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ। ইতি—

**শ্ৰীৰুণজুন গগৈ**
সম্পাদিকা; ছাত্ৰী জিৰণি কোঠা।
মঙ্গলদৈ মহাবিদ্যালয়।

## মঙ্গলদৈ মহাবিদ্যালয়ৰ সদৌ অসম চাইকেল অভিযাত্ৰী দলটি
## ( পঞ্চম অসম ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী )



সোঁফালৰ পৰা :- মাননীয় শ্ৰীমান আৰ, এছ, লিংডো, ( চুবেদাৰ মেজৰ ) কুশল নাথ, নগেন ডেকা, ক্ষিতেশ্বৰ ডেকা, চম্পক শৰ্ম্মা, শৰৎ বৰুৱা, গৌতম বৰুৱা, দেবেন শৰ্ম্মা, ( আন্দাৰ অফিচাৰ ) ভূপেন শৰ্ম্মা, ( আন্দাৰ অফিচাৰ ) অতুল বড়া ( আন্দাৰ অফিচাৰ ) চন্দন বৰুৱা, ( চিনিয়ৰ আন্দাৰ অফিচাৰ ) অধ্যাপক যাদব নাথ ( তত্বাবধায়ক )

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

এখন মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ সম্পাদক হিচাবে সম্পাদকীয় প্ৰতিবেদন লিখাত সাহিত্য সম্পৰ্কীয় লিখনিয়েই প্ৰাধান্য লাভ কৰাটো স্বাভাৱিক। বিৰ্ৰতমান সমাজৰ একো একোটা দিশত দৃষ্টিপাত কৰিবলৈ গৈ সময়ে সময়ে আমি উজুটি খাও। আজি সমাজ সচেতন প্ৰতিজন ব্যক্তিয়ে এটা কথা স্বীকাৰ কৰি লৈছে—বিশ্বৰ শান্তিৰ পথত যদি অৰিহণা যোগাবৰ বাবে কিবা একক শক্তি আছে তেন্তে সেইয়া হৈছে চিন্তাশীল সাহিত্যিকৰ চোকা কলম, কলমৰ ধাৰে আৰ্জনা চুকুকি নিয়ে। ৰাজনীতি, সমাজনীতি আদি সকলোতে কলমৰ খোচে খুছি থকা-সৰকা কৰে। সাহিত্যৰ 'ডেফিনিশ্যন' দিব খোজা নাই, সমাজৰ 'ডেফিনিশ্যন' দিব খোজা নাই -ক'ব খুজিছো যে সমাজৰ ওপৰত সাহিত্যৰ যি প্ৰভাৱ সেই প্ৰভাৱ সাৰ্থকভাৱে উপলব্ধি কৰাত আৰু তাৰ জৰিয়তে নিজকে সেই কাৰ্য্যত ব্ৰতী হোৱাত আমাৰ উঠি অহা চাম লিখক-লিখিকাই মনোনিবেশ কৰিব পাৰিছে নে নাই? আৰু যদি পাৰিছে তাৰ গভীৰতাই বা কিমান আৰু যদি পৰা নাই তেন্তে তাৰ কাৰণ সমূহ কি? ইয়াৰ লগত এশ এবুৰি অন্যান্য সমস্যা, অন্যান্য প্ৰশ্নও সাঙোৰ খাই আছে।

বিশ্বত তোলপাৰ লগোৱা কথা বাৰু বাদেই দিলো। নিজৰ দেশখনতে তোলপাৰ লগাব পৰা, চিন্তাৰ খোৰাক দিব পৰা সাহিত্য সৃষ্টি স্বাধীনোত্তৰ ভাৰতত সৃষ্টি হোৱা নাই। অৱশ্যে স্বাধীনতাৰ পূৰ্ব কালত যে তেনে বিশেষ সাহিত্য সৃষ্টি হৈছিল, সেই কথাও সঁচা নহয়। তথাপিও স্বাধীনতাৰ কবলত থকা ভাৰতীয় লোকৰ মুক্তিৰ সপোন ৰচা তেতিয়াৰ চাম সাহিত্যিকৰ মাজত সমাজ চেতনা যিমান প্ৰকাশ পাইছিল, আজিৰ সাহিত্যত তুলনামূলক হিচাবে তাৰ লেশমানো নাই।

সাহিত্য ৰচনাৰ অনুকূল পৰিবেশ সৃষ্টি হোৱা নাই বুলি কবৰো থল নাই। কিয়নো ভৌগোলিক পৰিবৰ্তন ঘটিছে, প্ৰাকৃতিক দুৰ্যোগ ঘটিছে, ৰাজনৈতিক পৰিবৰ্তন হৈছে, যুদ্ধও হৈছে আৰু ক'ত কি হৈছে—যি বিলাক পৰিবেশৰ আঁহে আঁহে যুগজয়ী ৰচনা সম্ভৱ হয়তো হব লাগিছিল—তেন্তে? অনুৎপাদক মগজু আৰু সিয়ো সমাজ ব্যৱস্থাৰ বাবেই। তেন্তে সমাজ ব্যৱস্থাৰ বান্ধোন ওফৰাই দিব পৰা সাহিত্য

সৃষ্টি হোৱা নাই কিয় ? ইয়াৰ উত্তৰ হৈছে আত্মসচেতনতা আৰু আত্মবিশ্বাসৰ মাধ্যমেৰে নিজকে বিশ্লেষণ কৰি চোৱাৰ যি কামনা, তেনে কামনাৰ তিল-কড়ি-গণ্ডাৰো ডেকাচাম সাহিত্যি-কৰ মাজত অভাৱ। এই শোচনীয় পৰিবেশৰ অৱসান ঘটাবলৈ প্ৰতিজন সাহিত্য-প্ৰেমীয়েই হাতত চোকা কলম লওক, অগ্নিবৰ্ষা লৌহ কলম, নিজৰি আহক লুইতৰ বলীয়া বানৰ দৰে সকলো একাকাৰ কৰি সাহিত্যিৰ বালি চাপৰিত পলস পৰা চিয়াঁহীৰ ঢল। ইয়াৰ বাবে প্ৰেৰণা হওক নতুন পুৰুষৰ আত্ম-বিশ্লেষণৰ 'Egoism'।

**কব খোজো :—**

মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰি কিমান সুচাৰু-ৰূপে মই সাহিত্য বিভাগৰ কাম সমূহ পৰিচালনা কৰিলো মই কব নোৱাৰো। পৰা পক্ষত মই মোৰ কাম সুচাৰুৰূপেই পৰিচালনা কৰিছো। ইয়াৰ বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত সমালোচনাৰ পাত্ৰ হৈ ৰলো।

**কৃতজ্ঞতা :—**

বিগত বছৰটোত মোক নানা কামত সহায় কৰাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয় ডঃ পূৰ্ণ চন্দ্ৰ বৰা, মাননীয় অধ্যাপক মহোদয় শ্ৰীহৰিশ ডেকা আৰু সাহিত্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা মহোদয়া শ্ৰীমতী উষা বৰা আদিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। আৰু মোৰ বিভিন্ন কাম-কাজত সহায় সহযোগ কৰাৰ বাবে কৃষ্ণেন্দু, ইবান; যাদৱ, ধন, চাৱিহা, কৱিতা আদিক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**শেষত :—**

ছাত্ৰ-ছাত্ৰী বন্ধু সকলে যি আশা আৰু বিশ্বাসেৰে মোক নিৰ্বাচিত কৰিছিল সেই আশা আকাংখা কিমান দূৰ বাস্তৱায়ণ কৰিব পাৰিছো, নাজানো। তথাপি সীমিত সুবিধাৰ মাজেৰেই চেষ্টা কৰিছিলো। শেষত মোৰ কাৰ্য্যকালৰ ভিতৰত অজানিতে কৰা দোষ-ত্ৰুটীৰ ক্ষমা বিচাৰি—

**শ্ৰীভুবেশ ডেকা**
সম্পাদক,
সাহিত্য বিভাগ।
২৯/১০/৮৬

# ৰাষ্ট্ৰীয় সেৱা আঁচনি বিভাগৰ অধিনায়কৰ প্ৰতিবেদন

দেশ বুলি কলে আদেশ নালাগে
মোৰ তেজৰ তুমুৰলিত গৈ বগাই উঠে
এহেজাৰ এটা ৰণুৱা ঘোঁৰা।

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত সদৌ অসম ছাত্ৰ সন্থাৰ ৰক্ত ৰঞ্জিত পতাকাৰ তললৈ ৰণুৱা ঘোঁৰাৰ দৰে আগবাঢ়ি গৈ যি সকল পুণ্যাত্মাই জীৱন আহুতি দিলে, যি সকলে পুলিচৰ লাঠি আৰু গুলীত চিৰজীৱনলৈ ঘৃণীয়া হ'ল সেই সকল মহান অসমীয়ালৈ আমি শ্ৰদ্ধাৰ অঞ্জলি নিবেদিছো।

অধিনায়কৰ প্ৰতিবেদনৰ প্ৰাকমূহূৰ্ত্তত মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্য্য-সূচী বিষয়া, প্ৰাক্তন অধিনায়ক আৰু এই বিভাগৰ যি সকল ছাত্ৰ-ছাত্ৰীৰ অকৃত্ৰিম মৰম চেনেহৰ বাবে আমি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়ক হোৱাৰ সুযোগকণ পালো, সেই সকললৈ কৃতজ্ঞতা আৰু প্ৰীতি শুভেচ্ছাপূৰ্ণ নমস্কাৰ নিবেদন কৰিছো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত থকা আন আন মহাবিদ্যালয়ৰ দৰে আমাৰ মহাবিদ্যালয়তো ৰাষ্ট্ৰীয় সেৱা আঁচনি নামৰ এটা ছাত্ৰ সংগঠন আছে – যিটো সংগঠনে ১৯৭২ চনৰ পৰা বৰ্ত্তমানলৈকে কিছুমান লক্ষ্য আৰু উদ্দেশ্য আগত লৈ সমাজৰ, দেশৰ হিত-সাধনত সক্ৰিয় অংশ গ্ৰহণ কৰি বিশ্ববিদ্যালয়ৰ ভিতৰতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে।

**ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্য**

[ Aim of National Service Scheme ]

১) ৰাষ্ট্ৰীয় সেৱা আঁচনি যোগে সমাজ আৰু জাতিলৈ সেৱা আগবঢ়োৱা।

২) দুখীয়া শ্ৰেণীক সহায় কৰা আৰু তেওঁলোকৰ সমস্যাবোৰ সমাধান কৰা।

৩) নিজৰ জিৰণি সময়ছোৱাক সদব্যৱহাৰ কৰি সময়ৰ উপযুক্ত মূল্য দিয়া।

৪) কৰ্ত্তব্যবোধ উপলদ্ধি কৰা।

৫) অধ্যয়ণৰ সময় ছোৱাত নিজৰ লগতে আন দহজনৰ বাবে চিন্তা কৰা।

ওপৰোক্ত লক্ষ্য আৰু উদ্দেশ্য সমূহক আগত লৈ মঙ্গলদৈ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে মহাবিদ্যালয় চৌহদৰ লগতে দেশৰ বিভিন্ন অঞ্চলত সেৱা আগবঢ়ায়। এই খিনিতে আমাৰ কালছোৱাত হোৱা বিভিন্ন কাম সমূহৰ চমু আভাষ দাঙি ধৰা হ'ল—

১) মহাবিদ্যালয় চৌহদত—

আমি যোৱা ৩ / ২ / ৮৫ তাৰিখে অধিনায়ক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰো। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ২৮ / ২ / ৮৫ তাৰিখে মহাবিদ্যালয়ৰ চৌহদত এটি অৰ্দ্ধদিনীয়া শিবিৰ অনুষ্ঠিত কৰো। এই শিবিৰত মহাবিদ্যালয়ৰ প্ৰায় ১২০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি চৌহদ পৰিস্কাৰ কৰে।

২) টংলা মহাবিদ্যালয়ত—

যোৱা ৫ জুন তাৰিখে টংলা মহাবিদ্যালয়ত অসম বনবিভাগৰ দ্বাৰা আয়োজিত বিশ্বপাৰিপাৰ্শ্বিক দিবসৰ চাৰিদিনীয়া শিবিৰত আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কেবাজনো ছাত্ৰই অংশ গ্ৰহণ কৰে। এই শিবিৰত ছাত্ৰ-ছাত্ৰী সকলে বৃক্ষৰোপণ আৰু বৰ্তমান অবহেলিত অসম বনাঞ্চলৰ গুৰুত্বৰ ওপৰত কৰা বিভিন্ন আলোচনাচক্ৰত ভাগ লয়।

৩) ছয়গাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত—

যোৱা ১৪ / ৮ / ৮৫ তাৰিখৰ পৰা ২০ / ৮ / ৮৫ তাৰিখলৈ ছয়গাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হোৱা বিশ্ববিদ্যালয় পৰ্য্যায়ৰ বিশেষ শিবিৰত আমাৰ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ৪ জন ছাত্ৰই অংশ গ্ৰহণ কৰে। তেওঁলোক ক্ৰমান্বয়ে শ্ৰীঠগীৰাম চহৰীয়া, চন্দ্ৰকান্ত নাথ, শশীন নাথ আৰু পুৰণ চন্দ্ৰ নাথ। উক্ত শিবিৰত ছয়গাওঁ ছোৱালী হাইস্কুলৰ চৌহদৰ বেৰ মেৰামতি, বৃক্ষৰোপন, চান্দোসদাগৰৰ মেৰঘৰৰ চৌহদ পৰিস্কাৰ আৰু জিৰনিৰ সময়ছোৱাত আলোচনাত অংশ গ্ৰহণ কৰা হয়।

শ্ৰীশ্ৰীকৃষ্ণ ৰাসোৎসৱ ( মঙ্গলদৈ )

মঙ্গলদৈ চহৰৰ সনাতন ধৰ্মমন্দিৰ প্ৰাঙ্গনত অনুষ্ঠিত হোৱা শ্ৰীশ্ৰীকৃষ্ণ ৰাসোৎসৱত প্ৰতি বছৰে আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে সেৱা আগবঢ়াই আহিছে। এই বছৰতো ১৪ / ১১ / ৮৬ ৰতাৰিখৰ পৰা ২০ / ১১ / ৮৬ তাৰিখলৈ অনুষ্ঠিত হোৱা শ্ৰীশ্ৰীকৃষ্ণ ৰাসোৎসৱত আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ প্ৰায় ১০০ জন স্বেচ্ছাসেৱকে সেৱা আগবঢ়াই আমাক সহায় কৰে, মঙ্গলদৈ নগৰ বালিকা ছোৱালী হাইস্কুল, বাণিজ্য মহাবিদ্যালয় আৰু বিভিন্ন সংঘ সমূহে।

(৪) কলাইগাওঁ বননগৰী অঞ্চলত :—

যোৱা ২৫ / ১ / ৮৬ তাৰিখে কলাইগাওঁ বননগৰী অঞ্চলত আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা গোটৰ দ্বাৰা এটি একদিনীয়া শিবিৰ অনুষ্ঠিত হৈ যায়। উক্ত শিবিৰত আমাৰ মহাবিদ্যালয়ৰ পৰা ৭০ গৰাকী স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকাই অংশ গ্ৰহণ কৰিছিল। বননগৰী অঞ্চলত

উদীয়মান ছাত্ৰ শ্ৰীগোবিন্দ নাথে স্থাপন কৰা খাদী আৰু গ্ৰামোদ্যোগত আমাৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে উদ্যোগৰ বাবে এটি ঘৰ, ভেটি আৰু এটি পথৰ অৰ্দ্ধ নিৰ্মাণ কৰে।

**বিশেষ শিবিৰ মঙ্গলদৈ মহাবিদ্যালয়ত :—**

প্ৰতি বছৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত থকা মহাবিদ্যালয় সমূহত একোটাকৈ বিশেষ ৰাষ্ট্ৰীয় সেৱা আঁচনি শিবিৰ অনুষ্ঠিত হয়। এই বছৰো যোৱা ১৬/৭/৮৬ তাৰিখৰ পৰা ২০/৭/৮৬ তাৰিখলৈ আমাৰ মহাবিদ্যালয়ত বিশ্ববিদ্যালয় পৰ্য্যায়ৰ ৫ দিনীয়া বিশেষ শিবিৰ অনুষ্ঠিত হৈ যায়। এই শিবিৰত আমাৰ মহাবিদ্যালয়ৰ কেৱা গৰাকীও ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। এই শিবিৰত আন আন মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ সৈতে একত্ৰিত হৈ আমাৰ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটেও মহাবিদ্যালয় চৌহদত বৃক্ষৰোপন আৰু বিভিন্ন বিষয় সমূহৰ ওপৰত চলোৱা আলোচনা চক্ৰত ভাগ লয়।

এইবোৰৰ উপৰিও আমাৰ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে নিকৱৰ্ত্তী অঞ্চল সমূহত নানা উন্নয়নমূলক সেৱা আগবঢ়ায়।

**অভাৱ অভিযোগ :—**

যিহেতু ৰাষ্ট্ৰীয় সেৱা আঁচনি বিষয়টো চৰকাৰে মহাবিদ্যালয় সমূহত বাধ্যতামূলক কৰি দিছে। গতিকে এই বিভাগৰ বাবে এটা সুকীয়া কাৰ্য্যালয় আৰু সজুলি সংৰক্ষণৰ বাবে এটি সুকীয়া ভঁৰালৰ প্ৰয়োজন। এইখিনিতে কৰ্তৃপক্ষক উক্ত সুবিধাকণৰ বাবে অনুৰোধ জনালো। আনহাতে দুখীয়া মেধাবী ছাত্ৰ সকলে নিজৰ অৰ্জিত ধনেৰে শিক্ষা লোৱাৰ সুবিধাৰ বাবে কৃষিপামখনৰ অনতি পলমে সুবিধা কৰিবলৈ অনুৰোধ কৰিলো। আমি কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা এটি তথ্য আৰু অনুসন্ধান বিভাগ খুলিবলৈ অশেষ চেষ্টা কৰিছিলো। কিন্তু ছাত্ৰ-ছাত্ৰী বা চৰকাৰৰ পৰা কোনোধৰণৰ অনুদান নোপোৱা বাবে কৰিব নোৱাৰিলো।

সেয়ে আমি নতুন বিষয়ববীয়া আৰু কাৰ্য্যসূচী বিষয়াৰ ওচৰত টানি অনুৰোধ জনালো যাতে এই তথ্য আৰু অনুসন্ধান বিভাগৰ দ্বাৰা অকল N. S, S. ৰ ছাত্ৰ-ছাত্ৰীয়েই নহয় গোটেই মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীক উপকৃত কৰিব।

**কৃতজ্ঞতা স্বীকাৰ :—**

আমাৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত দিহা-পৰামৰ্শ দিয়া বাবে মই মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ পূৰ্ণ চন্দ্ৰ বড়া এম-এ, পি এইচ, ডি দেৱক শলাগৰ শৰাই যাচিছো। লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্য্যসূচী বিষয়া ( Programe Officer ) শ্ৰীৰাজেন্দ্ৰ বৰুৱা এম-এ ডবল ) বি-টি দেৱৰ পৰা পোৱা সকলো সময়ৰ দিহা পৰামৰ্শৰ বাবে আন্তৰিক অভিনন্দন, কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰে সুৱৰিছো। ইয়াৰ উপৰিও বিভিন্ন সময়ত পৰামৰ্শ দিয়া অধ্যাপক শ্ৰীমতি মেধী

এম-এ আৰু শ্ৰীৰমণী চহৰীয়া ( এম-এ ) দেৱলৈ শ্ৰদ্ধা নিবেদন কৰিছো।


ইয়াৰ উপৰিও আমাক ব্যক্তিগত ভাবে সহায় কৰা বাবে শ্ৰীচন্দ্ৰকান্ত নাথ, খগেন চৌধুৰী, পবিত্ৰ নাথ, কেশৱ, সৰ্ব্বানন্দ, গজেন, দিপালী, কৰবী, বিণু, ভাবতী, মিণু আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমূহ স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকালৈ আমি কৃতজ্ঞতা আৰু অভিনন্দন যাচিছো।

লগতে আলোচনী বিভাগৰ সম্পাদকে এই সুযোগকণ দিয়াৰ বাবে তেওঁৰ ওচৰত আমি চিৰ কৃতজ্ঞ। শেষত গুৱাহাটী বিশ্ববিদ্যালয়ত জনপ্ৰিয়তা লাভ কৰা মঙ্গলদৈ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি আগতকৈ অধিক শক্তিশালী হওঁক এই কামনাৰে এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদ—

**শ্ৰীঠগীৰাম চহৰীয়া** (অধিনায়ক)
**শ্ৰীশৰৎ কুমাৰ হাজৰিকা** "
ৰাষ্ট্ৰীয় সেৱা আঁচনি,
মঙ্গলদৈ মহাবিদ্যালয়।

১৬-৭-৮৬ তাৰিখৰ পৰা ২০-৭-৮৬ তাৰিখলৈ অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয় পৰ্য্যায়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰত অংশ গ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ দলটি –



প্ৰথম শাৰী : মাটিত বহি বাওঁফালৰ পৰাঃ - সৰ্বশ্ৰী তপন নাথ, কমল নাথ, দীনেশ্বৰ নাথ, কৃষ্ণৰঞ্জন ডেকা, মুকুণ্ড ডেকা, প্ৰেমেশ্বৰ নাথ ।

দ্বিতীয় শাৰী : বাওঁফালৰ পৰা :—সৰ্বশ্ৰী মনিকঙ্কন বৰুৱা, গিৰীশ ভূঞা, নাৰায়ণ চহৰীয়া, চালেহউদ্দিন আহমেদ, চন্দ্ৰকান্ত নাথ ( প্ৰাঃ অধিনায়ক ), অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা ( কাৰ্য্য-সূচী বিষয়া N.S.S. ), অধ্যক্ষ ডঃ পূৰ্ণচন্দ্ৰ বড়া, অধ্যাপিকা ঊষা বড়া, ঠগীৰাম চহৰীয়া ( অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি ), নৃপেন শৰ্ম্মা, ধনেশ্বৰ নাথ, কেশৱ নাথ, নবীন ডেকা ।

৩য় শাৰী : বাওঁফালৰ পৰা :— সৰ্বশ্ৰী বীৰেশ্বৰ নাথ, মুক্তাৰাম কলিতা, প্ৰসিদ্ধ বৈশ্য, খগেন চৌধুৰী, লোহিত নাথ, গোবিন্দ ডেকা, সুনন্দ নাথ, ব্ৰজেন নাথ । বিঃ দ্ৰঃ— সহঃ অধিনায়ক শ্ৰীশৰৎ কুমাৰ হাজৰীকা অনুপস্থিত ।

**Mangaldai College Magazine**

# ENGLISH SECTION

ANNUAL PUBLICATION OF

*Mangaldai College Students' Union*

**1985-86**

In-charge :

Shri Mati Medhi M. A.

Editor :

Shri Siba Prashad Baruah.

# 'LOVE'

Sri Sarat Kumar Hazarika.
T. D. C. (Arts)

It was a sunny day—
Having the fragrance of countless flowers—
Green leaves of Spring season
And the butterflies upon them,
I entered into his drawing room—
With a thirsty mind
I looked around the room,
And shocked
When I have not seen a flower in his room.
"Dear Sir," I asked him,
"You are a lover of flower,
And write poems full of flower,
But how strange !
There is not a flower in your room !"
"My dear," he smiled
"I also love children,
But I donot cut their heads
And put them hang
In my bed room."
He smiled again.

<>

## 'A Song of Jyotiprasad Agarwala'

Hallo people !
The sun you have been searching is coming
The light that's Red
has spread all over the world slowly
slowly
Sparkling He is smiling
Upon your fare-head
He's smiling
smiling
Smiling
Smiling He is
at your front courtyard
Smiling He is
at your back courtyard
Smiling He is
at your kitchen
Smiling He is
at your place of worship
Welcome Him
Sing and dance for Him
See and give full pleasure
to your eyes
To understand the meaning
of His smile
To worship Him with your heart
Pluck the flowers from your garden
petal by petal
Hallo people,
The sun you have been searching is coming.

---

Translated by Prof. Bhupendra Nath Kakati.

# ELECTRICITY FROM GREENERY

Runjun Gogoi

Electricty from there, plants and greenery ?

Of course, Dr. Shiva Prasad Kosta internationally renowned space scientist, who has a special relationship with nature created a sort of sensation in the early Eighties by his unique experiment of using trees and plants as live televisuor antennae.

However, in the beginning of this century, the celebrated Indian physicist Dr Jagadish Chandra Bosu, did notice electrical impulses in plants, showing life and energy in them. But the work on the electrical properties of the green plant was not pusued further for some inexplieable reason.

Dr. Kosta has established the prima facie feasibility of utilising the aboundant greenery of mature as a "store house" of electric power following a series of experiments carried out in early 1985.

Using live and healthy plants like Banana, coconut, mango, fig, date-palm Kosta has been able to derive electric currents of verying voltages depending on factors like the length and health of the plants used and the electroeles employed. In an experiment conducted in February 1986, Kosta pierced a series of stripe electiodes into the leaf branches of live cacti and obtained short-circuit current of the order of 30 milli-amperes at two volts. Using this quantum of power on electric bulb was lighted and a few light-emitting diodes were operated in the flickering mode.

Measurements were made using a potentiomenter, Volt-meter and ammeter to plote the voltage and current characteristic of a single cell as well as a group of cell of in various configurations, The performance of the cells was observed at right as well as in sunlight. A single magnecium lead cell was found to cleliuee a short-circuit current of two milliamperes at an open voltage of 1·2 volts During the experiment, it was observed that the building up of local action, in electroeles within homes of piercing resulted in declining electrical output. This meant that electrodes will have to be cleaned every few hours.

It was also found that on piercing the electrodes into the plant structure, the current output was found to be quite high which started falling rapidly and stabilised at around one-third of the initial peak value. The voltage, on the other hand, remained constant with a *fluctration of five to ten percent. It was also establised that the voltage and current could be increased by increasing the pierced lenght of the electrodes and a proper choice of metal electrodes.*

According to Kosta, the phenomenon of green plants and trees yielding electricity is made possible by the mineral sap circulating in the bodies of plants and trees. Thus, the ionic nature of the greenery makes it an ideal source of electricity. This property was exploited in an earlier experiment to recive radio frequency signals through live plants and trees. The sap in the plant in natural and continuous and lasts as long as the plant is alive. This implies that the latter and greener the plant, the higher the power output. "The greencells can be combined in series and in paralled to deliver higher voltage current," observes Khosta.

Not only green plants and trees but also fresh fruits and vegetables

like tomatoes, potatoes and brinjals, when properly tapped, yield electrical power of verying quantities. Kosta has found that the ubiquitously grown cactus can produce sufficient power to light street lamps, It is Kosta's thesis that in Third world villages, where the use of electricity is fraught with problems of heavy transmission losses and frequent breakdowns the aboundant greenery offers an economically ideal alternative for producing sufficient electricity to light street lamps and houses. Thus, the greenery offers an exiting solution to the energy crisis in the Third world.

Another possibility held by Kosta's research findings is that by analysing the flow of current, it is possible to pinpoint the health and vigour of a green plant similarly proper monitoring of cell voltages and current can give indication of plant disease and degradation of underground soil and shortage of water. Moreover, Kosta is also confident of utilising the greenery of nature for recharging depleted batteries.

Dr. Kosta has emphatically stated that he has just begun his experiments and he has to cross many a hurdle before a comercially feasible and operationally sound power generation system centering round plants and trees emerges,

The experimental study associate director of the Indian space Research organisation's satellite centre on the outskirts of Bangalore, looks like a chapter from science fiction. But this pragmatic and down-to-earth scientist is hell bent upon transforming his research findings into a practicable proposition—if not immediately, at least before the end of this decade. If everything goes Kosta's way, it would be possible to bring light to rural area of the Third world nations through "green power"

( Help taken from "sunday" )

—:—

# HALLEY'S COMET

Girish Bhuyan
B. Sc. 2nd Year.

If we are asked which are the comets, then answer must be celestial bodies. Amongst the celestial bodies, comets are a phenomanon still very poorly understood. They are like a dirty icebergs composed of frozed gases mixed with dust and particles of stone. But unlike a planet, very little of a comet is solid. The appearance of a great comet is one of the most striking celestial phenomana to be seen by the naked eyes. Scientists belived that they were created at the same time with sun and planets from the Solar nebula. In other words, they are the remnats of solar system whose material may have little altered from the era condensation to the present age and may, thus unranel many sectors about the origin of our universe. Again the effects of the solar wind on the physical and chemical properties of the comets may give vital clues to the evolution of the solar system.

Comets are fall into two groups. (1) Periodic Comets (2) Non periodic Comets,

The comets of unown ellipliical orbits are called peoridic comets. The nucleus moves very slowly when it is in the cold, outer reaches of the solar system, far from the sun. The periodic of Kohoutek's comet about 75,000 years, but of Encke's comet only 3·3 years. Halley's comet is also peoridic,

Those moving in open curve will never comeback to the sun and

will continue moving outward indefinitely. These are called non peoridic comets.

The most famous bright comet is Halley's comet. The earliest record of its visit was made in 240 B, C. Since then, with exception of its 164 B.C. appearance, written records of its passage are available. It is the most spectacular comets visible to the naked eye once in 76 years. In 1705 Edmond Halley (1656-1742), the Second British Astronomer Royal and a friend of Newton, published calculations for the orbits of two dozen comets. He noted that, the comets seen in 1531, 1607 and 1682 had very Similar orbits and speculated that they might be the same comet returning every 76 years. He predicted that it would return in 1758. It did return and was first sighted on Dec. 25, 1758.

Another perihelion passages of this comet are known, the last recorded visit being in 1910 when the length of its tail was about 25 million km. In India at the Kodaikanal observatory, Halley's comet was studied then and there exists a very good collection of photographs. It was due to back in the first quarter of 1986. Its closest approach to the sun would be on February, 1986. The mass of this comet has been approximately cstimated at 19 billion tonnes and the radius of its nucleus 15 km.

The world was agog with the approach of Halley's comet within 55 million miles of the sun and closed to the earths orbit in early February 1986. with its big head and tail stretching several million miles away to record its 30th visit to the knowledge of mankind. It was greeted for the first time by unmahed spaceship mooring in outer space at different distances. Instead of just observing and photographing it from distance, the spaceships would help to obtain a close

look-up of Halley's comet through powerfull electronic instruments and computers,

In this advanture, two Russian spacecrafts Vega I and Vega II built in collaboration with France and other east European countries, two Japanese spaceships and one European space Agency's spaceship Giotto, named after an Italian painter Giottode Bondone who first painted Halley's comet on canvas in 1301 A.D.

U. S. S. R. Scientists studied Halley's comet through its spacecrafts Vega I and Vega II. On March 4, 1986, Vega I completed its mission on the 444th day of its journey. The following are their discoveries.

(1) The cometry nucleus is red spot,

(2) The red spot is girdled by an orange ring.

(3) The orange ring is girdled br yellow colour.

(4) The yellow colour ring is girdled by green colour,

(5) The green colour ring is girdled by dark green colour.

(6) The last ring is a vast aurathe most varified part of the comet's head.

---

Reference to C. R.

## EDITORS AND PROF-IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE FROM 1968—85/86

| Session | Editor | Prof-incharge |
|---|---|---|
| 1958—59 | Shri Bodheswar Deka | Shri P. Bora |
| 1960—61 | Shri Soneswar Sarma | Shri D. Neog |
| 1961—62 | Shri Hara Gauri Adhikari | Shri P. Bora |
| 1962—63 | Shri Maheswar Kalita | Shri D, Neog |
| 1963—64 | Shri Tuwa Ram Deka | Shri D. Neog |
| 1964—65 | Md. Fazlul Karim | Shri D. Neog |
| 1965—66 | Shri Bashab Ch. Sahariah | Shri D. Neog |
| 1966—67 | Shri Hem Kanta Deka | Shri J. C, Sarma |
| 1968—69 | Shri Naren Hazarika | Shri J. C. Sarma |
| 1969 70 | Shri Prabhat Nr. Choudhury | Shri J. C. Sarma |
| 1970—71 | Shri Dinabandhu Sarma | Shri J. C. Sarma |
| 1971—72 | Md, Mahiuddin Jiaul Hoque | Shri B. Kakati |
| 1972—73 | Shri Premananda Nath | Shri B. Kakati |
| 1973—74 | Shri Bhabendra Ch: Deka | Shri B. Kakati |
| 1974—75 | Shri Juran Ch, Kalita | Shri B. Kakati |
| 1975 76 | Shri Debendra Kr. Sarma | Shri B. Kakati |
| 1976—77 | Shri Bhaba Kt. Hazarika | Shri B. Kakati |
| 1977—78 | Shri Paramananda Razbongshi | Miss Naharun Nesha |
| 1978—79 | Shri Sailendra Kr. Sarma Baruah | Shri Mahendra Prasad Baruah |
| 1979—81 | Shri Pankaj Kr. Goswami | Shri Bizay Goswami |
| 1981—82 | Shri Gagendra Baruah | Shri Bharat Sarmah |
| 1982—83 | Shri Biswajeet Goswami | Shri Bharat Sarmah |
| 1983—84 | Shri Dulal Baruah | Shri Bharat Sarmah |
| 1985—86 | Shri Siba Prasad Baruah | Shri Matiram Medhi |

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ হৈ আলোচনী বিভাগৰ সম্পাদক শ্ৰীশিৱ প্ৰসাদ বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু মঙলদৈৰ ইউনাইটেড প্ৰেছত মুদ্ৰিত।